# সমাহাৰ

বিনোদ শৰ্ম্মা

SAMAHAR — A collection of Modern Assamese lyrics composed by Sri. Binode Pathak (B. C. Pathak), LL. M., Advocate and Lecturer, Govt. Law College, Guwahati, Published by Dr. (Mrs.) Manjushree Pathak, B. Sc. (Hons), LL. M., Ph. D.
Price Rs. 35·00

---

প্ৰকাশিকা— ড° মঞ্জুশ্ৰী পাঠক, বি, এছ, চি, (অনাৰ্ছ) এল্, এল্, এম্, পি, এইছ, ডি

প্ৰথম প্ৰকাশ
জুন, ১৯৯১

মূল্য— ৩৫·০০

বেটুপাত— শিল্পী শ্ৰীহৰকুমাৰ ডেকা

মুদ্ৰক— হিমালয় প্ৰিণ্টাৰ্ছ,
মিলনপুৰ, চান্দমাৰী
গুৱাহাটী—২১

# দুআষাৰ

সাহিত্যৰ ভিতৰত নাট্য-সাহিত্যক শ্ৰেষ্ঠ বুলি কোৱা হৈছে। কাৰণ হয়তো এই যে— এইবিধ সাহিত্যত ভাব-ভাষা-কাৰ্য্য আটাইখিনিয়েই বাস্তৱত ৰূপায়িত হৈ জীৱন্ত ৰূপ লয়। জন-প্ৰিয় তথা মানুহৰ মন অতি সহজে জয় কৰিব পৰা আনবিধ শ্ৰেষ্ঠ সাহিত্য হ'ল— গীতি সাহিত্য। এই কাৰণতেই হয়তো 'সংসাৰ মৰুত সংগীত সৰোবৰ' বুলি আখ্যা দিয়া হৈছে। নাটকৰ বিষয়বস্তুৱে দৰ্শকৰ মনত প্ৰত্যক্ষভাৱে ক্ৰিয়া কৰে। কিন্তু গীতে শ্ৰোতাৰ মনত পৰোক্ষভাৱে হ'লেও অতি সহজে অথচ গভীৰভাৱে ক্ৰিয়া কৰে। এইখিনিতে এটা অতি মন কৰিবলগীয়া কথা হ'ল এই যে— এই দুয়োবিধ সাহিত্যৰ বাবে অপৰিহাৰ্য্য অংগ হ'ল কাৰ্য্য নৈপুণ্য, পৰিচালনা আৰু পৰিবেশনা। সংগীত বা গীতৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্ব আৰু অধিক। মূলতঃ গীত-সাহিত্যৰ উপলব্ধি আৰু উপ-ভোগ তেতিয়াহে হয় যদিহে তাৰ পৰিবেশন সৰ্বাঙ্গীনভাৱে মনোগ্ৰাহী আৰু হৃদয়স্পৰ্শী হয়। কিয়নো, এইবিধ সাহিত্যৰ আহ্লাদ-আস্বাদন সদায় পৰোক্ষ। শ্ৰোতাৰ কাণত সহজে পৰা, বোধগম্য আৰু সুশ্ৰাব্য হ'ব লাগে।

দৰাচলতে নাটকৰ বিষয়বস্তু দীঘলীয়া হয় আৰু ই কিছুমান ধৰাবন্ধা নিয়মৰ মাজত নাথাকিলেও হয়। গীত সাধাৰণতে চুটি আৰু তাল-মান-লয়, কায়দা-বিস্তাৰ-তান, ছন্দ আদিৰ কঠিন বান্ধোন আৰু সীমাৰ মাজত আবদ্ধ থাকে। গীতৰ কথন আৰু তাত সুৰাৰোপ যদিহে নিখুঁত আৰু নিপুণ হয়; সেই গীতে শ্ৰোতাক হহুৱাব, নচুৱাব আনকি কন্দুৱাব পাৰে।

মাধৱ কন্দলিৰ পিচত শংকৰ-মাধৱ আদি গুৰু কেইজনাৰ দ্বাৰাতে বৰগীত, দুৰ্গাবৰ আদিৰ ধৰ্মমূলী বোলা গীতসমূহৰ বাদে আমি অসমীয়া আধুনিক গীতি সাহিত্যৰ গুৰি বিচাৰি পাওঁ;—দেহবিচাৰৰ গীত, বাদে বাৰমাহী গীত, বৰফুকনৰ গীত, মণিৰাম দেৱানৰ গীত, জনা বা জিকিৰ গীত, আইনাম, বিয়ানাম, কমলাকুঁৱৰীৰ গীত, চুটি-নাটিৰ গীত, মণিকোঁৱৰ ঃ কাঞ্চনকুঁৱৰীৰ গীত, ফুলকোঁৱৰ ঃ [illegible] গীত, জিকিৰ আদি আদিতো সমূহত। যদিও এইবিধ সাহিত্যক জনকাব্য বা লোকগীত বুলিও জনা যায়। [illegible] গীত, [illegible] মাজত [illegible] কোনো [illegible] [illegible], এই গীত আৰু [illegible] [illegible] পাৰি। [illegible]

এই পদ্যবোৰ ৰচনা কৰোতে ছন্দৰীতি, শব্দ-শয়ন আদি সাহিত্যৰ অন্যান্য আ-অলংকাৰবোৰ নিখুঁতকৈ ব্যৱহাৰ কৰা হৈছিল।

বৰ্তমান অসমীয়া আধুনিক কবিতা আৰু আধুনিক গীতৰ মাজত পাৰ্থক্য মন কৰিবলগীয়া। ৰচনাশৈলীৰ ফালৰ পৰা চালে দেখা যায় দুটা ভিন্নধাৰাৰ সূত্ৰ। এটা "সৌশব্দ" আনটো "অৰ্থব্যুৎপত্তি"। আজিৰ আধুনিক অসমীয়া ছন্দ-অলংকাৰ বিহীন কাব্যৰূপ বৰ্জিত, নতুন চিন্তা-চেতনাৰে স্পন্দিত গদ্যৰ অৱলম্বনত ৰচা কিছুমান 'পদ' মাথো। অৰ্থ-ব্যুৎপত্তি এই আধুনিক কবিতাৰ প্ৰাণ। সাবলীল, কোমলশব্দশয়নতকৈ অৰ্থবহ বাক্য প্ৰয়োগতহে অধিক গুৰুত্ব আৰু বিশ্বাস দেখা যায়। বাকী কাব্য-ৰীতি সমূহ এই ক্ষেত্ৰত গৌণ। কিন্তু এইটোও নহয় যে—এই আধুনিক কবিতাত কাব্য-অলংকাৰৰ ব্যৱহাৰ নাই। আনহাতে দেখা যায় যে আধুনিক গীতসমূহ আজিও সেই একে পদ্য-ৰীতিতে ৰচা হৈ আহিছে; ছন্দ, অলংকাৰ, গীতিধৰ্মিতা আদি একে পুৰণি ঠাঁচতে চলি আহিছে। এইদিনৰ পৰা আধুনিক গীতত 'সৌশব্দ' আৰু 'অৰ্থ-ব্যুৎপত্তি' এই দুয়োবিধ ৰীতি-সূত্ৰৰ প্ৰয়োগ আজিও বিৰাজমান। এইখিনিতে এটা প্ৰশ্ন হয় যে, অসমীয়া আধুনিক কবিতা আধুনিক গীততকৈ অধিক গতিশীল আৰু আধুনিক নেকি? পাশ্চাত্য সংগীতৰ নৃত্য-সম্বলিত পৰিবেশন পদ্ধতিৰ জাকজমকতা আৰু সেই গীতৰ বিষয়বস্তুলৈ চালে, বোলছবিৰ কাহিনী গীত আৰু বিজ্ঞাপন আদিৰ গীতসুৰীয়া কথালৈ চালে অসমীয়া আধুনিক গীত ৰচনা-ৰীতিৰ ক্ষেত্ৰত পিচ পৰি থকা যেন লাগে। সময় প্ৰবাহত আধুনিক কবিতাৰ যিমান পৰিবৰ্তন আৰু পৰিবৰ্দ্ধন ঘটিছে, আধুনিক গীতৰ ক্ষেত্ৰত তেনে লক্ষণ পৰিলক্ষিত হোৱা নাই। গতিশীল সমাজত সকলো সাহিত্যই আঙ্গিক আৰু বৌদ্ধিক দিশত গতিশীল হোৱাটো অনিবাৰ্য্য। অসমীয়া গীতি-সাহিত্যই অন্য সাহিত্যৰ লগত ফেৰমাৰি আৰু এখোজ আগবঢ়াৰ প্ৰয়োজনীয়তা অনুভূত হৈছে। এই ক্ষেত্ৰত নতুন গীতিকাৰ, সুৰকাৰ আৰু কণ্ঠশিল্পীৰ লগতে 'আকাশবাণী' আৰু 'দূৰদৰ্শনৰ' বিশেষ উত্তৰোত্তৰ দায়িত্ব আছে।

'সমাহাৰ'ত সন্নিবিষ্ট বেছিভাগ গীতেই—সত্তৰ আৰু আশীৰ দশকত ৰচা। এই গীতসমূহ বিশেষকৈ 'আকাশবাণী' আৰু 'দূৰদৰ্শনৰ' বিভিন্ন শিল্পীৰ চাহিদালৈ চাই নতুবা তেনে উদ্দেশ্যতহে ৰচা হৈছিল। তথাপি সাহিত্যৰ দিশটোৰ ফালে পাৰ্য্যমানে ধ্যান দিয়া হৈছিল। গুণাগুণ শ্ৰোতাজনাই ঠাৱৰ কৰিব।

গীতৰ পাণ্ডুলিপিটো ছপাশালালৈ পঠিওৱাৰ আগতে আকাশবাণীৰ যোগেদি সুদীৰ্ঘকাল অসমীয়া গীতৰ গুৰি ধৰোতা শিল্পী, গীতিকাৰ, সুৰকাৰ, লেখক ও সংগীত নিৰ্দেশক পণ্ডিত শ্ৰীযুত পুৰুষোত্তম দাসে (পুৰুষদা) এবাৰ চকুফুৰাই দিছিলে। মোৰ অনুৰোধ এবাৰ নোৱাৰি নবিয়াপাটিতে তেই তেই বহুমূলীয়া

'আগকথা' খিনিও লিখি দিলে। সাৰ্থক উপদেশ আৰু আন্তৰিকতাৰ বাবে মই সঁচাকৈয়ে তেখেতৰ ওচৰত কৃতজ্ঞ। মোৰ লগত সকলো কামতে ছায়াৰ দৰে লাগি থকা আৰু সকলো কামতে সহায়-সমল যোগোৱা মোৰ পত্নী ডঃ শ্ৰীমতী মঞ্জুশ্ৰীৰ হেঁচা আৰু সহযোগ নহ'লে হয়তো 'সমাহাৰে' ছপাশালৰ মুখ নেদেখিলেহেঁতেন। পঢ়াশলীয়া দিনৰে পৰা কলেজ-বিশ্ববিদ্যালয়ৰ সুৰলৈ খ্যাত, বিখ্যাত বা অখ্যাত যিসকল শিক্ষাগুৰু, বন্ধু-বান্ধৱীয়ে মোক গীত ৰচাত অনুপ্ৰেৰণা দিছিলে, যিসকল গায়ক-গায়িকা আৰু সুৰকাৰে মোক গীত লিখিবলৈ বাধ্য কৰাইছিলে, আকাশবাণী আৰু দূৰদৰ্শনৰ যিসকল কৰ্মকৰ্তা ও শিল্পীয়ে কলা কৌশল আৰু নিপুণ হাতেৰে মোৰ গীতৰ অংকাত প্ৰাণ সঞ্চাৰ কৰি আহিছে, তেওঁলোকৰ প্ৰতিজনৰ ওচৰত মই ঋণী হৈ ৰ'লোঁ।

চিত্ৰশিল্পী শ্ৰীযুত হৰকুমাৰ ডেকাই বেটুপাতটো সজাই দিছে। শ্ৰীডেকাৰ কল্পনা অপূৰ্ব। গুৱাহাটীৰ, 'হিমালয় প্ৰিণ্টাৰ্ছ'ৰ স্বত্বাধিকাৰী বন্ধুবৰ শ্ৰীযুত ৰঞ্জিত কুমাৰ শইকীয়াই দ্বিধাহীনভাৱে এই গীতৰ সংকলনটিৰ প্ৰকাশৰ দায়িত্বলৈ অতি কম সময়তে কামটো সমাধা কৰি দিয়া বাবে তেখেতো ধন্যবাদৰ পাত্ৰ। ছপাশালৰ খৰ-খেদাৰ কাৰণেই হয়তো, দৃষ্টিঅগোচৰে অ'তত'ত দুই এটা সৰু-সুৰা ভুল-ত্ৰুটী থাকি যাবও পাৰে।

শেষত হিন্দী কবি 'ৰামধাৰী সিং দিনকৰ'ৰ কবিতা এটিৰ ভাবাৰ্থেৰে মহো ক'ব খুজো,—

কোন খনিকৰে সজালে পৰালে
প্ৰতিমাই পালে জানো প্ৰাণ ?
যদি মই প্ৰতিমাক প্ৰশ্ন কৰোঁ
সন্নিধান জানো কিবা পাম ?
কোনোবা দিনা যদি মন্দিৰ গ্ৰাসী
জ্বলি উঠে দাবানল,
মাতিবনে মাত মাটিৰ মুৰুতিয়ে
কিম্বা ৰ'ব হৈ মৌন-বিকল ?
[ সুৰ অবিহনে গীতৰ কথাও
নিথৰ ম্ৰিয়মান ! ]

সমাহাৰৰ গীতে কিঞ্চিত হ'লেও সকলোৰে অন্তৰ চুই ৰ'ক,— সেই কামনাৰে ; —

ইতি—
বিনোদ পাঠক

প্ৰথম আহাৰ
২৬ জুন, ১৯৯১ চন,
গুৱাহাটী—২৫

# সূচী

একেই ক্ষুধা একেই তৃষ্ণা /৫
ভাঙি চক্ৰবেহু ছিঙি শিকলি /৬
সন্মুখত সেয়া কুৰুক্ষেত্ৰ /৭
আপলি বাঁহত বহি কপৌহালিয়ে /৮
জোনাক নিগৰা যামিনী /৯
গছে-বনে পাতে-পাতে /১০
সেউজীয়া আঁহতৰ জুৰণীয়া ছাঁ /১১
দুপৰৰ ভাগৰ দূৰণি ধূসৰ ১২/
মোৰ পুৰণি ওপজা পঁজাৰ /১৩
বগাফুল বুলি ভুলকৈ বুটলি /১৪
বহো তাঁতৰ পাতত চকু আলিবাটত /১৫
চমকন্তে চালোঁ সময়ৰ সুকঙাৰে /১৬
একতৈ থাকিলে একহৈ চলিলে /১৭
যোগ্যৰ বাবেহে ভোগ্য ই বসুধা /১৮
অ' মালবিকা তুমি নুবুজিলা /১৯
এইপাহ ফুল মই ভাল পাওঁ /২০
মোৰ গানৰ সুৰে সুৰে /২১
দূৰৰ পাহাৰে নিৰলে নিঃসাৰে তলে /২২
ওভোতাই দিয়া বাওলি অতীত মোৰ /২৩
আঘোণী বাই অ' আঘোণী বাই /২৪
এই পৃথিৱী—দুদিনৰ আলহীঘৰ /২৫
বৈ যা নদী বৈ যা /২৬
মন মোৰ উৰণীয়া বৰণীয়া পখিলা /২৭
সাতোটি সাগৰ যেনিবা /২৮
যেখাৰে গধুৰ নকৰাবে মন /২৯
উৰি যোৱা পাৰঘূৰি /৩০

বাটৰ কাষৰ মই বনৰীয়া ফুল /৩১
আকৌ এবাৰ ক'লো নেযাবা পাহৰি /৩২
গোলাপ তোমাৰ কোমল পাহিত /৩৩
মোৰ স্বপ্ন আছিল /৩৪
পছোৱাই ক'লেহি ফাগুন আহিল বুলি /৩৫
এইপিনে উৰি আহে সোণালী ৰ'দৰ পখী /৩৬
অ'—চিনাকি চিনাকি গাঁওৰে /৩৭
দূৰৰ পাহাৰ নীলা পাহাৰ /৩৮
সোণগুটি শইচেৰে পথাৰ সোণালী হোৱা /৩৯
পৃথিৱীত যদি ধৰ্ম /৪০
নহয় কেৱল কথাৰে /৪১
লিহিৰি লিহিৰি ৰিৰিণাৰে পাত /৪২
কিন্‌ কিন্‌ ৰৰষুণে /৪৩
কৃষ্ণচূড়া ৰঙৰ পোহাৰ মেলি /৪৪
আম পকে ক'ত জাম পকে ক'ত /৪৫
কণমানি নয়নমণি /৪৬
শৰতৰ পৰশ লাগে /৪৭
হেজাৰ লোকৰ ভিৰ /৪৮
ৰূপালী মেঘৰ মেলা /৪৯
এই বাটে আক কঙযে ফাগুন /৫০
মেলিলো এইয়া প্ৰথম সুৰসাগৰত /৫১
এজুপি বিৰিখ তুমি ছায়া ঢালি /৫২
বাঁহৰ লেকেচিত দেওদি নাচিলি /৫৩
বতাহে কাৰ বাতৰি আনে /৫৪
মিঠা মিঠা লগা এই পধূলি /৫৫
নদীয়ে বিচাৰে সাগৰসংগম /৫৬
মোৰ ভালপোৱা নহয় অনৰ্থ /৫৭
কিয়নো মাতিলি /৫৮
কিনো নাচোনৰ ছন্দ /৫৯
ফুলি ফুলি ফুল সৰি পৰি যায় /৬০
হিংসাৰ জুমুঠিত শান্তিৰ প্ৰলেপ সানি /৬১
মোৰ সমাধিত বহি মনে মনে /৬২

পাহাৰী ছোৱালী তাই /৬৩
তবাই টিপিয়ালে চকু /৬৪
পুৱণি ধৰণী শ্যামলী পাতেৰে পুনু /৬৫
তোমাৰ কথা মনত পৰিলে /৬৬
চঞ্চলা চপলা তুমি মনোৰমা /৬৭
কিনো চাবা বংচঙীয়া /৬৮
তুমিয়ে চকুলো তুমিয়ে সকলো /৬৯
উহুলি মূহুলি বহাগৰ পদুলি /৭০
কাৰোবাক দিছা জীৱনজুৰি হাঁহি /৭১
মৰম মৰম লাগে তোক /৭২
ৰাতি মাতি মাতি কাৰ কাৰণে /৭৩
অ' উৰি উৰি ঘূৰি ঘূৰি বা-ছাটি /৭৪
খোলা অ' খোলা মনৰ দুৱাৰ খোলা /৭৫
নানা জাতি উপজাতি মিলি জাতি অসমীয়া /৭৬
সৰাপাতৰ জুনুকা বাজে /৭৭
সাগৰিকা, কিয় আজি তুমি /৭৮
সঁচা কথা নক'বা /৭৯
বতাহতে হালে জালে /৮০
বিজুলী বাতিয়ে পোহৰালে আজি /৮১
ৰূপৰ নিদিবা নাম অপৰূপ /৮২
পিচলি পৰিল কাৰ তুলিকা /৮৩
পখীৰ পাখিৰে পিচলি পৰিছে /৮৪
প্ৰভাতী বেলিয়ে বোকোছাত তুলি /৮৫
বহু ধুমুহা পাৰহৈ গ'ল /৮৬
বিধাতাই কেতিয়াও কাৰো কপালত /৮৭
কোন গ'ল (বা) কেনি গ'ল /৮৮
নিৰ্জনতাই কন্দুৱায় /৮৯
যুগ যুগ ধৰি অসমৰ গুপবেদি /৯০
সময় গুচি গ'ল /৯১
বেমাৰ ব্যাধিৰ বিষয়ে বৰ্ণালে /৯২
গান গাওঁ মই গান গাওঁ /৯৩
যি কথা নক'লা ওঁঠৰ আষাৰে /৯৪

জুৱনী গাঁওবে যোৱনী বোৱাৰী /৯৫
ক'ব খুজি একোই নক'লি /৯৬
ইয়াতে আছিলে ফুলি /৯৭
যদিও নেজানো মই /৯৮
যোৱা বেলি বিহুতে গৈছিলোঁ গাঁওলৈ /৯৯
আনৰ ভাল দেখিলে দুচকু পোৰে তোৰ /১০০
বাখৰপতীয়া আখৰ তোমাৰ /১০১
আজি জগতৰ অশান্তিৰ কাৰণ /১০২
সবিয়হৰ ফুলো নহয় /১০৩
কিয় দিলা মোক এই যৌৱন /১০৪
পাৰৰ বালিত বহি সাগৰৰ সিপাৰে /১০৫
এদিন সুকযক সুধিলোঁ মই /১০৬
কল্পনাৰ সপোনপুৰী এৰি /১০৭
জয় মাতৃ মহালক্ষ্মী সংসাৰ তাৰিণী /১০৮
জোনবাই এ' আমাৰে গাঁওলে' আহিবি /১০৯
শিয়াজীয়ে হোৱা দিয়ে ক'ত /১১০
আহো বুলি নাহিলি /১১১
জুইতো নজ্বলে কিয়বা জ্বলিব /১১২
আজি আকউ মই সপোন দেখিছোঁ /১১৩
নেজানো নৈয়ে কিয় বৈ গৈ /১১৪
নিবিড় বনৰ ছাঁয়া /১১৫
কিনো ফুল তুমি ভালপোৱা কোৱা /১১৬
স্বপ্নীল ছপৰ নিশা /১১৭
প্ৰভাতী অকণে পোহৰাই তোলে /১১৮
মেঘে গাজিছে গ্ৰুক গ্ৰুক /১১৯
ব্যৰ্থতাই ষেতিয়া মোৰ /১২০
আশা বালিচৰত থাকোঁ হাবাথুৰি /১২১
চকুৰ আঁতৰ হ'লে মনৰো আঁতৰ /১২২
এই পৃথিৱীতে এই জীৱনতে /১২৩
প্ৰেম আছে বাবেই /১২৪
এইখন খিড়িকী চিনাকি চিনাকি /১২৫
তন্দ্ৰা অলস তোমাৰ চকুত /১২৬

তাৰৰ তলেদি ডুবিব খোজা /১২৭
টুন্ টুন্ টুন্ টুনী চৰাই /১২৮
ৰূপৰ আধাৰ ৰূপৱতী ঘাট /১২৯
কৈলডিলীয়া গোপাতে অ' /১৩০
দুদিনৰ এই আলহীঘৰত /১৩১
জাতিস্মৰ নহ'লোঁ। /১৩২
কোনে এৰি গ'ল এমুঠি মৰম /১৩৩
খোলা খিড়িকীৰে এমুঠি জোনাক /১৩৪
অভাৱ অনাটন হাই-খৰিয়াল /১৩৫
আমালৈ ভোগ্‌জৰা ভোগালিয়ে দিলে /১৩৬
সুন্দৰ সঁচা-সদায় সুখৰ /১৩৭
ফুল ফুল ফুল ফুল আৰু ফুল /১৩৮
আঘোণৰ পথাৰলৈ' চাই পঠিয়ালে /১৩৯
জিক্‌মিক্ জিক্‌মিক্ /১৪০
সন্ধিয়া লুইতৰ ভটিয়নী সোঁতত /১৪১
কোন ৰূপহীৰ লাহী কঁকাল /১৪২
আইতা অ', অ' আইতা /১৪৩
শিয়ালী এ' নাহিবি ৰাতি /১৪৪
বুকুত কঁপনি /১৪৫
বজ্ৰ কঠোৰ হাতেৰে /১৪৬
ফুলৰ পাপৰিৰে সজাই পদূলি /১৪৭
আজি এই আঁউসীৰ ৰাতি /১৪৮
আগলৈ' পিচলৈ' চাই চাই /১৪৯
এই লুইতপৰীয়া সন্ধ্যা /১৫০
দূৰৰ দিগন্ত কুহুমবুলীয়া হ'ল /১৫১
মোৰ আশে-পাশে জন-সমুদ্ৰ /১৫২
সপোন এদিন দেখিছিলোঁ /১৫৩
জীৱন কৱিতা কৰি সজাব খুজিলোঁ /১৫৪
তোমাৰ মায়াৰ সোণালী সঁজাত /১৫৫
পল অনুপল দণ্ড প্ৰহৰ /১৫৬
মোৰ খিড়িকী তোমাৰ খিড়িকী /১৫৭
"ভাল পাওঁ" বুলি /১৫৮

দলে বলে ব'জ ভাই /১৫৯
নৱ প্ৰভাতৰ নতুন সুৰুযে /১৬০
নেদেখো তোমাক নুশুনো যে মাত /১৬১
মোৰ মনৰ উকা দাপোণৰ /১৬২
অ' কুলি কুউ বুলি /১৬৩
আই তোৰ চোতাল সাৰিব খুজি দেখিলোঁ। /১৬৪
নীলা আকাশৰে মিলা এটি ৰং /১৬৫
করুণ কোমল সুৰে বাজে বেহেলা /১৬৬
অ' চম্পাকলি ! চম্পাকলি !! /১৬৭
শিল্পী তোমাৰ আমঠু উমতে /১৬৮
জীৱনৰ বাটে বাটে বিচাৰি ফুৰিছো /১৬৯
কিনো দিওঁ তোমাক /১৭০
পখীৰ বিননি নিশাৰ বননি /১৭১
সোণালী দিনবোৰ /১৭২
বাহিৰে সৰল ভিতৰি গৰল /১৭৩
বিজয়ৰ বৰ্ণ-মালা /১৭৪
কিনো দুখে হায় কিনো হেকৰাই /১৭৫
নামৰ সক বৰ আছে হে বান্ধৈ' /১৭৬
তুমি যেন এপাহি নীলা পদুম /১৭৭
সংসাৰ সাগৰত নাও বাই বাই /১৭৮
কুলিৰ কণ্ঠ কোনে কৰিলে কোমল /১৭৯
ক'ৰবাত কিহবাৰ কিবা মাত /১৮০
মন মোৰ উৰি যায় দূৰণি দেশলৈ /১৮১
বহাগ অহাৰ বাতৰি বিলাই /১৮২
বৰষাৰ ৰিম্‌ঝিম্ বৰষুণে /১৮৩
নিৰিবিলি ক্ষণ খেলি-মেলি মন /১৮৪
মানুহৰ কত কিযে ছলনা /১৮৫
মুকলি কিয়নো মাতিলি /১৮৬
কিনো নাচোনৰ ছন্দ /১৮৭
মোৰ জীৱন জুৰি আছে /১৮৮
সুন্দৰৰ সাধনাৰে জীৱনৰ খেলা খেলি /১৮৯
তোমাৰ কথা মনত পৰিলে /১৯০

আহা ভাই পথাৰলৈ' /১৯১
পুৰুষোত্তম মহাপুৰুষ, জাতিৰ জনক হে শংকৰদেউ /১৯২
দেখি বুল্‌বুল্‌ শিমলুৰে ফুল /১৯৩
নিজম নিশা বিজন বনত /১৯৪
ফুলিছে মছুঁৰা ফুল মোহনীয়াহৈ /১৯৫
দল্‌দোপ্‌ হেন্দোল্‌দোপ্‌ /১৯৬
সমাধিত মোৰ বুকৰ মালতী ফুল /১৯৭
তোমাক ভাবিছিলোঁ চিন্ময়ী বুলি /১৯৮
আজি বিজুতলী উৰুলি-মুৰুলি /১৯৯
খট্‌ খট্‌ খট্‌ খট্‌ /২০০
পৰৰ কাৰণে দিয়া স্বাৰ্থ বলিদান /২০১
পাহৰো বুলি জানো পাহৰিব পাৰি /২০২
জনমৰ লগনত /২০৩
দুঃখৰ দিনত সুখৰ সপোন /২০৪
বগুৰা ঘোঁৰাই জনা হ'লে /২০৫
হেৰুৱা অতীতৰ ডুখৰীয়া কাহিনী /২০৬
উকণ্ঠা ফাগুনৰ মন উৰা বতৰত /২০৭
তোমালৈ বাট চাই চাই মই /২০৮
ফাগুন তুমি নাহিবা /২০৯
ঢালি বাকি দিলোঁ সঁচা ভালপোৱা /২১০
মানুহৰ মন অতল গভীৰ /২১১
পৃথিৱী তোমাৰ শান্তি কাঢ়িব খোজে কোনে /২১২
মোৰ অনুৰোধ হে পাহৰণি /২১৩
বহুদিন বহুবাৰ খুজিছিলা আহি /২১৪
মোৰ মনৰ কলুষ কালিমা /২১৫
তোমাক দেখিয়ে ভাল লাগি গ'ল /২১৬
মোৰ এই সংগীত ৰচনা /২১৭
বনেঢকা ফুল যেনিবা /২১৮
তোৰে মোৰে বুজা বুজি /২১৯
দুৱাৰ খোলা /২২০
গগনাই গগন বজন্‌জনালে /২২১
ফুলহৈ ফুলি থাকা মোৰ বুকুৰ মাজতে /২২২
নৈৰ সক বৰ নাই ঐ কান্ধে /২২৩

এটি মাথো কথা 'ভাল পাওঁ' বুলি /২২৪
সৰলৰ বনে বনে /২২৫
কিমান কোমল কিজানি ভাগে /২২৬
দেশ বুলিলে নালাগে আদেশ /২২৭
ভাগি ছিগি পৰা /২২৮
গছৰ গুটি সৰি গজে গজালি /২২৯
ভালপাওঁ মই মোৰ সৰু ঘৰখনি /২৩০
আজিও কদম ফুলে /২৩১
ওঁঠত লগাই তামোলৰ পিক্ /২৩২
খটেং খটং তাঁতেশাল /২৩৩
সঁপোন ফুলিছে আজি সততে /২৩৪
আজিও তলভৰি বকুল সৰে /২৩৫
দেও দি দি নাচ অ' পখিলী /২৩৬
সংহতিৰ নামত ধৰ্ম-ভাষাৰ কথা /২৩৭
কলং কপিলী লুইতৰ বুকুৰেদি /২৩৮
বতাহতে ভালে জালে /২৩৯
মোৰ আইক মই ভালপাওঁ /২৪০
দুটি সন্তান এটি সৰু পৰিয়াল /২৪১
ভাটিৰ দেশৰ কুকুৰা তই -/২৪২
মই লিখি আছোঁ দিনৰ দিনলিপি /২৪৩
নিবেদিলো আই মই ভক্তিৰ অৰ্ঘ্য /২৪৪
তোমালৈ মোৰ পৰিছে মনত /২৪৫
ওঃবটি জীৱনে নিৰাশাকে পালোঁ! /২৪৬
আহাৰৰ আজি এই প্ৰথম পুৰাতে /২৪৭
ঘটনাবহুল উজাগৰী ৰাতি /২৪৮
নিচেই চিনাকি এই নদীখনি /২৪৯
মোৰ গালে মুখে কালৰ আঁচোৰ /২৫০
কালে আঁচোৰা দেহা-মন /২৫১
ৰাটৰ কাষত বহি এবেলি ভাবিছোঁ /২৫২
ৰাতি নিবিড় নিবিড় লাগিছে /২৫৩
ক'লৈনো ওলালি অ' কুঁজীবাই মহুৰা /২৫৪
বাহিৰত বৰষুণ পৰিছে /২৫৫
মৰম-চেনেহো বস্তু-বাহানি /২৫৬

বাৰিষা মেঘৰ দৰে /২৫৭
জয়তু জননী মুক্তিদাতা /২৫৮
এই আকাশেই /২৫৯
মই ভাওৰীয়া জীৱন নাটৰ /২৬০
এই বাটৰেই মই বাটৰুৱা /২৬১
তিমিৰ মগ্ন নীৰৱ নিশা /২৬২
যন্ত্ৰ মানুহ আমি যন্ত্ৰ মানুহ /২৬৩
বহু সাধনাৰে আঁকা তুমি /২৬৪
মোৰ পদূলিৰ এই শেৱালি-জোপা /২৬৫
অ' কণমাই, ঢোলৰ মাত শুনা নাই /২৬৬
ধাৰাষাৰে নমা চকুলো দুধাৰি /২৬৭
মই অকা বাটেৰে /২৬৮
সেউতী অ'— /২৬৯
তোমাৰ বাবেই মই /২৭০
এতিয়া নিশা দুপৰ হ'ল /২৭১
এতিয়া পেলি মাৰ গ'ল /২৭২
যি বাটে গৈছিলি ৰঙিলী /২৭৩
মই যেন কোনো এক অতনু আত্মা /২৭৪
ৰঙা চিলনী গঙা চিলনী /২৭৫
হে বন্ধু ! নিদিবানে তুমি /২৭৬
মন্দিৰ মছজিদ্ গীৰ্জা নামঘৰ /২৭৭
কিনো জাত পাত ধৰ্ম-ভাষা /২৭৮
এইখনি নৈ /২৭৯
মৰমে খিদৰে জানে হৃদয়ৰ টান /২৮০
সীমা-ভেঁটা দিব পাৰি /২৮১
জোৱাৰৰ হে যেন মই উটি যাম /২৮২
সংফুল ফুলিছে চিঙোতাযে নাই /২৮৩
অ' ৰঙিলী পখিলা /২৮৪
দেখিবা যদিহে মোলৈ চোৱা /২৮৫
নহয় সিটো কুলি চৰাই /২৮৬
এদিন দুদিনকৈ সোণালী দিনবোৰ /২৮৭
বনে বনে ৰজন্-জনাই /২৮৮

আই তোৰ দুগালৰ চকুলো মচি /২৮৯

চ'তৰ কাঁহিলি-পুৱাতে শুনিলোঁ। ২৯০

দূৰ সাগৰত সন্ধ্যা যেতিয়া /২৯১

ওলাই আহ অ' ভদীয়া ভাদৈ /২৯২

ধিনিকি ধিনিকি ধিন্ ধিন্ ধা /২৯৩

মেজিৰ কুকুহা ওপৰলৈ উৰিলে /২৯৪

মই দেখোন নিজকেই নাপালোঁ। চিনি /২৯৫

জীৱনৰ অৰ্থ বিচাৰি বিচাৰি /২৯৬

যেনি তেনি চাওঁ কেনিও নেদেখোঁ অনুশাসন /২৯৭

কাইলৈ কি হ'ব নেজানো, যে আমি /২৯৮

দিবা জানো অলপ মৰম /২৯৯

ৰিণিকি ৰিণিকি বাজে /৩০০

নিশাৰ সপোনত মনৰ দাপোনত /৩০১

গুচি যায় দিনবোৰ চকুৰ আগেদি /৩০২

বসন্তৰ বাতৰি /৩০৩

এই জীৱন সুখৰ দুখৰ সমাহাৰ /৩০৪

# আগকথা—

ইতিহাসে ঢুকি পোৱাৰ আগৰে পৰা সুৰৰ যি অনন্ত প্ৰবাহ বৈ আছে, সেই প্ৰবাহৰ বুকুতে, যুগে যুগে বিভিন্ন গীত-পদ সৃষ্টি হৈছে নিজৰ তৃপ্তিৰ বাবে আৰু সমাজৰ আৱশ্যকতাত ।

আমাৰ দুজনা গুৰু শঙ্কৰ-মাধৱেও সেই অনন্ত সুৰৰ প্ৰবাহৰ বুকুতে সৃষ্টি কৰিছিল তেওঁলোকৰ যুগজয়ী গীত-পদবোৰ। সেই গীত-পদবোৰে নাম পাইছিল বৰগীত। পিচে এই 'বৰগীত' নামটো হেনো তেওঁলোকৰ মহাপ্ৰয়াণৰ প্ৰায় এশ বছৰ মান পাচতহে সমাজত প্ৰচলিত হ'ল। তেৰাসৱৰ জীৱিত কালত নাম আছিল গীতহে। এনেদৰে বিভিন্ন সময়ত এই গীত-পদবোৰে বিভিন্ন নাম পাই আহিছে।

তাৰ পিছত দুজনা গুৰুক অনুসৰণ কৰি কিছুমান অনাখৰী কবি-শিল্পীয়ে কিছুমান গীত লিখিবলৈ ধৰিলে। সেই গীত-পদবোৰ তেওঁলোকে কাকতত লিখা নাছিল,—লিখিছিল অন্তৰত উম লৈ থকা কবিত্ব শক্তিৰ প্ৰভাৱত মুখতে। নাম পালে লোক-গীত। সেই লোকগীতবোৰ আজিও মানুহৰ মুখে মুখে প্ৰচলিত হৈ আছে। তাৰ পিছত আহিল আধুনিক গীতৰ যুগ। এই 'আধুনিক' শব্দটো বোধকৰো আমি পালো বঙ্গদেশৰ পৰা। অসমীয়া আধুনিক গীতৰ সৃষ্টি হৈছিল যোৱা শতিকাতে। ১৮৮৮ চনত সৰ্ব্ব প্ৰথম এখন গীতৰ পুথি ছপা হৈ প্ৰকাশ পায়। পুথিখনৰ নাম আছিল "গীতাৱলী"। বেচ আছিল এক অনা। পুথিখনত সৰ্ব্বমুঠ গীত আছিল ২৮ টা। যদিও গীতিকাৰে পুথিখনত তেওঁৰ নামটো প্ৰকাশ নকৰি "এজন অসমীয়াৰ দ্বাৰাই প্ৰণীত" বুলি লিখিছিল, কিন্তু ৰসৰাজ বেজবৰুৱা দেৱে তেওঁৰ "বাঁহী" পুথিখনৰ সমালোচনা কৰোঁতে গীতিকাৰৰ আচল নামটো প্ৰকাশ কৰি দিলে। তাৰ পৰাই আমি জানিব পাৰো যে গীতিকাৰ জন আছিল অসমীয়া সাহিত্যৰ এজন প্ৰখ্যাত ব্যক্তি স্বৰ্গীয় সত্যনাথ বৰাদেৱ। সেইফালৰ পৰা স্বৰ্গীয় বৰাদেৱক আমি অসমীয়া আধুনিক গীতৰ পিতৃ-পুৰুষ বুলি কব পাৰো।

১৮৮৮ চনক ক'ৰবাত এৰি দিনবোৰ আগুৱাই থাকে। ইতিমধ্যে অসমত আৰু কেইজনমান কৃতি পুৰুষৰ জন্ম হয়। তেওঁলোকৰ অন্তৰত থকা কবিত্ব

শক্তিৰ তাড়নাত তেওঁলোকেও গীত লিখিবলৈ ধৰে। কিন্তু দুৰ্ভাগ্যবশতঃ সেই সময়ত অসমত প্ৰচাৰ মাধ্যমৰ কোনো সুবিধা নাছিল। তথাপিও তেওঁলোকে গীত লিখিছিল, সুৰ কৰিছিল, অসমৰ গীতি সাহিত্যৰ ভড়াল চহকী কৰিবলৈ সেইসকল প্ৰাতঃস্মৰণীয় ব্যক্তি আছিল ৺লক্ষীৰাম বৰুৱা, ৺কান্তিনাথ বৰদলৈ, ৺দণ্ডিনাথ কলিতা, ৺মিত্ৰদেৱ মহন্ত, ৺পদ্মধৰ চলিহা, ৺অম্বিকাগিৰি ৰায় চৌধুৰী, ৺কমলাকান্ত ভট্টাচাৰ্য্য, ৺দৰ্পনাথ শৰ্মা আদি।

তেওঁলোকৰ পাছৰ চামত পাওঁ ৺উমেশ চন্দ্ৰ চৌধাৰী, ৺প্ৰসন্নলাল চৌধাৰী, ৺মুক্তিনাথ বৰদলৈ, ৺পাৰ্ব্বতী প্ৰসাদ বৰুৱা আদিক।

'পিচে এই শতিকাৰ বিশৰ দশকৰ শেষৰ ফালে ৺প্ৰফুল্ল চন্দ্ৰ বৰুৱাই কলিকতাৰ গ্ৰামোফন কোম্পানীৰ "হিজ্ মাষ্টাৰস্ ভয়েচত" যেতিয়া অসমীয়া আধুনিক গীতৰ গ্ৰামোফোন ৰেকৰ্ড কৰিলে, তেতিয়া দুৰ্ঘোৰ অন্ধকাৰ ভেদ কৰি অতি ক্ষীণ পোহৰৰ এগছি বন্তি জ্বলি উঠিল। সেই পোহৰত আমি দেখিবলৈ পালো, অসমৰ সাংস্কৃতিক জগতখনক মহীয়ান কৰিবলৈ হাতত কলম আৰু কণ্ঠত সুৰৰ নিজৰালৈ ওলাই অহা দুগৰাকী পৰম পুৰুষ- ৺জ্যোতিপ্ৰসাদ আগৰৱালা আৰু ৺বিষ্ণুপ্ৰসাদ ৰাভা। তেওঁলোকে সেই ক্ষীণ পোহৰৰ বন্তি গছিত নতুন শলিতা আৰু তেল দি অসমৰ কলা-সংস্কৃতিৰ অক্ষয় প্ৰদীপ সৃষ্টি কৰিলে। তেওঁলোকৰ প্ৰায় লগে লগে সেই সময়তে গুৱাহাটীৰ খাৰঘুলিৰ ঘুলিৰ মাজত অখ্যাত অজ্ঞাতভাৱে এজন গীতিকাৰ তথা সুৰ শিল্পীৰ সৃষ্টি হৈছিল; সময়ত যিজনৰ গীতে প্ৰভূত জনপ্ৰিয়তা অৰ্জ্জন কৰিছিল। সেইজন আছিল বনকোঁৱৰ ৺আনন্দিৰাম দাস।

ইয়াৰ আগৰ আৰু পাছৰ পৰ্ব্ব মই ইয়াত সামৰা নাই। কাৰণ ১৮৮৮ চনৰ পৰা আজিলৈ সকলো কথা সামৰিবলৈ হলে সেয়া হব এক দীৰ্ঘ ইতিহাস। গতিকে এইখিনি মই থুলমূল ভাৱেহে লিখিলো।

কি গীত, কি কবিতা বা পদ্য সকলো সাহিত্যৰ ভিতৰুৱা বস্তু। আদিতে মানুহে সাহিত্য সৃষ্টি কৰিছিল পদ্যতহে, গদ্যত নহয়। সেইবাবে মানুহে সেইবোৰ পদ্যোতে সুৰ লগাই পঢ়িছিল বা গাইছিল। সাহিত্যৰ যে আদিৰূপ গীতিময় আছিল এই প্ৰথা তাৰেই নিদৰ্শন। আজিও মানুহে ৰামায়ণ, মহাভাৰত, কীৰ্ত্তন ঘোষা, নামঘোষা আদি সুৰ লগাইহে পঢ়ে। আনহাতে আগৰ কালৰ সাহিত্য সৃষ্টি কৰোতা সকলক মানুহে কবিহে বুলিছিল। সাহিত্যিক বোলা নাছিল। ব্যাস বাল্মীকিৰ পৰা আৰম্ভ কৰি কালিদাস, ভৱভূতি প্ৰভৃতি আৰু আমাৰ মাধৱকন্দলী, শঙ্কৰ মাধৱ আদিক আজিও মানুহে কবিহে বোলে।

অসমৰ আধুনিক গীতৰ ক্ৰমবিকাশৰ ক্ষেত্ৰত এনেবোৰ কথাৰ বুজলোৱাটো অপৰিহাৰ্য্য বুলি মই ভাবোঁ। এটা সময়ত অসমীয়া আধুনিক গীতৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰখন তেনেই সীমিত আছিল। তথাপিও অসমৰ কবি শিল্পীয়ে গীত নিলিখাকৈ বহি থকা নাছিল। সেইবোৰ গীত গোৱা হৈছিল সভা সমিতি, থিয়েটাৰৰ নাটকত, ঘৰুৱা বৈঠক আদিত। পিছে বিশৰ দশকৰ শেষৰ ফালে ৺প্ৰফুল্ল চন্দ্ৰ বৰুৱাৰ গ্ৰামোফোন ৰেকৰ্ডৰ গীতে এটা নতুন দিগন্ত উদ্ভাসিত কৰিলে। কিছুমান শিল্পীয়ে কলিকতালৈ গৈ গ্ৰামোফোন ৰেকৰ্ডত গীত ৰেকৰ্ড কৰিব ধৰিলে। তেওঁলোকৰ সংখ্যা তেনেই তাকৰ আছিল। গতিকে গীতিকাৰবোৰ মূলত কবি, পাছতহে গীতিকাৰ। পিচে সকলো গীতিকাৰেই কবি কিন্তু সকলো কবিয়ে গীতিকাৰ নহয়। কাৰণ গীত লিখিবলৈ হলে গীত লিখাৰ টেক্‌নিক্ সম্বন্ধে কিছু কথা জানিব লাগিব। গীতত যি তাল ব্যৱহাৰ হয়, সেইবোৰ তালৰ বিভিন্ন ছন্দ থাকে। গতিকে গীতত ছন্দ নাথাকিলে সুৰ কৰোঁতে বিজুতি ঘটে। তদুপৰি কবিতা এটা দীঘল হলেও কোনো কথা নাই। কিন্তু গীত সাধাৰণতে তিনি বা চাৰি ফাঁকিৰ ভিতৰতে আবদ্ধ থাকিব লাগিব। কবিতা লিখিবলৈ হলে যিদৰে ভাষাৰ ওপৰত দখল থাকিব লাগিব, সেইদৰে গীত লিখিবলৈ হলেও ভাষা সাহিত্যৰ ওপৰত দখল থাকিব লাগিব। আনহাতে গীতিকাৰে কিছুমান ক্ষেত্ৰত হাতী মাৰি ভুৰুকাত ভৰাব লগীয়া হয়। বহল বিষয় বস্তুৰ কথাও চাৰিটা ফাঁকিতে মানুহে বুজিব পৰাকৈ লিখিব পাৰিব লাগিব। গতিকে শব্দৰ ভাল ভঁৰাল থাকিব লাগিব আৰু কোনটো শব্দ কোন ঠাইত বহুৱালে ভাব প্ৰকাশক হয় বা সেই শব্দৰ ধ্বনিটো বেচি সঙ্গীতময় হয়, সেইবোৰ যদিও শিকা বস্তু নহয়, নিজৰ চিন্তা প্ৰসূত সৃষ্টিময় ক্ষমতাৰে নিজে নিৰুপণ কৰিব লাগিব। শব্দৰ সঠিক প্ৰয়োগে গীতক বেচি প্ৰাণময় কৰি তোলে। তদুপৰি লাগিব অনুভূতিসম্পন্ন সংবেদনশীল অন্তৰ আৰু সঠিক বস্তু নিৰীক্ষণ কৰিব পৰা শক্তি। ইয়াৰ লগতে অধ্যয়নপুষ্ট মন এটা থাকিলে ভাল হয়। তেতিয়া হলে বিভিন্ন বিষয় বস্তুৰে গীতৰ কলেৱৰ সজাই নতুনত্ব সৃষ্টি কৰিব পাৰিব।

এনেবোৰ কথা মনলৈ আহিছিল "সমাহাৰ" নামৰ গীতৰ পুথিৰ পাণ্ডুলিপি পঢ়ি থাকোতে। "সমাহাৰ"ৰ গীতিকাৰজন আকাশবাণী আৰু দূৰদৰ্শনৰ এজন অনুমোদিত গীতিকাৰ। সেইবাবে তেওঁৰ গীতৰ প্ৰতিধ্বনি উঠে আকাশবাণী আৰু দূৰদৰ্শনৰ অনুষ্ঠানত। বৰ্ত্তমান যুগটো কেছেটৰ যুগ। গতিকে কেছেট আৰু গ্ৰামোফোন ৰেকৰ্ডতো তেওঁৰ গীত বাণীবদ্ধ নোহোৱাকৈ থকা নাই। ইয়ে প্ৰমাণ কৰে তেওঁৰ জনপ্ৰিয়তা।

ভাবিলে আচৰিত লাগে, তেওঁ গীত লিখিবলৈ সময় পায় ক'ত ? কাৰণ পুৰা চৰাই-চিৰিকটি মাটিত নৌ-পৰোতেই তেওঁৰ ঘৰত মানুহৰ সমাগম হয়-তেওঁৰ ব্যৱসায়ৰ সংক্ৰান্তত, আৰু আচৰিত লাগে তেওঁৰ ব্যৱসায়ৰ লগত সুকুমাৰ কলাৰ কোনো সম্বন্ধ নাই। তেনেই নিৰস ব্যৱসায়। তেওঁৰ ঘৰৰ চালে বেৰেও সঙ্গীতৰ গুঞ্জন নুশুনে-শুনে আইনৰ যুক্তি তৰ্কৰ কথাহে। কাৰণ তেওঁ এজন আইনৰ মাষ্টাৰ ডিগ্ৰিধাৰী ব্যস্ত এড্‌ভোকেট্। আনহাতে তেওঁ চৰকাৰী আইন মহা বিদ্যালয়ৰ অধ্যাপকো। অকল তিমানেই নহয় তেওঁৰ সহধৰ্মিনীও উত্তৰ পূৰ্ব্বাঞ্চলৰ মহিলাৰ ভিতৰত আইনৰ প্ৰথম ডক্তৰেট-ডঃ মঞ্জুশ্ৰী পাঠক। কোনোবাই কোৱা এষাৰ কথা মোৰ মনত আছে যে 'ৱাইফ' মানে অনুপ্ৰেৰণা। গাজাখুৰী কথা বুলি কথাষাৰৰ মূল্য দিয়া নাছিলোঁ। পিচে 'সমাহাৰ'ৰ গীতিকাৰ বিনোদ পাঠকৰ 'ৱাইফ', মঞ্জুক ( ডঃ মঞ্জুশ্ৰী পাঠক, এল্ এল্ এম্ পি এইচ ডি ) দেখি শুনি আৰু জানি, গাজাখুৰী কথাও যে কেতিয়াবা সঁচা হয় তাৰ প্ৰমাণ পালো। আইনৰ যুক্তি তৰ্কৰ মাজেদি থিয়েটাৰৰ প্ৰমটাৰৰ দৰে প্ৰম্‌ট্ কৰি থাকি বিনোদক গীত লিখিবলৈ উচটনি দি থকা 'সমাহাৰ'ৰ অন্তৰালত মঞ্জুৰ অবদানো কম নহয়। 'সমাহাৰ'ৰ গীতবোৰ শিল্পীসকলে গ্ৰহণ কৰিব বুলি মোৰ বিশ্বাস। কাৰণ গীতবোৰ গীতেই হৈছে।

বিনোদৰ কলম স্তব্ধ নহওক আৰু মঞ্জুৰ অনুপ্ৰেৰণাৰ উচটনি চিৰ জাগ্ৰত প্ৰহৰীৰ দৰে থাকক তাকেই কামনা কৰিলো।

২৮ ফেব্ৰুৱাৰী '৯১
দৌলযাত্ৰা।

[১]

একেই ক্ষুধা একেই তৃষ্ণা
একেই হাঁহি চকুলো,
পৰম পিতাৰ সৃষ্টি আমি
একেই মানুহ সকলো ।

মানুহৰে সৃষ্টি ওঁঠৰ ভাষা
আচাৰ-বিচাৰ ধৰ্ম,
মানুহৰে সৃষ্টি ৰীতি-নীতি
মানুহৰে সৃষ্টি কৰ্ম ।
হিংসাৰ সৃষ্টি দুঃখৰ পোতাশাল
বিপদ চপাই ললোঁ ॥

বুজিও নুবুজোঁ আজিৰ মানুহে
জানিও নেজানো একো,
দেখিও নেদেখো পতনৰ পথ
সুখো নিদিওঁ কাকো ।
যেনি চাওঁ তেনি অৰিয়া-অৰি
ভিন্ন ভিন্ন সকলো ।

## [২]

ভাঙি চক্ৰবেহু ছিঙি শিকলি
আমি বিচাৰো মুক্তি
সময় সচেতন নতুন পুৰুষ
আমি ন-সমাজৰ ব্যক্তি ।

আমি হৈ আছো একাত্মা,
ধৰমত আছে ভক্তি,
আমাৰ কণ্ঠ আজি উন্মুক্ত
সংকল্পিত প্ৰতি উক্তি ।

আমাৰ ধমনী তেজাল পুৰঠ
বাহু ভৰি আছে শক্তি,
আমি বুজো মাথো কামৰ দাম
বুজো জীৱন আৰু যুক্তি ।

[ ৩ ]

সন্মুখত সেয়া কুৰুক্ষেত্ৰ
সমবত অভিমন্যু,
কুটিল কালৰ জটিল ৰচনা
ছলনাৰ চক্ৰ ব্যূহ ॥

নেজানো বৰ নে অভিশাপ
এই জয়দ্ৰথৰ দল,
ক'তনো পালে এই বঘমলাই
বিবিধ বধৰ বল ।
পুত্ৰহন্তা বধিবই লাগিব,
অৰ্জুন লোৱাহে ধনু ॥ সমবত অভিমন্যু ॥

সত্যৰ যদি জয় সদায়
সচা যদি ভগবান,
কিয় তেনে শৃগালৰ-হাতত
সিংহৰ অপমান ।
লংকা দাহন কৰাহে আজি
পৱন-পুত্ৰ হনু ॥ সমবত অভিমন্যু ॥

আগলি বাঁহত বহি কপোঁহালিয়ে
যেতিয়া গীত জুৰে,
পশ্চিম আকাশেদি বেলি লহিয়ালে
বগলী যেতিয়া উৰে,
তোমাৰ ভাৱনাই মোক
ঘনাই আমনি কৰে।

ক'লা কাঁচলিৰে সন্ধিয়াৰ ছাঁই
পৃথিৱী যেতিয়া আঁৱৰে,
বন্দী বিহঙ্গ যেন নিঃসঙ্গ মনে
তোমাৰ কথাকে সোঁৱৰে।

মোৰ বুকুখন আৰু গধুৰ হয়
গভীৰ নিশা পৰে পৰে,
মোৰ হিয়ামন কৰে উচাটন
নিশা কটাও উজাগৰে।

জোনাক নিগৰা যামিনী
অপৰূপ ৰূপা কামিনী
মোৰ চোতালৰ দূবৰিৰ ডবাত
কোন তাই অভিমানিনী (?)

তাই নেমাতি নেমাতি মাতিলে,
তাই নেহাঁহি নেহাঁহি হাঁহিলে,
তাইৰ হাঁহিতে মেলিলে পাহি
শুকুলা শেৱালি !
তাই শাৰদী নিশাৰ
শুভ্র শীতল
নিমাতী কন্যাজনী !

তাই চকুৰে মৰম যাচিলে
তাই কাষলৈ' মোক মাতিলে,
তাই থমকি চমকি গ'ল
হৈ যেন কুহকিনী !
তাই জিলমিলিওৱা
দূবৰিৰ পাতত
নিয়ৰ টোপালমণি !

[৬]

গছে বনে পাতে পাতে
টোপ্‌ টোপ্‌ নিয়ঁৰ সৰে,
চিল্‌মিল্‌ টোপনিতে
সপোনে সাৰটি ধৰে ।

পুৰণি দিনৰ পাহৰা গীতৰ
হেৰাই পোৱা সুৰে সুৰে,
অন্ধ বন্ধ মৌন কোঠাত
ৰূপৰে যেন জেউতি চৰে ।

সপোন দিঠকৰ দোমোজাতে
বন্ধ কোঠাত অকলশৰে,
আমেজ সনা শীতৰ নিশা
পাৰ হয় পৰে পৰে।

সেউজীয়া আঁহতৰ জুৰণীয়া ছাঁ,
ৰিব্ ৰিবকৈ বলিছে মলয়াৰে বা—
বিহুৰে বতৰে নচুৱালে গা,
এই গাঁৱৰে ল'ৰা-ডেকা ওলাই ওলাই আহঁ।

ধিনিকি ধিন্দাও—ঢোলতে বাজিলে,
ধিনিকি খিতাও—খোলতে বাজিলে,
টিহিটি টিহিটি—পেপায়ে মাতিলে,
প'খিলা উৰাদি নাচনি নাচিলে,
নাচোনত নিচিনি পা।
এই গাঁৱৰে ল'ৰা-ডেকা ওলাই ওলাই আহঁ !!

( আজি ) সমাজৰে দুঃখবোৰ আমি সৰে দেখিছোঁ,
সমাজৰ কথাবোৰ আমি আজি বুজিছোঁ
বেজাৰ ভৰা মনবোৰ তাকো আমি দেখিছোঁ
দেখিছোঁ, শুনিছোঁ তথাপি বুলিছোঁ
বতৰৰ গীত এটি গাওঁ সৰে আহঁ।
এই গাঁৱৰে ল'ৰা-ডেকা ওলাই ওলাই আহঁ।

দুপৰৰ ভাগৰ দুৰ্বাণ ধূসৰ
এটি বগলী পাতৰ ছাঁত,
সম্মুখত মোৰ দীঘল যাত্ৰাৰ
অকোৰা পকোৰা বাট ।

কোনে মোৰ ক্লান্ত শিৰত
বুলায় নেদেখা হাত,
কোনে দি যায় নতুন প্ৰেৰণা
দুৰ্বাৰ শকতি গাত ।

সুদূৰত শুনিছো ৰিণিকি ৰিণিকি
কিহবাৰ কিবা মাত,
উৰণীয়া মনে ঢাপলি মেলিছে
কিয়বা কিহৰ আশাত ।

মোৰ পুৰণি ওপজা পঁজাৰ
চোতালৰ দুবৰি বন,
ন-বহাগৰ ন-পানী পাই
আকউ ধৰিছে ঠন !

কতনা শৰতে কতযে ফাগুণে
গছকি গ'ল তাৰ গা—
কত ৰ'দ বৰষুণ তাতে পৰিছিলে
পুৰা আবেলিৰ ছাঁ ।
তাতেই হেৰাল আইতাৰ সাধু
শৈশৱ আৰু যৌৱন !!

হাঁহি খিকিন্দালি আৰু চকুপানী
পোৱা নোপোৱাৰ গান,
ক'তেবা হেৰালে৷ তাৰ বুকুতে
কত মান- অভিমান !
সেউজী সেউজী কোমল দুবৰি
চুই যায় কবি মন ॥

# [ ১০ ]

ৰঙা-ফুল বুলি ভুলকে বুটলি
পিন্ধিলো কণ্ঠহাৰ,
সোণ বুলি তুলি কৰ্ণ ভৰালো
নেজানি বালিচন্দাৰ ।

কিমানে যাচিলে প্ৰীতি পৰকীয়া
ভালপোৱা এনিশাৰ,
ঠুনুকা জীৱনত চনকা চেনেহৰ
দেখিলো হাঁহাকাৰ ।

মনৰ মানুহ নেপালো বিচাৰি,
মানুহৰ সংসাৰ,
নেজানো কাহানি এই বালিঘৰ
হৈ যায় চাৰখাৰ ।

বহো তাঁতৰ পাতত চকু আলিবাটত
মাঁকো কৰে উজান-ভাটি,
বুটা বছা গামোছা বুইছোঁ চেনাই ঐ
কঁপে দুৰু দুৰু দোৰপতি !

ঢোল বাজে সিপাৰত মন নাচে ইপাৰত,
চিৰিলুইত বইছে ধীৰে,
চ'তৰ নিশা দুপৰত বিহু মাৰিম পথাৰত,
চটাই পৰেবতৰ সিপাৰে !
নাচি বাগি কটামে ৰাতি !!

তুলাহি উৰে মন নুবুজা কিয়নো ধন
তোলৈ ঘনে উৰা মাৰে,
ফুল ফুলে উৰে পখী উৰা মন থলোঁ ৰাখি
মনৰ আশা মনতে মৰে !
ভাগৰিল মন তোকে মাতি !!

[১২]

চমকতে চালো সময়ৰ সুৰুঙাৰে,
পলকতে পালো হৃদয়ৰ আবেগেৰে,
আমাৰ দুয়োৰে বাবে আজিৰ এই দিন,
ইতিহাস হৈ ৰ'ব ক্ষণিকৰ চিনাকিৰে !

এটি মাথো ক্ষণ এটি বিশেষ লগন,
চকুত হেৰায় চকু এটি হয় দুটি মন,
বুকুভৰি আছে এসাগৰ কথা —
নুফুটিল ওঁঠত তাৰে এটিও ভাষাৰে !

তোমাৰ উশাহ যেন সাগৰৰ কল্লোল,
বুকুত কঁপিছে তাৰে এটি হিল্লোল,
পাৰ হোৱা প্ৰতিপল মৰম গধুৰ
নিজেই দীপ্ত যেন ন পোহৰেৰে !

[১৩]

একহৈ থাকিলে একহৈ চলিলে
সমাজৰ বৰনাও বামোদিও যায়,
একতাৰ মহাবল কি জল কি থল,
ৰাইজে নখ জোকাৰিলে নৈ বৈ যায়।

বিপদ অকলে নাহে আৰু কিবা আহে,
তাকে দেখি পৰুৱাই মাউখেহে ভাহে,
অহমিকা ভাৰেহে সমূলি বুৰায়।

বিচ্ছেদ বিভাজন খিয়লা-খিয়লি,
হিংসা-দ্বেষ অভিমানে পাতে শতুৰালি,
ইতিহাসে বাৰে বাৰে কয় বিঙিয়াই।

যোগ্যৰ বাবেহে ভোগ্য ই বসুধা
কৰ্মহে মানুহৰ ধৰ্ম,
কাম কৰো অহা মনপূতি লাগি
তাতেহে জীৱনৰ মৰ্ম ॥

জীৱন যুদ্ধৰ এই সমৰথলী,
কুৰুক্ষেত্ৰ তাৰেই সাক্ষী,
আজিৰ সমৰৰ তুমিও যে ৰণুৱা
নিদিবা নিজকে ফাঁকি ।

শ্ৰমেৰে পাৰি এই ধৰাতে
সাজিব সৰগৰ হৰ্ম্য ॥

আমাৰ পৰিচয় মানুহ বুলি
সিজনাৰ শ্ৰেষ্ঠ সৃষ্টি,
আমাৰ মগজু আছে লগতে দুখনি হাত,
আৰু আছে দুচকুত দৃষ্টি ।
লাজৰ নাই কাজ পিন্ধি লোৱা ন-সাজ
চকুৰ গুচাই লৈ চৰ্ম ॥

[১৫]

অ' মালবিকা তুমি নৱনিজলা
মই কিযে অসহায়,
তোমাৰ পৃথিৱীত ফুলৰ মেলা
মৰুৰ মাজত মই ।

মোৰ মৰমে তোমাৰ পৃথিৱীত
বৰষিলে মেঘ হৈ,
ৰূপেৰসে হ'লা তুমি শ্যামলিমা
ৰিক্ত তিক্ত হলোঁ মই ।
তোমাৰ পৃথিৱীত ফুলৰ মেল··· ॥

জীৱনৰ ধূপকাঠি পুৰি পুৰি শেষ হ'ল,
পৰি ৰ'ল মাথো ছাঁই,
সেই সুবাসেৰে তুমি সুবাসিতা
তোমাৰ তুলনা নাই ।
তোমাৰ পৃথিৱীত ফুলৰ মেলা ·· ॥

[ ১৬ ]

এইপাহ ফুল মই ভালপাওঁ,
মলয়াত দেওদি নাচে ব'লাগি চাওঁ,
কিয় মই ভালপালো নকলোঁ ভাষাৰে,
ফুলৰ গান মই নেগালোঁ সুৰেৰে ।
গোপনে তোমাকে কলোঁ—ঠাঁৰে-ঢিয়াঁৰে !!

তোমালৈ মোৰ যি অনুৰাগ ভালপোৱা,
সেয়াও নহ'ল দেখো তোমাকেই কোৱা,
মই মন উজাৰি দিলোঁ মৌনতাৰে,
কলিজাত তোমাৰ ছবি আকোঁ শোণিতেৰে ।
মই তোমাৰেই কথা পাতো গোপনে গোপনে ।।

## [ ১৭ ]

মোৰ গানৰ সুৰে সুৰে
লুইতে লহৰি তোলে
দূৰে দূৰে বালিমাহী
কিনো নাচ নাচিলে ।
মোৰ গানৰ সুৰে সুৰে . ॥

বিৰিণা খাগৰি
ধুনীয়া চাপৰি
টুলুঙা নাওৰে চৈ
কোনোৱা গাভৰু
বুকু দুৰু দুৰু
গাগৰি পানীতে থৈ ।
কিনো ভাৱনা তাইৰ
মনতে খেলিলে ॥

ওখকৈ পাহাৰে
ৰঙাকৈ ডাৱৰে
ৰূপালী বেলিৰে খেলে
কোনে মনে প্ৰাণে,
মোৰ গানে গানে
সুৰ বাচি বাচি দিলে !
সেই সুৰে গৈ, দুৰ্বাণ কপালে ॥

দূৰৰ পাহাৰে নিৰলে নিঃসাৰে শূন্যে,
গহীন গভীৰ লাগে !!

আহাৰৰ আকাশে মনে মনে উচুপিলে,
বিৰহ বেদনা চাগে'
এহালি বগলী উৰি উৰি গ'ল
জীয়া কবিতাহে চাগে' !!

মনৰ মাজতে হেৰাই যাব খোজোঁ
ভাৱনাৰ বিজুটি লাগে,
নৈয়ে নৈয়ে গালে বৰষাৰে গীতি
উলাহ অধীৰ আবেগে !!

ওভোতাই দিয়া ৰাঙলি অতীত মোৰ,
    বকুল বুটলা দিন,
ওমলিব খুজি বালিঘৰ সাজি
    লুকাভাকু খেলা দিন ।

মোৰ মিচিকি হাঁহি কিয় কাঢ়ি ল'লা,
মনৰ সুষমা মোৰ লুকুৱাই থ'লা,
মনৰ মণিকোঠাৰ সপোন সাঁচতীয়া,
বিচাৰি নেপালো ক'তো চিন !!

ছাঁয়া-পোহৰৰ কতনা ছলনা,
মায়া-মোহৰ কত কিযে বেদনা,
জিলমিল মায়াজাল, পথ নেদেখো মই,
সময় গুচি গ'ল নবজাই বীণ !!

আঘোণী বাই অ'—আঘোণী বাই !
লঘোনে আছ নে—কিবা খালি তই ?

তই নহ'লে বিয়া-সবাহত,
ভালেই নেলাগেচোন,
তই নহ'লে আয়তী নামত
ঘোষা দিওতা কোন ?
উৰ্ঘ্‌খা প'জাতে ত'ৰালি লেখিছু,
খবৰ তোৰ ৰাখোতা নাই !

তোৰ ভ'ৰালৰ জ'হা-ধান
বাৰীৰ জিকা-ভোল,
তোৰ-পদ্‌লিত বকুল ফুলে,
গোন্ধে আমোল-মোল ।
বিলাই দিলি লোকৰ বাবে
কিনো পালি বাই তই ॥

[ ২১ ]

## এই পৃথিৱী—দুদিনৰ আলহীঘৰ !!

কাৰোবাক কৰি লওঁ বন্ধুৰ আপোন,
কাৰোবাক কৰি থওঁ পৰ,
এইযে সকলো অলীক সপোন,
চকুৰ চিনাকি দুদিনৰ ॥

আলহী ঘৰত শুনো হাঁহিৰ কিৰিলি,
শুনো উচুপনি কান্দোনৰ ।
ন-জনমৰ দেখোঁ নতুন প্ৰভাত,
অস্ত ৰবি মৰণৰ ॥

[২২]

বৈ যা নদী বৈ যা,
তোৰ নভগা নিছিগা গতি,
কৈ যা নদী কৈ যা,
পহুৰা পাৰৰে সাধু এটি !!

তোৰ দুয়োপাৰে কত ইতিহাস,
কত কাহিনী শেষ হ'ল,
তোৰ দুয়োপাৰে কত কোলাহল
কাঁহ পৰি লীন গ'ল !
কত নাৱৰীয়া কোনি আহি কোনি
গাই গ'ল জীৱন-গীতি !!

ভাঙিছ গঢ়িছ তোৰ দুটি পাৰ,
সাজিছ কতনা বালিচৰ
কিমানক কৰিলি অনাথ অঘৰী
হেপাহৰ ভাঙি ঘৰ !
তোৰ পাৰতে কতযে হেৰাল
অপূৰণ প্ৰেম-প্ৰীতি ।।

মন মোৰ উৰণীয়া বৰণীয়া প'খিলা,
মন মোৰ টলমল কুঁহিপাত এখিলা !

মন মোৰ শিশুটিৰ অবুজ হাঁহি,
মন মোৰ সুৰীয়া অফুট বাঁহী ।
মন মোৰ বনৰীয়া সৰু এটি ফুল,
প্ৰথম তুমিহে দেখিলা !!

মন মোৰ অভিমানী যেন ল'ৰাটি
মন মোৰ যুগমীয়া শুক ত'ৰাটি,
মন মোৰ মলয়া বয় ৰিবৰিব,
সুবুৰাই শুকান পাত কে'খিলা !!

সাতোটি সাগৰ যেনিবা
সপ্ত সুৰৰ স্বৰগম,
তাতেই আছে অমৃত-সুধা,
অনুভূতি অনুপম !

সুৰ বাজে—
সুৰ বাজে প'খীৰ গানে গানে,
সুৰ বাজে বাঁহীৰ তানে তানে,
কৰুণ-মধুৰ-মনোৰম !!

সুৰ বাজে—
সুৰ বাজে বীণৰ তাঁৰে তাঁৰে,
সুৰ বাজে মনৰ আঁৰে আঁৰে
শতধা সুৰৰ গুঞ্জণ !!

[২৫]

বেথাৰে গধূৰ নকৰাযে মন
হাঁহিৰে মধূৰ কৰা এই ক্ষণ,
জীৱন দুদিনৰ খেলা !!

ফুল নুফুলিলে ক'তে পালাহেতেন
নানা ৰঙৰ উপমা,
যৌৱন নাহিলে ক'ত পালাহেতেন
জীৱনৰ সুষমা !!

দুঃখ নাথাকিলে ক'ত পালাহেতেন
সুখৰ সমান তুলনা
প্ৰেম নাথাকিলে ক'ত পালাহেতেন
চতুৰ মনৰ ছলনা !
এতিয়া দুপৰ বেলা !!

উঁৰ যোৱা পাৰঘৰি
আকউ ঘূৰি আহিছে,
ঘৰৰ চালত পাখি কটালি
আকউ ৰঙ জুৰিছে ।

গোন্ধে আমোল-মোল পদূলি শুৱাই
আকৌ বকুল ফুলিছে,
পদুমী পেহীয়ে ফুলামকৈ গামোছাত
কিবা ফুল বাচিছে !

পুৰণিকলীয়া বিহু-ঢোলটিত
আকৌ চাপৰ পৰিছে
আকউ পাগলী বৰদৈচিলা
মাকৰ ঘৰলৈ আহিছে ।

[২৭]

বাটৰ কাষৰ মই কনৰীয়া ফুল,
সেউজী কোমল পাতেৰে,
অকলে থাকো মই বননি শুৱাই
হেঙুল-হাইতাল ৰঙেৰে !

কোনোবাই দেখো ছুই যায় মোক
পদুম পাৰ্পাৰি হাতেৰে,
কোনোবাই দেখো চাই যায় মোক
চেনেহ চনকা চকুৰে !
কোনোবাই মোক ছিঙিলৈ যায়,
নিঠুৰ দুশনি হাতেৰে !!

কোনোবাই মোক চিনিকে নেপালে
গুচি গ'ল গছকি,
কোনোবাই মোতে পাই কিবা ৰস,
নাম থ'লে ৰচকী।
কোনোবাই মোক মৰম যাচিলে,
সুৰীয়া মধুৰ মাতেৰে !!

[২৮]

আকৌ এবাৰ কলোঁ নেযাবা পাহৰি,
জীৱন মানে যুদ্ধ—নাই যে আহৰি ।

নিজৰ ভৰিতে ভৰ দি তুমি
উঠিব লাগিব পৰিলে বাগৰি,
হিচাপ কৰিহে লৰিবা চৰিবা,
ভুলতো যাতে নপৰা ভাগৰি ।

তোমাৰ সঙ্গী তোমাৰে দুহাত,
সিয়েহে তোমাৰ জীৱন লগৰী,
জীৱনৰ বাট অতিকে পিচল,
সদায় সজাগ— নিজৰে প্ৰহৰী ।

# [২৯]

গোলাপ তোমাৰ কোমল পাহিত
মোৰ ল'ৰালিৰ ৰঙা হাঁহি,
সেই হাঁহি দেখি মনৰ পতাত
অতীত উঠিছে ভাহি !

সময় শিকলিয়ে মোৰ দুয়োহাত
সজোৰে বান্ধি থ'লে,
মোৰ বন্ধুৰ সাঁচতীয়া যত
সোপাকে কাঢ়ি ল'লে।
দীঘল বাটেৰে বাট কুৰি বাই
আজি ইমানেই পালোঁহি !!

অভিসাৰিণী বেশেৰে তুমি
ফুলনি ফুলনি ফুলিছা,
মৰু চাহাৰা হ'লযে মোৰ
হৃদয় ৰসাল বাগিছা।
দূৰ বোবিলন দূৰে দূৰে ৰ'ল,
মই বিষাদেৰে বাহী !!

মোৰ স্বপ্ন আছিল—
হেঙুল হাইতাল ৰঙা,
ৰূপ সাগৰত সাঁতুৰি নাদূৰি
বাই যাম জীৱনৰ ডিঙা!

মোৰ মন যেন—
শৰদী শীতল শাঁৰদী সমীৰ,
নীলিমাৰ জোনৰ ডিঙা,
বহাগৰ পথাৰত বৈ বৈ বজা
চেনেহীক আকুল কৰা ম'হৰ শিঙা!

মোৰ স্বপ্ন আজি—
ধূলিতে হেৰুৱা ওমলা ঘৰৰ
ফুল এটি পাহি ছিগা,
জীৱনৰ এবাবাটে গৈ আছো
সকলো লাগিছে ৰিঙা ৰিঙা!

পছোৱাই ক'লেহি ফাগুন আহিল বুলি
আকাশৰ গীত এটি হৈ,
এৰাবাটৰ পৰা সৰাপাত উৰিলে
নাচোনৰ লয় এটি লৈ ।

কোনোবা শিল্পীৰ হেনো
তুলিকা পিচলি গ'ল,
ৰঙাকৈ মদাৰৰ ডালে ডালে,
দুৰণিৰ গাঁওত দেখো হঠাতে কিয়বা আজি,
কাৰোবাৰ বাঁহী সাৰ পালে ।
মনৰ বনত তাৰে এটি সুৰ
বজা শুনো বৈ বৈ !!

বেদনাৰ বোজা এৰি
ধৰাৰ ধূলিও হেনো
ফাগুনত এটিবাৰ উৰে,
এনেটি দিনতে হেনো তাঁতৰ পাতৰ পৰা
মনবোৰ তুলাহৈ উৰে ।
যোৰপাতি উৰিলে অচিনা চৰাই,
কিনো মিঠা গীত গাই !!

এইখিনে উৰি আহে সোণালী ৰ'দৰ পখী
ধৰণী ধুনীয়া কৰা,
এইখিনে বাজে ধুমুহাৰ জয়-ঢোল
পৃথিৱী উছন কৰা ।

এইখিনে উঠে পূৰ্ণিমাৰ জোন
নিশাক দিন যেন কৰা,
এইখিনে নামে এন্ধাৰ আঁউসী
চকুৰে মণিব নোৱাৰা !

এনেকৈয়ে আহে জনমৰো ক্ষণ,
হাঁহিৰে দুচকু ভৰা,
এইখিনেই নামে মৰণৰো ছাঁয়া
জীৱন শূন্য কৰা ॥

অ'—চিনাকি চিনাকি গাঁওৰে
চিনাকি চিনাকি ঘৰৰে
চিনাকি চিনাকি ৰঙৰে
চেনাই অ'—দিনবোৰ কেনিনো গ'ল ॥

যতুৰীয়া সতুৰীয়া চৰাই
কেনি উৰি গুচি গ'ল,
গৰখীয়াৰ বাঁহীটি আজি ক'তে পৰি ৰ'ল ॥
অ'—পিৰীতি পিৰীতি প্ৰাণৰে
উদুলি মুদুলি বাটৰে
সেউজী সেউজী বনৰে
চেনাই অ'—দিনবোৰ কেনিনো গ'ল ॥

বহাগৰ বিহুৰা পেঁপা
ক'তে পৰি ৰ'ল,
মাঘৰ উৰুকা ৰাতি
কঁাহ পৰি জীন গ'ল।
অ'—ৰূপালী ৰূপালী জোনৰে,
সোণালী সোণালী বেলিৰে,
মুকলি মুকলি মনৰে
চেনাই অ'—দিনবোৰ কেনিনো গ'ল।
অ'—মোৰ চেনাই অ'—দিনবোৰ কেনিনো গ'ল ॥ *

* কাৰ্বি লোকগীত এটিৰ ভাবাৰ্থৰ ভিত্তিত ৰচা।

[৩৪]

দূৰৰ পাহাৰ নীলা পাহাৰ
পছোৱা বয় তাত,
ৰিণিকি ৰিণিকি ভাহি আহে
মিঠা বাঁহীৰ মাত।
কোন গ'ল এইবাটে নাই একো চিন,
উৰো উৰো লাগে মন ফাগুন ফাগুন দিন॥

নৈ-পৰীয়া মদাৰ শিমলু
ৰঙা ৰঙা ফুল,
তাতে বহি গীত গায়
প'খী বুলবুল।
কোন গ'ল এই বাটে নাই একো চিন,
উৰো উৰো লাগে মন ফাগুন ফাগুন দিন॥ *

পাহাৰী বাগৰ ভিত্তিত সুৰ হ'লে ভাল।

সোণগুটি শইচেৰে পথাৰ সোণালী হোৱা
আঘোণৰ পথাৰ,
ভদীয়াৰ ভড়াল কাটি টোপনি নাহে ৰাতি,
পোৰণি লঘোনীয়া পেটৰ ।

নৱানি পৰি আছে ইডৰা সিডৰাকৈ
পতান এটিও নাই,
কিছু নিলে বানে কিছু নিলে আনে
কিছু খালে ফৰিঙে পাই ।
লাভখোৰ, সুদখোৰ ৰক্ত-পিপাসুহঁতৰ
অতপালি চৰিছে নাটৰ ।

আঘোণৰ পথাৰত, কাঁচিৰ চিকিমিকি,
নাই তাত দাৱনিৰ জাক,
ভোগালি বিহু আহে আৰু যায়
কন্দুৱাই হজুৱা চহাক ।
নিমাত তাঁতৰ পাত নিমাত হাটৰ বাট,
নিমাত শিপিনীৰ যতৰ ।।

পৃথিৱীত যদি ধৰ্ম
মাথোন এটাই হ'লহেঁতেন,
কিমান মধুৰ হ'লহেঁতেন
আমাৰ চিন্তা আৰু কৰ্ম ।

উচ্চ-নীচ নেথাকিলে
ৰজা-প্ৰজাৰ নহ'লহেতেন প্ৰশ্ন,
হিংসা-দ্বেষ হাই-খৰিয়াল
বিভেদ আৰু বৈষম্য ।

ধৰ্ম কৰ্মৰ নামান্তৰ
কোৰাণ-গীতা-বাইবেলে কয়,
বিশ্ব-মানৱ এটি পৰিয়াল
একেই কথাৰ মৰ্ম ।

নহয় কেৱল কথাৰে
কৰ প্ৰমাণ কামেৰে
কলিজাত যদি আছে সঁচা মৰম,
মাতৃৰ লোতক মচি
ওঁঠত হাঁহিটি যাচি
দিব পাৰ যদি তোৰ হ'ব যে ধৰম।

মাতৃক নেলাগে পূজা
অৰ্ঘ ফুলৰ যো-জা,
বিচৰা নাই তোৰ জনমৰ ঋণ,
সু-সন্তান যদি হৱ,
সুখ্যাতি যদি পাৱ,
তয়েই গৌৰৱ তেওঁৰ হ'বি চিৰদিন।

তই, তেওঁ, মই মিলি,
আমাৰ এই ঘৰখনি,
আমাৰ একতা তেওঁৰ চিৰকাম্য,
আমাৰ ওঁঠৰ হাঁহি,
হ'ক ফুল একোপাহি,
জননী জনমভূমি হ'ক চিৰৰম্য।

লিহিৰি লিহিৰি বিৰিণাৰে পাত,
হালিছে জালিছে ইকৰাৰে পাত,
নুচুৰা কাটিব তোমাৰ লাহী হাত !!

তিৰ্‌বিৰ্‌ কৰিছে দুটি ত'ৰালি,
যোৰপাতি উৰিছে এহালি শৰালি,
উৰি যায় উৰা মন মেঘৰ বোকোচাত !

উগুল থুগুল লাগিছে মন বিয়াকুল,
আলফুলে ফুলিছে প্ৰেমৰ এটি ফুল,
দুটি মন এটি হ'ল, আজি কি আশাত !!

কিনু কিনু বৰষুণে
গুণু গুণু কাণে কাণে
কিনো গাই মিঠাকৈ
মোক নিচুকায় ।

চিকমিক বিজুলীৰে
আকু-বাকু ৰেখাবোৰে
মেঘৰ সিপাৰে কাক
বাট দেখুৱায় ।

চিলমিল টোপনিতে
সপোনৰ ডোলনিতে
জগতৰ যত দুঃখ
আজি পাহৰায় ।

চূড়া ৰঙৰ পোহাৰ মেলি
আকাশ কিয়নো ৰঙালা,
িঢ় ল'লা কাৰ বুকুৰ বেদনা
বহাগ উৰলা বেলা ।

া গহনত জ্বলে বনজুই,
তুমিতো নেদেখা সেয়া,
তামাৰ অভিসাৰ আজি বহাগত
ৰাঙলি তোমাৰ হিয়া ।
তামাৰ ৰূপৰে এধানি বিলাই
মোকো ৰঙাই তোলা !!

জীৱনৰ সিদিনা হেৰালো ছন্দ,
সোণাৰুৰ পিচল পাতত,
দৃষ্টি হেৰালো তাৰেই পাহিত
জীৱনৰ গেৰুৱা বাটত ।
এটি মিঠা হাঁহি মোৰো ওঁঠত
পাৰিলে ফুটাই তোলা !!

আম পকে ক'ত জাম পকে ক'ত,
কোন চাপৰিত চিৰাল ফাটে,
কঁঠাল পকে ক'ত ?

হাউ গুডু খেলোঁ আহা
হাউ গুডু গুডু,
লুকা-ভাকু খেলোঁ আহা
মই চকু মুদোঁ ।
মই চকু মুদোঁ !!
লুইততে সাঁতোৰ খেলোঁ,
দেখি কোবাল সোঁত !!

ডালৰ চৰাই ধৰি আনোঁ
হুৰাই দিওঁ উৰাই,
গৰু চৰাওঁ বনে বনে
খুৱাওঁ উদৰ পুৰাই ।
খুৱাওঁ উদৰ পুৰাই !!
কাৰ গৰু কেনি গ'ল,
বেলি ডুবে ক'ত ??

কণমানি নয়নমনি
মইনাজনী মোৰ,
থুনুকৃ থানাকৃ মাততে
মো-বন্ধষে তোৰ !

ডালিম গুটি দাঁত দুটি
দোলপাৰা গাল,
হাঁহিলেইচোন মিচিকাই
( মোৰ ) লাগি যায় ভাল ।
নেদেখিলে তোক এটি পলো
কি যে হয় মোৰ !!

অ' জোনটি অ' সোণটি
কলিজাটো মোৰ,
যত আশা মন-ভাৱনা
তয়ে হ'লি মোৰ ।
আশাৰ থলী ফুলকলি তোৰ
গুণৰ নেপাওঁ ওৰ !!

[৪৩]

শৰতৰ পৰশ লাগে
মনে মনে বনে বনে,
শৰতৰ পৰশ লাগে
মুক্তজনৰ প্ৰাণে প্ৰাণে !

শৰতৰ পৰশ লাগে
আকাশ-জুৰি নৈয়ে নৈয়ে
শেৱালিৰ পাহে পাহে
মিঠা হাঁহি কোনে দিয়ে ।
( পিচে ) দানৱৰ মন চুৰে জানো
শৱালিৰ সুৰীয়া গানে !!

বসুধাই নিয়ম মানে,
নিয়ম ভাঙে কোনে কেনে (?)
নিয়ম ভাঙে স্বাৰ্থজনা
এই পৃথিৱীৰ প্ৰতিজনে ।
দুঃখ মোৰ তাতেই জানা,
তাকেই কওঁ গানে গানে !!

হেজাৰ লোকৰ ভিৰ ভাড়াক্ৰান্ত জীৱন
মনৰ কাষলে' আহে কাচিৎ এজন !!

মনৰ মাজতে কোঁতিয়াযে আমি
লুকাব শিকিলো,
মনৰ মাজতে আকাশলংঘী
প্ৰাচীৰ গঢ়িলো ।
মনৰ ফলিত পৰিধিৰ ৰেখা,
কোনে কৰিলে অংকন !!

নিয়ম নাছিলে সৃষ্টিৰ আদিতে
মন ঢাকি থ'বলে'
কথাতো নাছিলে' ডালৰ চৰাইক
ইদৰে সজাত সজাবলে' ।
চিৰ পৰীমিত প্ৰকৃতিৰ সীমা
কোনে কৰিলে খণ্ডন !!

ৰূপালী মেঘৰ মেলা,
শৰতে সজালে
নদীৰ দুয়ো পাৰে,
কঁহুৱা ফুলালে !!

মৃদু মৃদু সমীৰণে
ডোলনি তুলিলে,
ফুলে ফুলে আলফুলে
প'খিলা উৰিলে ।
কাৰ বাৰে ইমান বকুল
তলভৰি সৰিলে !!

ওৰে নিশা নিশাকৰে
জোনাক ঢালিলে,
বনে বনে বনহংসই
গীতালি পাতিলে,
উৰো উৰো মনৰ প'খী
ডেউকা মেলিলে !!

এই বাটে আৰু ক'তযে ফাগুন
কতবাৰ আহি গুচি গ'ল,
তোমাৰ স'তে আছিল সেয়ে শেষ দেখা,
আৰু যে দেখা নহ'ল।

অশ্ৰুশিক্ত তোমাৰ চকুযুৰি
দুগালৰ চকুলো ধাৰ,
মৌন চাৱনিত আছিল বহু কথা
বুকু কৰি তোলপাৰ।
বিদায় বেলিকাৰ স্মৃতিৰ শলিতা
আজিও যে জ্বলি ৰ'ল !!

তুমি গুচি গ'লা তোমাৰ বাটেৰে
মই মইহৈয়ে ৰ'লো,
সাগৰ সাতুৰি মাণিক বিচাৰি
শামুকৰ খোলাহে পালো।
আজি অতীত সুঁৱৰি কৰা হাঁহাকাৰ
সেইদিন গুচি গ'ল !!

মেলিলো এয়া প্ৰথম — সুৰ সাগৰত
মোৰ গীতৰ টুলুঙা নাও,
নাজানো ধুমুহা কেনিবা আহে,
নাজানো একো আও ভাও !
নিদানৰ বেলিকা তুমিয়ে দিবাহি
এষাৰি অমাতৰ মো-মিঠা মাত !!

তোমাৰ পূজাৰ পূত থাপনাৰ,
মোক চাকিটি হ'ব দিয়া,
তোমাৰ চৰণৰ অঞ্জলিৰ এটি
মোক ফুল হ'ব দিয়া ।
হে সাধনাৰ দেৱী, তোমাৰ আশীষ
দিয়া চটিয়াই খুলি দুয়োহাত !!

নিশিকিলো কি মান-অভিমান,
জীৱনৰ জটিল খেলা,
নাজানো বিনিময় দান-প্ৰতিদান
বিভূতিৰ বিপুল মেলা !
মোৰ আৰাধনা দিবানে জিৰাব
তোমাৰ আঁচলৰ শীতল ছায়াত !!

এক্ষ্যপি বিবিধ তুমি ছায়া ঢালি,
মই তাতে লতিকা হালি-জালি,
অন্ধ-অবুজ বন্ধন !!

তুমি মোৰ কলিজাৰ তেজাল কামনা,
আশাৰ আমঠু তুমি জীয়া বাসনা,
আনন্দ অশ্রু-ক্রন্দন !!

তুমি মোৰ পূজাৰ পূত শলিতা,
এন্ধাৰ ধৰাৰ মোৰ দীপ্ত সবিতা,
অভগন অখণ্ডন !!

বাঁহৰ লেকেচিত দেওদি নাচিলি
অ' দহিকতৰা,
কিনো সুখৰ কিনো উলাহৰ
আনিছ ঐ বতৰা ?

কিযে মৰম লাগে প'খী তোক
নেপাওঁ উপমা,
এবাৰ কাষলৈ' আহি দে প'খী
শান্তি-সুষমা !
দুহাত মেলোতে চমকি উৰিলি
কিয়নো ডালৰে পৰা !!

বতাহতে লৰে চৰে
গছৰ কুঁহিপাত,
তোৰ গীতৰ সুৰে সুৰে
হিয়া পৰে শাত ।
তোৰ গীততে উথলি উঠিছে
মোৰ বিশ্ব-বসুন্ধৰা !!

বতাহে কাৰ বাৰ্তাৰ আনে
গুণ্-গুণ্কৈ গানে গানে,
কোনেনো জানে মই যে জানোঁ।
তোমাৰ বাৰ্তাৰ আনে !

এইজাক বতাহ নিচেই চিনাকি
তোমাৰ খোপাৰ সুৰভি সনা,
চুই যায় মোক খোলা খিৰিকিৰে
কৰিৰ থৈ আনমনা !
তুমি ক'ত আছা, কিনো ভাবিছা
কৈ যায় কাণে কাণে !!

এই বতাহেই আশা কঢ়িয়ায়
উলাহে নধৰে বুকু,
এই বতাহেই তোলে হিল্লোল
আৰু সেমেকায় চকু !
আহিয়েই থাকক ইছাটি বতাহ,
বহি ভাবোঁ মনে মনে !!

মিঠা মিঠা লগা এই গধূলি,
শেৱালি সুবাস সনা এই পদূলি,
নিশাকেই দিন যেন লগা জোনালী
মন লাগে কিয় মুকলি মুকলি !!

দূবৰি দলিচাৰ নিয়ঁৰ টোপালবোৰ,
কোনে কৰিলেহি সোণালী-সোণালী,
শৰালিহালিক বাৰু কোনে শিকাই দিলে,
সেই সুৰ গীতালি গীতালি !!

ডাৱৰৰ ভেঁটা আজি কেনি ভাগি গ'ল,
টুকুৰা মেঘবোৰ কোনে নিলে বুটলি,
ৰাতিৰ পাহাৰ আৰু জুৰিৰ মাজত
কোনে পাতি দিলে মৌ-মিতালি !!

নদীয়ে বিচাৰে সাগৰ-সংগম
পাৰ হৈ ক'ত পথ দুৰ্গম,
কিয়ে বৈ যোৱা বাসনা ।

কিনো আবেগত সাগৰে নাচে
ফুলে প'খিলাক হৃদয় যাচে,
বিলাই দিয়াৰ কামনা ।

সৰে শেৱালি নুবুজি কাৰণ
চগাই চাকিতে বিচাৰে মৰণ,
অন্ধ অবুজ তাড়না ।

মোৰ ভালপোৱা নহয় অনৰ্থ,
নিৰলে নীৰৱে ৰ'ব,
মোৰ এই প্ৰেম অন্ধ নহয়,
ছন্দ হেৰাই যাব ।

অনাবিল মোৰ ভালপোৱাৰ
নিৰ্বিচাৰো মই দাম,
এই ভালপোৱা মাথো ভালপোৱা,
নাই যাৰ আন নাম ।
বিভুৰ বিভুতি এই প্ৰেমতেই
বিচাৰো বিলীন হ'ব !!

সৃষ্টিৰ বৃষ্টি মোৰ ভালপোৱা,
যেন উৰ্বৰা অৱনি,
প্ৰেমৰ উল্লাসে কঁপাই তোলক
মোৰ চঞ্চল ধমনি ।
কিনো হ'ব সাঁচি মিছা সোৱঁৰণী
এদিন মৰাহি যাব !!

[৫৪]

কিয়নো মাতিলি
বলিয়া কৰিলি
ভাঙিলি কেঁচা ঘুমটি ।

বহুদূৰ অতীতৰ যমুনা তটিনী
মায়া-সনা সেই কদমৰ বননি,
এই ভৰ দুপৰ নিশা
তোৰ মাতত শুনো বজা
মদনৰ বাঁহীটি ॥

উদাসী পখী নিশা তোৰ বিননি
মুখৰ কৰিলে কামনাৰ ৰাগিনী,
মন সামৰি থলো,
তথাপি কিয়বা ৰ'লো
উজাগৰে নিশাটি !

কিনো নাচোনৰ ছন্দ
কিনো আৱেগৰ দ্বন্দ্ব
লহৰে লহৰে গগনে পৱনে
বাজে সুৰ মৃদু মন্দ !!

লিহিৰি লিহিৰি বাউলী বিৰিণা
কহুঁৱা বননি হালিছে,
ঢৌ-জিলমিল ৰূপোলী নদীৰ
চকু ছাটি মাৰি ধৰিছে ॥
কেনি বৈ আছে চিনাকি সুৰভি
অনামী ফুলৰ গোন্ধ !!

জটিল কঠিন মনৰ বান্ধোন
শিথিল কৰিলে কোনে ?
বুকুৰ মাজত শুনো কিনো গান
মন পাতলায় কোনে !
নিজে মেল খালে কিনো বা লাগি
মনৰ দুৱাৰ বন্ধ !!

ফুলি ফুলি ফুল সৰি পৰি যায়
গুটিমালী খৰিকাজাই,
জ্বলি জ্বলি দেখোঁ নুমায় চাকিটি
এদিন শলিতা শুকাই ।

সৰ্য্যফুলৰ সুৰভি বিচাৰি
কোনো ভোমোৰা নাহে দুনাই,
নিশাৰ গৰ্ভতে জনমি প্ৰভাতে
নতুনৰ গীতকে গুণ গুণায় ।
কাইলৈ ময়ো হৈ যাম পুৰণি
অচিনাকি অসহায় !!

চাকিৰ জীৱন মাথো দুটি ক্ষণ,
এপলক এন্ধাৰ পোহৰাই,
নাজানি নুবুজি সেই চাকিতেই
জীৱন আহুতি দিয়েহি চগাই ।
কোন কোনি গ'ল তাৰেই বা খবৰ
ৰাখে জানো কোনোবাই !!

হিংসাৰ জুমুঠিত শান্তিৰ প্ৰলেপ সানি
    কিমান প্ৰতিমা গঢ়িবি (?)
পৰ্দাৰ আঁৰত থাকি ছয়াময়া
    কিমাননো খেল খেলিবি (?)

সীমাৰ মাজতে সীমিত জীৱন
    দুদিনৰ ধেমালি খেলা,
আজি যিদৰে পাতিছ তয়ে
    সিদৰেই ভাঙিবি মেলা ।
পুৰণি প্ৰতিমাত মিছা ৰং সানি
    আৰু কিমান দিন থাকিবি !!

নিজৰ কথাকে জানিও নেজান,
    পৰখোৱা ৰঘুমলা
যাৰ জহতে জহাই ফুৰিছ
    তাকে কৰ অৱহেলা ।
জ্ঞানৰ পৰিধিৰ সিপাৰে কিমান
    দানৱী খেলা খেলিবি !!

মোৰ সমাধিত ৰহি মনে মনে
কোনে চকুপানী টুকি গ'ল,
তপত চকুলো দুগালেদি সৰি
ববছা বনতে পৰি ৰ'ল ।

নিজান দুপৰীয়া মোৰ স'তে ৰহি
গান গায় চিনাকি শালিকী দুটি,
বনফুলৰ মিঠা মো-কোহ বিচাৰি
উৰি যায় এনেকৈ প'খিলী এটি ।
তুমি যে আহিছা চকুলো টুকিছা
সিহঁতেই সাক্ষী ৰ'ল !!

আগৰ দৰেই মোক চুই যায়,
ৰ'দ বতাহ আৰু বৰষুণে
নিশাৰ শিখাই মোৰ মন কপায়
কন্দুৱাই বৰাগীৰ বীণে !!
বেথাৰে সেমেকা মোৰ সমাধিত
কোনে হাত বুলাই গ'ল !!

[৫৯]

পাহাৰী ছোৱালী তাই
বনে বনে গান গাই
অকলে কোন যায়
একাবেঁকা বাটেৰে
তাই মিঠা মাতেৰে
উলাহে উতলাহৈ
(তাই) নিজকে জোকায় !!

মেঘ মেঘ লাগে তাইৰ চুলিটাৰী,
বকুত জবলে তাইৰ জোনৰিবিৰ,
ওঁঠত বিৰিঙা তাই হাঁহিটিহে
ৰঙৰ জোৱাৰে দকুল ওপচায় !!

নাচি নাচি বগায় তাই পাহাৰবে চিৰি,
বাহু মেলি পাৰ হয় কোৱাল সোৱণশিৰি.
মৰমে মৰমে ভৰা নিজবাটি হৈ
চিৰদিন চিৰকাল ৰ'ব খোজে তাই !!

ত'ৰাই টিপিয়ালে চকু,
বিষাদে বিষালে বুকু,
সপোনে স'জালে সাঁকো,
গুণ গুণাও মই গুণ গুণাও
নিজৰেই মাজতে !!

সাগৰৰ পিনে ভাগৰি ভাগৰি উৰে
এটি চৰাই,
চাই থাকোতে উৰি উৰি কেনি
যায় যে হেৰাই ।
কল্পনা মোৰ হেৰোৱা হৰিণা
বিৰিণা বনতে !!

কোনোৱাই দেখেনে নিৰ্লাজ সময়ে মোক
কিদৰে জোকায়,
কোনোবাই বুজেনে মোৰ হৃদয়ে তাতে
বহু কিবা হেৰুৱায় ।
আশাৰ ওঠত নুফুলে পদুম
নজনা লাজতে !!

পূৰ্বণি ধৰণী শ্যামলী পাতেৰে পুনু
টানি ল'লে ওৰণী
খোপাত কপৌফুল গোন্ধে আমোলমোল
ফুলেৰে ভৰিছে কৰণী ।

বহাগ হাবিতলীৰ উতনুৱা
ডেকা এটি চাগে'
আজিৰ দৰে উদভ্ৰীয়াহৈ
বহুবাৰ আহিছে আগে ।
ইবোৰ ভাবিবলৈ' মোৰ যে আজি
মনৰেই নাই তৰ্বণি !!

বতাহে বাই যায় যেনি তেনি,
গৰখীয়া বাঁহী,
দহিকতৰাই বাঁহৰ লেকেচিত
কিবা গালেচোন বহি ।
চাবলে' মন আছিল তালে' এবাৰ,
নাই মোৰ জিৰণি !!

তোমাৰ কথা মনত পৰিলে
মনত পৰে গধূলিৰ পদূলিলৈ,
তোমাৰ হাঁহিটি মনত ভাহিলে,
মনত পৰে বকুল জোপালৈ

ফুল বুটলা পুতলা সংজোৱা
সেইদিন মৰাসুতি হ'ল,
সময় নদীয়ে নতুন গতিৰে
নাজানো কোন লৈ গ'ল !!
নিৰিখি চালেও একোই নমনি,
বহুদূৰ পিচলৈ !!

নিশাৰ সপোনত মনৰ দাপোণত
বহুতো ছবিয়ে ভাহে,
অলীক কল্পনা হেৰোৱা স্মৃতিয়ে,
কলিজা কিয়বা দহে ।
মনৰ গুহাত তুমি শিলৰ মূৰুতি
আছা চিৰকাল বৈ !!

[৬৩]

চঞ্চলা চপলা তুমি মনোৰমা,
প্ৰাণৰ পুতলা তুমি প্ৰিয়তমা !

তুমি উৰ্বশী ৰম্ভা মেনকা,
তুমি তিলোত্তমা,
তুমি বনবালা শকুন্তলা
তুমি নিৰুপমা !!

তোমাৰ প্ৰেমত বলিয়া কবি
বিচাৰি উপমা,
যুগে যুগে তুমি নিত্য নতুন,
অসমা সুষমা !!

[৬৪]

কিনো চাবা ৰঙ্‌চঙীয়া
চকু চমকোৱা ৰূপ,
বাহিৰে ৰং চং কোৱাভাতুৰী,
গোপত গণ্ডাটোপ্‌ !

কথাৰে মুখৰ সজাঁৰ ময়না,
ফোপোলা বাঁহৰ চুঙা,
খোজৰ ভৰত ধৰণী কপায়,
কুঁহিলাৰ যেনিবা পুঙা !
গলি পচি যোৱা কিৰিতি কতনা,
পেটতে খাইছে ধূপ্‌ !!

মুখত মিঠা ভিতৰি গৰল,
চিকুণ তৰল মন,
বুঢ়া-বগলীৰ চহকী কথা
মাছ খোৱাৰ পণ ।
কামৰ বেলিকা বিচাৰি নেপাবা,
বৈ থাকে চুপ্‌চাপ্‌ !!

[৬৫]

তুমিয়ে চকুলো, তুমিয়ে সকলো
বন্ধু, তুমি মোৰ সাধনা,
বুকুৰ মাজত প্ৰেমেৰে গধূৰ
তুমিয়েই মধুৰ বেদনা !

তোমাৰ পৰশত ফুলৰ স্পৰ্শ
সুবাসিত কৰে মন,
তুমিয়েই মোৰ দুখৰ পঁজাত
সাতো বণিজৰ ধন ।
তুমি থাকিলে মন ভৰি থাকে,
পাহৰোঁ পৃথিৱী যন্ত্ৰণা !!

প্ৰেৰণা তুমি মোৰ ক্লান্ত মনৰ,
তুমিয়েই নতুন আশা,
তুমিয়েই মোৰ নিলিখা গানৰ
হেজাৰ সুৰীয়া ভাষা !
নিদানৰ বেলিকা তুমিয়েই মোৰ
যতোৱা সহায় মন্ত্ৰণা !!

উদ্‌লি-মুদ্‌লি বহাগৰ পদুলি
অ' চেনাই, চিকুণকৈ বাঁহীটি বা !!

বলিয়া বতাহে মাৰিলে সুহুৰি,
তোকে লগ পাবলে' নাই মোৰ আহৰি,
টিহিটি টিহিটি বাজিলে মন পেঁপাটি অ'
(চেনাই) জুৰণীয়া বনৰে ছাঁ !!

নাহৰফুল ফুলিছে ফুলিছে মালতী,
কুলিয়ে মাতিছে মাতিছে কেতেকী,
ইচাটি বিচাটি লাগিছে মন দেহাটি অ'—
(চেনাই) ৰাই জাঁই কৰিছে গা !!

কাৰোবাক দিছা জীৱনজুৰি হাঁহি
কাৰোবাক বেদনা,
মোকো দিয়া প্ৰভু চকুত চকুলো
যত দুখ যাতনা।

মোৰ জীৱনলৈ' নাহিল কোনো কালে
বহাগৰ বলিয়া বা,
মোৰ পৃথিৱীত ৰ'ল চিৰকাল
কলীয়া ডাৱৰৰ ছাঁ।
নিবিচাৰো মান কিবা অভিমান,
সম্ভ্ৰম চেতনা !!

উৰুখা প'জাত মোৰ ঢিমিকি ঢিমিকি
তোমাৰেই পূজাৰ চাকি,
জ্বলিব দিয়া আৰু এটি ক্ষণ,
নুমাই নথবা চাকি।
জীৱন মৰণ মোৰ আজি একাকাৰ
তুমিয়েই সাধনা !!

মৰম মৰম লাগে তোক
অ' টিপ্‌ টিপচী,
তোৰ গান শুনি শুনি
হিয়া পৰে উপচি ॥

থাকিবিনে ওবে দিনটো
ডালিম ডালত নাচি (?)
বেয়া লাগে সন্ধ্যা হ'লে
তই যাবয়ে গুচি ?
কিনো সুখৰ তোৰ ঘৰটি
বিজুলি বাহৰ লেকেচি !!

তোৰ বাবে ক'ত গীত
মনতে থলো ৰ'চি,
তোৰ বাবে ক'ত মৰম
বুকুত থলো সাঁচি !
কিনো স'তে মোৰ আশা
ভাঙি যাব থেকেচি !!

ৰাতি মাতি মাতি কাৰ কাৰণে
কেনি যাৱ পখী উৰি (?)
পখীটি মোৰ, সখীটি মোৰ
দিহিঙে দিপাঙে মাত মাতি মাতি !!

যা পখীটি যা দূৰলৈ,
যা পখীটি যা বাহিলৈ,
অ' নাই তোৰ লগৰ লগৰীটি,
সূৰতে তোৰ, মাততে তোৰ
গগনে-পবনে একে আশাটি !!

তই মাতিলি, হিয়া দহিলি,
নিশা টোপনি তয়ে ভাঙিলি,
অ' দেহা কৰে ছাটি-ফুটি,
বুকুতে মোৰ, চকুতে মোৰ
শয়নে সপোনে একে ছবিটি !!

[৭০]

অ'—

উৰি উৰি ঘূৰি ঘূৰি বা-ছাটি
বাৰে বাৰে কঁপালি, বুকুৰে কাঁচলি
দূৰে দূৰে তই গুচি যা !!

অ'—

বিৰিষব ডালে ডালে ফাগুনী পখীৰ গীত,
চুলি মেলি বাউলী, হালি-জালি খেলিলি,
মোৰ মন নাজানি কিয় মোক জোকালি (?)
মোৰ দুখব বোজাটি পাতলাই যা !!

অ'—

নীলিমাৰে নীলা নীলা পাহাৰবে নীলাতে,
পাহাৰবে তটিনী ঢৌ তুলি নাচিলি,
নিজানৰে বনানিতে কিয় গুণ গুণালি,
মোৰ মনৰ কথাটি তয়ে কৈ যা !!

[৭১]

খোলা অ' খোলা মনৰ দুৱাৰ খোলা,
নতুন পুৱাৰ ৰ'দালি জাকে,
দি য'ক তাতে দোলা !!

আমি বুজিব খোজো বন্ধ ঘৰত
অন্ধজনে কিয় কৰে হাঁহাকাৰ
আমি শুনিব খোজো মূকজনক
তাৰ কণ্ঠ হ'ক উদ্‌গাৰ !
নালাগে ৰহস্য নকৰা গোপন
(আজি) মনৰ সাঁফৰ খোলা !! ..নতুন পুৱাৰ

আমি হ'ব খোজো পঙ্গুজনৰ
সবল-সুঠাম একোটি অঙ্গ,
আমি হ'ব-খোজো মিলনৰ সেতু
হেৰুৱা জীৱনৰ নৱ ছন্দ !!
কৰোঁ মুখৰিত আজি দহোদিশ,
হৰ্ষ নিনাদ তোলা !!

[ ৭২ ]

নানা জাতি উপজাতি মিলি জাতি অসমীয়া.
মহাজাতি ভাৰতৰ ।
বৰণীয়া বহনীয়া কৃষ্টি সংস্কৃতি
যুগমীয়া অতীতৰ ॥

চকুৰ আগতে জহি খহি যায়
বৰঘৰ সমাজৰ ।
কূটনীতিৰ কেৰোণে লাই খুটা কুটে
দুৰ্যোগ আজি অসমৰ ॥
কাণপাতি শুনা ভাই অসমীয়া
আহ্বান সময়ৰ ॥

গতি প্ৰগতিৰ এটিয়েই নীতি
একতা আৰু সংহতি,
আমাৰ বুজা বুজি সচা প্ৰেমপ্ৰীতি
ন-অসমৰ হ'ব ভেটি ।
মাথো এটি পথ খোলা এই পথ
হওঁ আহা অগ্ৰসৰ ॥

[ ৭৩ ]

সৰাপাতৰ ঝুনুকা বাজে
ৰুণ-জুনু ৰুণু-জুনু
বনে বনে বতাহ ব'লে
গুণ্ গুণ্ গুণ্ গুণ্ ॥

পলাশৰ ৰঙে আকাশ ৰঙায়
    সেয়া কোন সেয়া কোন ?
পছোৱা হৈ পদুলি সাৰিলে
    চোৰা চোন চোৰা চোন !!

ফুলহৈ ফুলি হিয়ামন খুলি
    মৌ হৈ কৰে ভুনু ভুনু ।
ফাগুনে ছটিয়ায় ফাকুগুৰি
    দোণে দোণ্ দোণে দোণ্ !!

[৭৫]

সাগৰিকা, কিয় আজি তুমি
ৰূপ ল'লা চাহাৰাৰ,
নিঠুৰ নিৰ্দয়া নুশুনিবা জানো
মোৰ হৃদয়ৰ হাঁহাকাৰ ।

আজি তোমাৰ ওঁঠত বিৰিঙি নুঠে
ৰঙা গোলাপৰ হাঁহি,
তোমাৰ চকুত আলফুলে নুফুলে
নীলা পদুমৰ পাহি !
কল্পনাৰ কাঁচঘৰ আজি হ'ব খোজে
ভাগি ছিগি চাৰখাৰ !!

তোমাৰ অভিমান নুবুজিলো মই
কিয় হ'লা ম্রিয়মান,
প্ৰেমৰ প্ৰতিদান দুঃখ যদি হয়,
কিয় লাগে প্ৰিয়জন !
জীৱন মানে দেখোঁ য'ত সুখ দুঃখ,
য'ত হয় একাকাৰ !!

সচা কথা নক'বা,
ক'লে বিপদ আছে,
স'জা কথা ক'বা,
ক'লে মজা আছে,
মিছা কথা ক'বা
তোমালৈ ব'টা আছে!

ভুলতো নক'বা কাৰো বদনাম,
উঠোতে বহোতে জনাবা প্ৰণাম,
উৰাই ঘুৰাই গাবা অকাই পকাই ক'বা
শতৰুৰ যত গুণ আছে !!

টুটুকীয়া হ'বা ছল চাই, থল চাই,
ফুচুলাই চাবা অন্তৰ বুজি পাই,
ঠাঁৰ-চিয়াৰ মাৰি, ফাঁকি-ফুঁকা কৰি
চলিলে মঙ্গল আছে !!

বতাহতে হালে জালে
কাকিনী তামোলৰে পাত,
ভাহি আহে দূৰৈৰ পৰা
ৰিণিকি বাঁহীৰে মাত ।

সৰি পৰে এটি দুটি শুকান পকা পাত,
মো-পিয়া পখীটিয়ে মাতে কিবা মাত ।
ৰিঙা ৰিঙা পথাৰৰে আঁওহতীয়া বাট !!

এটি মিঠা শিহৰণ জাগে কলিজাত,
ইচাট্-বিচাট্ দেহমন কৰে ভাৱনাত ।
উদং উকা নৈৰ্খনি নিৰ্বিবিলি ঘাট !!

বিজুলী বাতিয়ে পোহৰালে আজি
গাঁওৰ আলিবাট,
নালাগে আৰু গছকি যাব,
বোকাপানী তাত ।

নিশাৰ এন্ধাৰ গ'লে কি হ'ব
মনৰ এন্ধাৰ মনতে ৰ'ল,
এটি চুৰুৰীতে ক'ত খেল-গোট
হাই-খৰিয়াল বাঢ়িছে গ'ল !
নিদানৰ বৌলিকা ভাতৃও শতৰু
দিবলে' এষাৰি মাত !

জীয়াৰী-বোৱাৰী কৰে দিন মজুৰী
ল'ৰা বুঢ়া গিৰিহঁত,
এবেলা এমুঠি আহে কি নাহে
কিমান খৰচ দৰৱত ।
মনৰ মাজত যদি জুই জ্বলে
কিহে কৰে বুকু শাঁত !!

ৰূপৰ নিদিবা নাম অপৰূপ
মায়াবী মাৰীচৰ মায়া,
প্ৰেমৰ নিদিবা নাম স্বৰ্গীয় বুলি
মিছা মৰীচিকা ছাঁয়া !

জীৱনৰ নাম নিদিবা প্ৰহসন
স্বাৰ্থ মোহে ভৰা,
চকু মেলিলেই দেখিবা আগত
বিচিত্ৰ বিপুল ধৰা !
একেজনাৰে সৃষ্টি মানুহ,
ইজনে সিজনক কৰে দয়া !!

মৰিলেও পাওঁ স্বৰ্গ আমি,
কীট পতঙ্গই পায়নো কি,
চিৰন্তন ৰীতিকো কৰোঁ আওকাণ
মানুহৰ লাজনো কি ?
একেই মানুহকে সৰু-বৰ বুলি
কিয়নো নামবোৰ দিয়া (?)

পিচলি পৰিল কাৰ তুলিকা
    পলাশৰ ডালে ডালে
শিমলু ফুলত পৰি বুলবুল
    নাচে নাচ তালে তালে ।

দুটি শালিকাই মুৰ দুপিয়াই
    কিবা ক'লে মনে মনে,
বতাহত শুনো ফাগুনৰ গান
    সুৰ বাজে বনে বনে ।
বননিত শুনো বিহগীৰ গীত
    মাজ নিশা পলে পলে !!

কাৰ হাতৰ পৰশ লাগি
    ধুনীয়া হ'ল ধৰণী,
কাৰ প্ৰেমৰ আঁৰিৰ লাগি
    মন হ'ল বাউলি ।
ফাগুনী বতাহে মনটি কঁপালে
    ফুল হৈ হালে জালে !

[৮০]

পখীৰ পাখিৰে পিচলি পৰিছে
হেঙুলী বেলিৰ ৰাঙলি কিৰণ,
আকাশৰ কোনেদি ডুবোঁ ডুবোঁ বেলি
দুৰ্বল বিকীৰণ ॥

শ্ৰান্ত পখীৰ ক্লান্ত কাকলি
ঢাপলি মেলিছে বাহলৈ বুলি,
সন্ধ্যাৰাণীৰ লাহতী খোপা,
লয়লাস খোজতে পৰিছে খুলি ।
মৃদু মৃদু সমীৰণ ॥

ডুবিব বেলি উঠিব তৰা,
কাইলৈ পুনু আহিব প্ৰভাত
আজিৰ দৰেই মুখৰ কৰি
ইজাক চৰায়ে মাতিব মাত ।
তুলি দি শিহৰণ ॥

[৮১]

প্ৰভাতী বেলিয়ে বোকোচাত তুলি
উপহাৰ আনিছে আৰু এটি দিন,
পাহৰি পেলোৱা যোৱাকালিবোৰ
সময়ে নেৰাখে কাৰো একো চিন।

আদৰি লোৱা সাদৰি লোৱা,
সন্মুখত আজি যিহকে পোৱা,
আজিৰ এই দিন যিয়েই নহওঁক
দুনাই ফিৰাই নোপোৱা!
সুখ দুখ দুয়ো হ'ক একাকাৰ
নকৰিবা ভিন্ন ভিন্ন!!

সময়ৰ হাততে জীৱন মৰণ
দিন-নিশা, শান্তি-সমৰ,
সময় সুযোগতে যদিহে পাৰা
হোৱা যুগজয়ী চিৰ-অমৰ।
জীৱন কৰা আশাৰে ভৰা
নিৰাশাত নহ'বা লীন!!

[৮২]

বহু ধুমুহা পাৰহৈ গ'ল
মোৰ মূৰৰ ওপৰেদি,
সময় প'খিলাই দেওদি গ'ল
মোৰ দুচকুৰ আগেদি ।

সন্ধিয়াই নেজানে বেদনা ফুলৰ,
যি ফুল ফুলায় প্ৰভাতে,
মনৰ ডেউকা চনকাই ভাগে
নিৰাশাৰ প্ৰতি আঘাতে ।
স্মৃতিৰ নিজৰা আজিও যে বয়,
হৃদয় মৰুৰ মাজেদি !!

কতযে যাতনা কত কি বেদনা,
পালো মৰীচিকা খেদি
কতযে উজুটি খালোঁ বাট বুলোতে
জীৱনৰ এই বাটেদি ।
বেথাৰে উপচি বয় চকুপানী
ভগা অন্তৰ ভেদি !!

বিধাতাই কেতিয়াও কাবো কপালত
বেয়া ভাল লিখা নাই,
ভাগ্যৰ গৰাকী আমি যে নিজেই
প্ৰমাণ তাৰে তুমি মই ।

সময় প'খিলা চকুৰ আগেদি
দেও দি গুচি যায়,
ৰঙীন পাখিৰে ফুলে ফুলে উৰি
মৌ-ৰস চুহি যায় ।
ৰূপেৰে নহয় কামেৰে কৰা
সি তাকে সকিয়ায় !!

ৰ'দ থাকোতে শুকাই নল'লে
বাৰিষা আহুকাল,
সময় থাকোতে সজাগ নহ'লে
পদে পদে পয়মাল ।
কাকো পৰিব তালো সৰিব
ভাগ্যৰ নাম যে সময় !!

কোন গ'ল(বা) কেনি গ'ল
উৰি ৰ'ল ধূলি
মূৰ তুলি দেখা পালোঁ
মদাৰ আছে ফুলি ।

পলাশ ৰঙা শিমলু ৰঙা
ৰঙা বুলবুলি
বন-বননি ৰঙাই গ'ল
কাৰ হাতৰ তুলি ।

হালি জালি দুহাত মেলি
তামোলবে পুলি
গান গালে ফাগুনৰ
চুলি মেলি মেলি ।

[৮৫]

নিৰ্জনতাই কন্দুৱায়
জিৰি জিৰি জ্বুৰিহে
কঠিন হৃদয় তাৰে ঢৌ লাগি
কিদৰে পমি যায়।

হাঁহিৰে মুখৰ কৰা এই জীৱন
ৰঙেৰে ৰঙাই তোলা এই জীৱন,
এৰি নেযাবা কোনো সোৱৰণী,
বিষাদে যাৰ বিষায় মন।
ফুলা ফুলপাহি কাইলৈ দুনাই
নেহাঁহিব মিচিকাই !!

নাথাকিবা তুমি আৰু তুমি হৈ
নাথাকিব হাঁহি হঁহাৰ মন,
গুচি যায় দিন আজি কালিকৈ
জীৱন ইদৰে কৰি উচন।
আশাৰে আকউ উঠিবনে ফুলি
এপাহি খৰিকাজাই !!

[৮৬]

যুগ যুগ ধৰি অসমৰ ওপৰেদি
ধুমুহা আহিছে বহুবাৰ
আহক ধুমুহা আহক-বিঘিনি
নিশ্চিত জয় আমাৰ !

কালা পাহাৰে কামাখ্যা দেৱীৰ
মন্দিৰ কৰি চাৰখাৰ,
বৰ্বৰ মানে দুৰ্বাৰ গতিৰে
অসমত তুলি গ'ল হাঁহাকাৰ।

মোগলে বিচাৰিলে আহি বহুবাৰ
ল'বলৈ লুইতৰ পাৰ,
শেষত সকলো হ'ল একাকাৰ
ইতিহাস হ'ল মাথো সাৰ।

সময় গুচি গ'ল
কেনি গুচি গ'ল
হাতত্তে হেৰাই গ'ল
চকুৰ আগেদি গ'ল
( এয়া গ'ল ! সেয়া গ'ল !! )

সময় গুচি যায় কাম' কৰোতে
সময় গুচি যায় শুই থাকোতে
সময় গুচি যায় সপোন দেখোতে
সময় গুচি যায় কবিতা লিখোতে ।
সময় গুচি যায় মুকলৌনি' কৰি
মোৰ হৃদয়ৰ কোলাহল !!

সময় গুচি যায় মাৰীচৰ মায়া ' হৈ
সময় গুচি যায় ব'দৰ ছায়া হৈ,
সময় গুচি যায় মানুহৰ কায়া হৈ
সময় গুচি যায় মন মুৰ্চোৰি থৈ ।
সময় গুচি যায় গালে মুখে আচুৰি,
চিন মাথো পৰি ৰ'ল !!

বেমাৰ ব্যাধিৰ বিষয়ে কাঁলে
সুস্হজনৰো জাগে ৰেখা,
ধৰ্ম-বিদ্বেষৰ কথা দোহাৰিলে
নভৰা জনেও ভাবে সি-কথা !

'ৰাইজক ৰজা' বুলি
ৰজা হোৱাৰ
ইয়ে অভিনৱ প্ৰথা,
যিদৰে বান্দৰে
মেকুৰী মেলত,
ভগাই দিছিলে পিঠা !!

বুকুৰ কুটুম সাজি
ভিতৰি গৰল,
মুখত মাতিছে মিঠা,
দুখৰ সাগৰত
জীৱন নাওৰ
ধৰেনে তেওঁহে বঠা !!

গান গাওঁ মই গান গাওঁ
যেতিয়াই বেদনাই বুকু গধূৰ কৰে,
মই গাওঁ গান তেতিয়া
যেতিয়া উলাহে মন অধীৰ কৰে !!

মই গান গাওঁ মূক-মৌন পৰ্বত
নিৰ্জনতাৰ অৰ্থ বিচাৰি,
গান গাওঁ কথাৰে মুখৰ কৰি
মন-প্ৰাণ উজাৰি !
গান গাওঁ তেতিয়া
যি গানে মনৰ বোজা পাতল কৰে !!

গান গাওঁ মই গুণ-গুণাই
অকলে নিৰলে অকাৰণে,
গান গাওঁ মই অনাই-বনাই
উদাসী বতাহৰ কাণে কাণে।
ঋতুৰ পৰশ লাগি
বনৰ চৰায়ে যেতিয়া সুহুৰি মাৰে !!

[৯০]

যি কথা নক'লা ওঁঠৰ ভাষাৰে
বুজিলো দেখি দুচকুৰ চাৱনি
যি ৰূপ দেখিছিলো আজি অতীদনে
সেই ৰূপ আজি হ'ল আৰু যে শুৱনি !!

কল্পনা মোৰ পাহাৰ শিখৰত ডাৱৰৰ চুমা,
তোমাৰ বুকুৰ চাদৰখনিতে লুকাই আছে যাৰ সীমা,
নোৱাৰিব লুকাব মন মৰমী
জীয়া যৌৱনৰ চঞ্চল ধমনি ।

আচৰিত ইযে সদায় খেলি অহা খেলা,
থমকি নৰ'বা গুচি যায় জীৱনৰ মধুবেলা,
বাৰীৰ ঢাপত ফুলা ফুলপাহি
হ'ব পাৰে এটি ফুলো অধিক লাৱনী !!

[৯১]

শুৱনী গাওঁৰে        বোৱনী বোৱাৰী
আজি তোৰ উদং গা,
লাহতী তোৰ        নাই খোপা চুলি
মুখতো বিষাদৰ ছাঁ।

আখলত তোৰ        নজ্বলে যে জুই
ভোকৰহে জ্বলে জুই,
সমাজ সমজুৱা        পাহোৱাল ডেকা
ক'ত কোনি আছে শুই।
মেজাংকৰিৰে        বুটাবচা তোৰ
নাই চাদৰ মেখেলা ॥

পথাৰ সমাৰ        চন পৰি ৰ'ল
ভঁৰাল উদং টঙী,
যেনি চাওঁ তেনি        কিবা নাই নাই
গ'ল ঘৰ ভাঙি ছিঙি।
বাওঁধান খোৱা        বতা-চৰাই তই
ক'ৰবালে' উৰি যা ॥

ক'ব খুজি একোই নক'লি
চাব খুজি চকু ঘুৰালি ।

পাষাণে কিনো বুজে হৃদয়ৰ গান,
পখিলাই কিনো জানে ফুলৰ অভিমান
মনে মনে থাকে ঘনে ঘনে জাগে,
সুৰদী সপোন সোণালী !!

কিয় আজি হ'ব খোজে চঞ্চল ধমনি
কিয় আজি জাগে বুকুত কঁপনি ।
দূৰে দূৰে থাকি সুৰে সুৰে কৰি
দৰদী জীৱন জোনালী !!

[৯৩]

ইয়াতে আছিলে ফুলি
ৰঙা এটি ফুল,
কোনে জানো কেনি আহি
ছিঙি লৈ গ'ল !!

ইয়াতে আছিলে উঁৰ
সৰু এটি প'খিলা,
গছৰ ডালত যেন
কুঁহিপাত এখিলা
ধুমুহা বতাহে আহি
কেনি লৈ গ'ল !!

বাটৰ কাষত ফুলা
ৰঙা এটি ফুল,
প'খিলা এটিয়েও কৰে
অন্তৰ আকুল।
শুকান ফুলৰ ঠাৰি
নিৰাশাৰ বোল ॥

যদিও নেজানো মই
সাগৰ কিমান গভীৰ,
তোমাৰ প্ৰেমেৰে নীলা হৃদয় মোৰ
নাই পাৰিধি নাই কোনো তীৰ !!

প্ৰেমুৰ নিদিবা নাম শূনা মনোৰমা,
কি ক'ব খোজো মই,
লাহি-শেৱালি পাহি নচুবা হাতেৰে
পৰশতে পমি যায় !
দূৰতেই থাকি সংগীত শূনা
বননিৰ অজান পখীৰ !!

নিৰ্মম সময়ে কঠিন হাতুৰি মাৰি
হৃদয়ৰ দুৱাৰ খোলে,
তোমালৈ বুলি য'ত সাচতীয়া
সোপাকে কাঢ়ি ল'লে ।
মচি দিওঁ আহা মোৰ দুহাতেৰে
তোমাৰ নয়নৰ নীৰ !!

[৯৫]

যোৱা বেলি বিহুতে গৈছিলো গাঁওলৈ
ৰং ধেমালি কৰিমে বুলি,
(গৈ) যি-বোৰ দেখিলো যি কথা শুনিলো
ভাবিলে থিয় হয় চুলি মোৰ বাইধ,
ভাবিলে থিয় হয় চুলি ॥

ঘৰে ঘৰে দেখো উদং ভঁৰাল
আকাল অভাৱে ভাঙিছে মন,
জীয়াৰী-বোৱাৰী কৰে দিন-মজুৰি
তথাপি ঘৰলৈ' নাহে খুদ-কণ।
ধুমুহাই ভাঙিছে নাম-ঘৰ মণিকূট
খৰিয়ালে ভাঙিলে পঢ়াশালি ॥

মনে মনে ভাবো কিয় এনে হ'ল
কাকনো কৰো জগৰীয়া
গাঁওলৈ পিঠিদি নেচালো উভতি
গাই-গোটা নগৰীয়া।
ঢকুৱাৰ জপনা বাতি কি হব
চিৰদিন নুশুৱায় পদুলি ॥

[৯৬]

আনৰ ভাল দেখি দুচকু-পোৰে তোৰ
দোষেই দেখ চিৰকাল
কাৰ কিনো হ'ল বজাই ঢাকু-ঢোল
কিনো তই পাৱ ভাল !

এচলু পানীতো দেখি
আকাশৰ উদাৰ মুখ,
তোৰ চকুৱেই কয়
মনত কিহৰ দুঃখ ।
কিদৰে দেখিবি জীৱনৰ ৰং
মন নহ'লে ফৰকাল ॥

আনৰ বাবে বাটটি
সুগম নকৰা নাই·
লোকৰ বাটে বাটে
হুল কিয় পুত তই
পাহৰি নেযাবি এই ধৰাতেই
ইহকাল পৰকাল ॥

বাখৰপতীয়া আখৰ তোমাৰ
মৰম মিহলি ভাষা,
প্ৰথম প্ৰেমৰ প্ৰথম চিঠিয়ে
প্ৰথম জগালে আশা।

আজিহে যেন প্ৰথম প্ৰথম
নিজকে লাগিছে ভাল,
আজিহে বুজিছো তুমি যে মোৰ
কলিজাৰ এটি ফাল।
মনৰ কথা কিদৰে বুজাম
বিচাৰি নেপাওঁ ভাষা !!

কেনেকৈ মেলো চিঠিৰ পাতনি
ক'তে মাৰো সামৰণি
চিঠিৰ পিঠিতে পঠিয়াই দিলো
বিহুৰ পহিলা নিমন্ত্ৰণী।
আহিবা বুলি বাট চাই ৰ'লো
মনতে সাঁচিলো আশা !!

[৯৮]

আজি জগতৰ অশান্তিৰ কাৰণ
জন-বিস্ফোৰণ !
( এৰা, জন-বিস্ফোৰণ ॥ )

সুখ লাগে শান্তি লাগে
লাগে ভোকৰ ভাত,
আৰু লাগে নিদান দিনত,
এষাৰি মিঠা মাত ।
আজি মানুহ হ'ল যন্ত্ৰ মানুহ
হিংসা যাৰ আভৰণ !!

আমিয়েই দিলো আমাৰ বাটত
যাত্ৰাৰ সীমনা,
নিয়ম নীতিৰ কঠিন শিকলি
দুৱাৰ-জপনা ।
অন্ধ বিশ্বাসৰ বিষাক্ত ব্যাধি
কৰিবই লাগিব বাৰণ !!

সৰিয়হৰ ফুলো নহয়
নহয় গোন্ধ মালতী,
থোপা থোপে হালে জালে
কিনো ফুল ফুলতী !!

মেঘালি মেঘালি আকাশ হ'লে
সেউজী হ'লে ধৰণী,
কোন তাই আহে বনে বনে,
উজ্জ্বাৰ ফুলৰ কৰ্ণি ।
কৃষ্ণচূড়াৰ সপোন ভাঙি
কোনে মাৰে চুপতি ॥

গোলাপ নহয় তগৰ নহয়
নহয় চম্পা অগৰু,
কেঁচা হালধিৰ ৰঙো নহয়
নাম তাইৰ সোণাৰু ।
সোণ বৰণীয়া বনকুঁৱৰী
কোন তাই ৰূপহী ॥

কিয় দিলা মোক এই যৌৱন
দেহত ৰূপৰ পয়োভৰ !!

কিয় দিলা মোৰ মুকলি চকুত
লাজৰ কাজল সানি,
কিয়নো জগালা চপলা বুকুত
শংকা ভয়ৰ কঁপনি ।
ওঁঠত নুফুটে ভাষাযে মনৰ,
নিজকে লাগিছে পৰ !!

কোনে বান্ধি গ'ল মোৰ দুভৰিত
নিয়মৰ শত জুনুকা,
কোনে কৈ গ'ল মোক সকীয়াই
জীৱন জানা ঠুনুকা ॥
নোৱাৰো সহিব এই দেহাভাৰ,
এই দুঃখ জীৱনৰ ॥

[১০১]

পাৰৰ বালিত বহি সাগৰৰ সিপাৰে
চাই ৰ'লো বেলি মাৰ যোৱা,
অনিমেষ চাৱনিত নাছিল কোনো ভাষা
চকুৰ কোণেদি চকুলো বোৱা।

আশাৰ এমুঠি বালি
আঙুলি ফাঁকেৰে গ'ল সৰকি,
জিলমিল বালিচন্দা ক'তেবা হেৰাল,
কোনে গ'ল কোনি গছকি
জীৱনৰ মূল্য তুমি জানো বুজি পোৱা ??

আজিটো হৰগৈ কালি,
নিফিৰে দুনাই আৰু যি গুচি গ'ল,
পাহৰণি কোলাত আমাৰ জীৱন,
মৰা শামুকৰ খোলা হৈ ৰ'ল।
বেথাৰে গধুৰ সাগৰৰ সংগীত শুনা ॥

এদিন সূৰুযক সুধিলোঁ মই
ইমান পোহৰ ক'তেনো পালে,
আঙুলি টোৱাই মোক দেখুৱালে,
বুদ্ধ, যীশু আৰু বহুতৰ ফালে !

জোনৰ সাধৰা মুখ ইমান উজ্বল,
ইমান হাঁহি তাইক কোনে দিলে, (?)
ৰাধাৰ দাপোণত কৃষ্ণৰ মূৰুতি,
দুটি তৰাই চকু টিপিয়াই ক'লে !

আৰু এদিন সূৰুযক সুধিলোঁ
এন্ধাৰ কেনেকৈ আহিব পালে, (?)
তোমাৰ ৰুদ্ৰৰূপ অস্তাচল অপৰূপ
আঁৰ-কাপোৰ কোনে তৰি দিলে !

[১০৩]

কল্পনাৰ সপোনপুৰী এৰি
জীৱনৰ আচল অৰ্থ বিচাৰি
মুখা-মুখি আজি হওঁ আহা
বৰ্ত্তমান এই বাস্তৱৰ সতে !!

চিন্তাৰ মকৰাজাল নতৰি
পাহৰি ছলনা-চাতুৰি,
হাতে হাতে লৈ যাওঁ ব'লা
কাপ-মৈলামু দা-হাতুৰি,
যতনু কৰিলে এই পৃথিৱীতে
ৰতনু আছে য'তে ত'তে !!

কৰ্মক জীৱনৰ ধৰ্ম কৰি
মানুহ হ'ব লাগে সদাচাৰী,
মানুহেই আজি (কিয়) মানুহৰ বাবে,
অপায় অমঙ্গল ব্যভিচাৰী !
শান্তি বিচাৰি খাওঁ হাবাথুৰি
শান্তি আছে বাটে বাটে ॥

জয় মাতৃ মহালক্ষ্মী সংসাৰ তাৰিণী,
জয় দেৱী সুৰেশ্বৰী ত্ৰৈলোক্য ধাৰিণী ।
নমোঃ জগত জননী ত্ৰৈলোক্য পাৱনী !!

জয় চঞ্চলা চপলা মহানন্দ-দায়িনী,
সুখদা মোক্ষদা সিদ্ধিদা বুদ্ধিদায়িনী ।
নমোঃ পৰম মাতৃ সৰ্ব্ব-বান্ধৱ ৰূপিনী !!

জয় মাতৃ দক্ষিণা যজ্ঞ কামিনী
জয় জয় পদ্মসনা শান্তি ৰূপিনী ।
নমোঃ হৰ্ষদা ভুক্তি-মুক্তি প্ৰদায়িনী !!

জোনবাই এ ! আমাৰে গাঁওলৈ আহিবি,
ন-চাউলেৰে পিঠা-পনা ভাজি,
তোলৈ থালেভৰি ৰাখি দিম ।

দূৰৰ চহৰত ওৰেনিশা জ্বলে,
তিৰ্‌বিৰ্‌ বিজুলী বাতি,
তোকো যে নেদেখো
এন্ধাৰে ৰাখিছে ছাঁটি ।
নিশাকৈ আহিবি বুকুৰে জোনবাই,
ডাৱৰৰ সাধুকে শুনাবি !!

তইযে নহ'লে একোকে নেদেখি
ইমান এন্ধাৰ লাগে,
কোনোৱা দেশলৈ গুচি গৈ তই
মৰম বিলাৱ চাগৈ ।
এইবাৰ আহিলে যাব তোক নিদিওঁ
বহুদিন থকাকৈ আহিবি !!

শিয়ালীয়ে হোৱা দিয়ে ক'ত,
(বোলো) বাৰীৰ চুকত,
"কে কে হোৱা" কেচুৱাৰ কাণ খোৱা
পেটৰ ভোকত ।

শুই থাকা পোনাকণ
চুপ্-চাপ্কৈ
শিয়াল বৰ টেঙৰ জীৱ
সি কয় তেনেকৈ ।
ভয় নাই ময়ো আছোঁ
তোমাৰে কাষত ।

ৰ'দ দি দি বৰষুণ দিয়ে
কিহৰ দুখত,
ৰামধনু দেখা পাম
কাইলৈ আকাশত ।

আহো বুলি নাহিলি,
কথা কিয় দিছিলি
দেই পুৰি মাৰিলি মোক,
আজি কিয় আহিছ,
আহি কিয় হাঁহিছ
ঘূৰি যাব নিদিওঁ তোক।

বাৰীৰ পিচৰ ফালে
আইৰ তাঁতে শাল
পদূলিত দেউতাৰ চকু,
যাওঁ বুলি ওলাওতে
ভাইটিয়ে মাতিলে
চিৰিৎকৈ উঠিলে বুকু।
তোৰে কথা ভাবি নিশা নাহিল টোপনি,
পেটত নেলাগিলে ভোক !!

গাৰ ছাটিও আজি
হ'লযে শতৰু
শতৰু ময়নাজনী
সৰাপাত শতৰু
ত'ৰা-জোন শতৰু
শতৰু চাদৰখনি।
ইফালে চাওঁ বাধা, সিফালে যাওঁ বাধা,
পৃথিৱীত কিমান যে লোক !!

জুইতো নজ্বলে কিয়বা জ্বলিব
　　নাজানিলে জ্বলাব জুই,
প্ৰেমতো নগলে কিয়বা গলিব
　　হৃদয়ত প্ৰেম থাকে শুই !

ফুলে ভোমোৰালে' বাতৰি পঠালে
　　মিঠা সুবাস চটিয়াই,
বতাহৰ কি হ'ল সি দেখো লৈ গ'ল
　　এই খবৰ কাঢ়িয়াই !

তোমাৰ অন্তৰ সাগৰ আকাশ
　　মই হ'লে দেখা নাই,
সাগৰ মন্থন যদি সঁচা হয়
　　অমৃত গৰলতো 'পায় !

আজি আকৌ মই সপোন দেখিছোঁ
দিনৰ সোপন,
তোমাক আজি মোৰ বৰ ভাল লাগিছে
আপোন আপোন ।

মনত পৰিছে মোৰ ৰিণিকি ৰিণিকি সুৰ,
পাহুৰা গানৰ,
মনত পৰিছে আজি মিলনৰ সেই নিশা
হেৰুৱা দিনৰ ।
অলেখ ছবিৰে উজলি উঠিছে
মনৰ দাপোণ !

মৰহা পাপৰিতে সুৰভি বিচাৰিলে
নতুন ফুলৰ,
দুপৰৰ ৰ'দতে দেখিলোঁ নিশা
শাৰদী জোনৰ ।
দিঠক আজিও মোৰ হৈ ৰ'ল কল্পনা
সপোন সপোন ।

নেজানো নৈয়ে কিয় বৈ গৈ
পেলালে বালিচৰ,
ধূলিৰ ধৰাত মাটিৰ মানুহে
সাজিলো বালিঘৰ।

শুনা ঘৰৰ মাথোন লগৰী
সুখ দুখ জীৱনৰ,
আপোন-পৰ স্বাৰ্থ মাথোন,
মায়া এক সপোনৰ।

কিয়নো ৰচো মিছা প্ৰহসন
হাঁহি আৰু কান্দোনৰ,
কিয়নো গাথোঁ জানিও নেজানো
এই বান্ধোন মৰমৰ।

[১১১]

নিবিড় বনৰ ছাঁয়া
ঘাঁহৰ কোমল দলিছা
আমি দুয়ো মগন,
কিবা অবুজ মায়া !

শুভ্ৰ স্নিগ্ধ জোনাক
আকাশ ভৰি আছে,
ৰূপালী লহৰ তুলি
কাষত জুৰিয়ে নাচে,
বিণিকি ৰিণিকি শুনো চকোৱাৰ বিননি,
মাতে মাত অময়া !!

তোমাৰ এই চন্দ্ৰমুখ,
শুৱনী লাৱনী হ'ল,
তোমাৰ অঙ্গে অঙ্গে
বনফুল ফুলি ৰ'ল ।
লিৰিকি বিদাৰি চালোঁ ফুলৰ পাপৰি
স্বপ্ননীল এনিশা ।

কিনো ফুল তুমি ভালপোৱা কোৱা,
ওপচাই দিম তোমাৰ কৰ্ণি,
খোপাত গুজি দিম তাৰে এটি দুটি
গুচাই লাজৰ ওৰ্ণি ।

কি সুৰ তুমি ভাল পোৱা কোৱা,
গুণ্ গুণাওঁ মই মৰমী,
তোমাৰ হাঁহিৰে বিৰিঙাই তোলা,
মোৰ জগতৰ দুৰ্ণি ।

জীৱন নাওৰ গুৰি বঠা তুমি
তুমিয়ে আশাৰ ধৰণী,
নিত্য নতুন নতুন আশাৰে
পাহৰাই দিয়া পুৰ্ণি ।

[১১৩]

স্বপ্ননীল দুপৰ নিশা,
জীৱন দীপ্ত প্ৰদীপ শিখা,
সুৰেৰে সজালো সপোন।

সপোনৰ স'তে দিঠকে খেলে
আশাই জীপাল গজালি মেলে,
পৃথিৱী ইমান আপোন,
উজলাই মনৰ দাপোণ।

আশাৰে উৰ্ব্বৰ মনৰ ফুলনি,
চিত-প'খিলীৰ তাতে দোলনি,
মন আজি মোৰ মুকলি মুকলি
নাই হৃদয়ত একোয়ে গোপন।

[১১৪]

প্ৰভাতী অৰুণে পোহৰাই তোলে
পৃথিৱীৰ প্ৰতি প্ৰান্তৰ,
দূৰৰ ডাৱৰ নৈ-বন-বনানি
পোহৰায় পাহাৰ কন্দৰ ।

সেই ৰঙা ৰ'দে ৰঙাই তুলিলে
মোৰ মন আৰু অন্তৰ,
নাবিক মনে হয়তোবা আজি
বিচাৰি পাবহি বন্দৰ ।

নীড় এৰি উৰি গ'ল দুটি পখী
ফুলনিত প'খিলা ভ্ৰমৰ,
কামত ন্যস্ত যেন ব্যস্ত পৃথিৱী
ছন্দে ছন্দে মিঠা ছন্দৰ ।

মেঘে গাজিছে গুৰু গুৰু,
বুকু কঁপিছে দুৰু দুৰু,
তুমি নাহিলা দেখোন,
(এতিয়া) বাহিৰত বৰষুণ !

আজি মই অকলশৰে,
আবেগৰ চকুলো সৰে
অনুৰাগে ৰঞ্জিত ক্ষণ,
(এতিয়া) বাহিৰত বৰষুণ !

এনেটি মায়াবী ৰাতি
কটাবলৈ কথা পাতি
আকুল অধীৰ মন ।
(এতিয়া) বাহিৰত বৰষুণ ॥

[১১৬]

ব্যৰ্থতাই যেতিয়া মোৰ,
মন দুৰ্ব্বল কৰে,
নিৰাশাৰ ক'লা মেঘে
জীৱন আঁৱৰি ধৰে
তেতিয়া দেখোঁ নিচেই কাষত
তোমাৰ প্ৰয়োজন।

বেদনাত যেতিয়া মোৰ
হুমুনিয়াহ সৰে,
শূন্যতাই যেতিয়া মোক
অকলশৰীয়া কৰে
তেতিয়াই দেখোঁ মোৰ কাষত
তোমাৰ প্ৰয়োজন।

পূৰ্ণতাই যেতিয়া মোৰ
সপোন ৰঙীন কৰে
হৃদয়ৰ যেতিয়া মোৰ
দুপাৰ উপচি পৰে,
মোৰ বাবে তেতিয়াই দেখোঁ
তোমাৰ প্ৰয়োজন!

[১১৭]

আশা বালিচৰত খালো হাবাথুৰি
দেখি ৰূপ বালিছন্দাৰ,
প্ৰাণৰ পীপাসা এটোপা পানীৰ
মাথো আকাশী গঙ্গাৰ ।

মায়া মৰীচিকা যায় দূৰে দূৰে
হাত বাউলি মাতি,
জিলমিল তাৰ ছবি তিৰবিৰ
চকু ধৰেঁহি ছাটি ।
লৰৰি ঢাৰ্পলি উজুটিত উফৰি
চকুৰে দেখিছোঁ এন্ধাৰ ।

পাহৰি থাকিলোঁ জীৱন মৰণ
পাহৰিলোঁ পৃথিৱী,
ৰূপৰ মদিৰাত মতলীয়া ৰাগী,
নিচিনি ৰূপ মায়াবী
পাহৰি থাকিলোঁ নিশাৰ লগৰী,
বেথা ৰজনীগন্ধাৰ !!

চকুৰ আঁতৰ হ'লে মনৰো আঁতৰ
এই বচন তেনেই আচহুৱা,
দূৰৈ হৈ আছিলে মন মোৰ কিয়নো
তোমাৰ বাবে হয় আকলুৱা !

তোমাৰ স্মৃতিয়ে প্ৰবাসত সুবাস ঢালে,
প্ৰীতিৰ পৰশ তাতে প্ৰতি পলে পলে,
তোমাৰ মৰমী মাত বতাহতো শুনো,
নুবুজোঁ তুমি কিবা কোৱা !

মনৰ ভাগৰ নাই, থাকে হুমুনিয়াহ,
প্ৰাণৰ বেজাৰ নাই পোৱাৰ হেঁপাহ,
জানো মোৰ সহচৰী তুমি অহৰ্নিশে,
তথাপি নিজকে লাগে নিঠৰুৱা !

[১১৯]

এই পৃথিৱীতে এই জীৱনতে
ক'ত কিযে পালোঁ,
সোণালী সপোন পাই দিঠকত
ক'তযে হেৰুৱালোঁ ।

মোব দৰেই আৰু যে কিমানে
পায়ো হেৰুৱালে বাট
সময় নদীত জীৱন তৰী
বুৰে কোন মোহনাত ।
সঁচাকে সুন্দৰ এই পৃথিৱী
নয়ন ভৰি চালোঁ !!

আশাৰ ছলনা গমকে নেপালোঁ
এনেয়ে উধাতু খালোঁ,
লৱৰি ঢাপলি ৰূপকে বিচাৰি
জীয়াতু ভুগিলোঁ ।
উৰুঙা মোৰ এই জীৱন
সোপাকে হেৰুৱালোঁ !!

[১২০]

প্ৰেম আছে বাবেই
পৃথিৱী ইমান সুন্দৰ,
দৃষ্টি আছে বাবেই
দেখিছোঁ এন্ধাৰ পোহৰ !

আশাই সুগম কৰে,
নিৰাশাৰ বাট অন্তবলে'
জীৱনে যিদৰে সুচায়
সীমা তাৰ মৰণলে' !
স্বাৰ্থ আছে বাবেই
পৃথিৱী ইমান গোহৰ !!

মৰু নীৰস নহ'লে
মৰূদ্যান অৰ্থবিহীন,-
উচ্চ-নীচ ভাৱ নহ'লে
কোন বাৰু হ'ব হীন (?)
সুখ আছে বাবেই
পৃথিৱী ইমান দুঃখৰ !!

[১২১]

এইখন খিড়িকী চিনাকি চিনাকি
আজিহে দেখিলোঁ আহি,
শাৰদী জোনটি তাতেই দেখিলোঁ
মুখত মিচিকি হাঁহি ।

মনৰ গুহাৰ দুৱাৰ মুকলি
কোনে কৰি দিলে আহি,
বাসন্তী নিশা কদম তলত
কোনেনো বজালে বাঁহী !

এন্ধাৰে আঁৰৰা এইযে ইলোৱা
দুচকু মেলিলো আহি,
ময়েই যেনিবা প্ৰথম দেখিলোঁ
মায়াময়ী ৰূপহী ।

তন্দ্ৰা অলস তোমাৰ চকুত
ক'ত সপোনৰ ছাঁয়া,
তোমাৰ ওঁঠত বিৰিঙা হাঁহিৰ
ক'ত মোহ ক'ত মায়া ।

তোমাৰ প্ৰতিখোজ
ছন্দময় লয়লাস গতি
তোমাৰ মিঠামাত
উটি যায় বতাহত লহৰী তুলি ।
তুমি সুন্দৰৰ সুৰ ঢালি দিয়া ॥

তুমি য'ত যেনি থাকা
বিৰাজে তাতেই শান্তি
তথা লাগে জানা চাই
তোমাৰ সুষমা কান্তি
তুমি সুন্দৰৰ ৰূপ বাকি দিয়া ।

তালৰ তলেদি ডুবিব খোজা
ভাগৰুৱা বেলিটি,
দূৰলৈ নিৰিখি চায় বাটৰুৱা
লগৰীয়া লাখুটি ।

ওখোৰা মোখোৰা একা বেকা পথ
খোজে প্ৰতি উজুটি,
ধূসৰিত দূৰ দিগবলয়
ডুবো ডুবো বেলিটি ।

দিনৰ ভাগৰ যত কোলাহল
এন্ধাৰে ল'ব সাৰটি,
বাটৰুৱা তোৰ পুৱাবনে আৰু
আউসীৰ নিশাটি !

[১২৪]

টুন টুন টুন টুনী চৰাই
কিনো গীত গাৱ তই গুণ্‌গুণাই,

সৰু সৰু ঠোটু দুটি
উৰো উৰো পাখি দুটি
ফুট ফুটীয়া ৰং তোৰ
কি ৰঙে ৰঙাই !!

কূটি-ছিগি বনঘাঁহ,
সাজ তই তোৰ বাহ,
উঠি পৰি কাম কৰ
পুৰাবে পৰাই।

ৰূপৰ আধাৰ ৰূপৱতী ঘাট,
পাৰৰে কঁহুৱাই
মাতে মোক বিঙিয়াই
(যেন) ৰূপৰে বহিছে হাট !!

কঁহুৱা বৰ্নানি
হাতে ফালি ফালি
সেয়া কোন ঘাটলৈ আহে (?)
আগলে' পিচলে'
জুমি জুমি চাই
দুটি ওঁঠ কামুৰি হাঁহে !

বলিয়া বতাহে
উৰুৱাই নিয়ে
বুকুৰে কাঁচলি খনি,
কপালত আঁকিলে
অলকাৰে মালা
কিমান যে লাৱনী !

লাহিকে' কঁকালত
খালিকে' কলহটি
(সেয়া) হংসগামিনী কোন (?)
হেৰা অ' বতাহী
আজি মোক কোৱাহি
হয়নে সেয়া মোৰ সোণ (?)

[১২৬]

কলডিলীয়া খোপাতে অ'
কোনে মালতী গুঁজিলে
তোৰ নিকা মনতে অ'
কোনে ছবিটি আঁকিলে।

সপোনৰে তপোবনত
ভোমোৰা কোন আহিলে,
কিনো ফুল ফুলিলে অ'
কোনে হিয়া হৰিলে !

পলসুৱা মন তোৰ অ'
কাৰ মধুমে ভৰিলে,
নেদেখাকৈ কোনে কিনো
মায়াজাল তৰিলে !!

দুদিনৰ এই আলহী ঘৰত
মই এনিশাৰ অতিথি,
মই গুচি যাম নিশা শেষ হ'লে
বাটেই হ'ব মোৰ সাৰথি।

নামাতিবা মোক
তোমাৰ মায়াবী মাতেৰে,
নুচুবাদে মোক
পৰশ কাতৰ হাতেৰে।
চেনেহৰ বান্ধোন ছিগিথৈ আহিছোঁ
পাৰহৈ আহিছোঁ পৰিধি।

পাহৰিবা তুমি
নৰব কোনো সোৱৰণী
আজিৰ নিশাৰ
হ'ব জানো লিখা বিৱৰণী।
গৰজি গৰজি জোৱাৰৰ শেষত
শান্ত যেন বাৰিধি !!

[১২৮]

জাতিস্মৰ নহ'লো
আগ জনমৰ কথা ক'বলৈ' তোমাক,
অনিৰুদ্ধ নহ'লো
কেঁচা ঘুমটিৰ নিশা জগাব উষাক।

নহ'লো নিপুণ
নিত্য নতুন তোমাৰ ৰূপৰ খনিকৰ,
নহ'লো চিকুণ
চ'ৰা নাওৰ সাউদ মই বণিজৰ !
ধুমুহা শেষত
সাগৰ তীৰত লগ পালোঁহি তোমাক ॥

বীৰ্য্যমান নহ'লো,
দিবলৈ বৰণমালা বিজয়ৰ,
তোমাৰ দেশত
বৰাগী বেশত লগ পালোঁহি তোমাক।

কোনে এৰি গ'ল  এমুঠি মৰম
ফাগুনৰ বাটৰ ধূলিত,
হেজাৰ ফুল আৰু  এটি বুলবুলু
শিমলুৰ শুকান ঠাঁৰিত।

পছিমৰ পছোৱা  ক'লৈ বৈ যাব,
উৰুঙা উৰুঙা বনানি,
এৰা বাটে বাটে  সৰা পাতে পাতে
শুনো তোৰ গুণগুণনি।
ৰঙা বেলিয়ে  মিঠা ৰং সিঁচে
আজি এই আবেলিত !!

মাৰ যায় বেলি  দূৰ আকাশত
মাৰ যায় কোলাহল,
শ্ৰান্ত চৰণৰ  এটি দুটি খোজ
মাথো তাতে পৰি ৰ'ল !
কোনোবা কবিয়ে  সপোন দেখিলে
আবেলি বাটৰ দাঁতিত।

[১৩০]

খোলা খিড়িকীৰে এমুঠি জোনাক
সিঁচি দিছে আহি জোনে,
বিজন ৰাতিৰ নিজম প্ৰহৰ
হৃদয় যাচে সপোনে।

জন-সমুদ্ৰ শান্ত এতিয়া
নিবিড় নিতাল বননি
ঝিলিৰ গানত দিনৰ ভাগৰ
মনত তাৰে গুণ্‌গুণনি।

বনফুল ফুলে তুমি অহা বাটে,
জোনাক চাকিছে জোনে।
মেঘৰ স'তে জোনৰ লুকা-ভাকু
হৃদয়ত কাৰ উন্মেষ।

মোৰ দুচকুত বিনিদ্ৰ ৰজনী
মধুৰ মায়াবী বেশ।
মোৰ দেহত আৰু এক ফাগুনে
শুই ৰ'ল মনে মনে।

অভাৰ-অনাটন হাই-খৰিয়াল
মানুহে মানুহে খোৱা কামোৰা,
পাহৰিলে মানুহে মানৱতা আজি
নিয়ম-নীতি-জাতি-পৰম্পৰা !!

সভ্যতাৰ দান লাজ-গুণ-মান,
জীৱ শ্ৰেষ্ঠ মানুহ প্ৰথম,
মানুহৰ আচৰণ মানুহৰ বিচৰণ,
আজি পশুতকৈয়ো অধম !
সিজনাৰ সৃষ্টি মানুহৰে কৃষ্টি
মানুহেই কৰে বিষময় ধৰা !!

মানুহ দেখিছোঁ দেৱৰো অধিক,
মানুহ সাইলাখ ফেটী-সাপ,
মানুহে মানুহৰ তেজ চুহি খায়
মানুহেই কৰে যত পাপ।
মাটিৰ মানুহ দুদিনীয়া ধৰা
মানুহেই দূৰ আকাশৰ ত'ৰা ॥

আমালৈ ভোগজৰা ভোগালিয়ে দিলে
লওঁ আহা ভাগ পাতি পাতি,
ভোগালিয়ে দিছে মৰম মিতালি
পাহৰো জাত-পাতৰ সীমাটি ॥

এইবাৰ সাজিলোঁ মেজি একতাৰ
ধোঁৱাই তাৰ আকাশ চুলে,
জাগনিৰ অগনি ববগছে জ্বলালোঁ
জুই তাৰ ওৰে নিশা জ্বলে।
নামঘৰৰ চোতালত ভোৰতাল বাজিলে
থিয় নামে কপালে মাটি ॥

অগনি আঁতৰায় শীতৰ জড়তা
আমালৈ দি যায় শক্তি
ভোগালিয়ে ভগালে প্ৰীতি ভালপোৱা
বুকুতো জগালে ভক্তি।
বাপতি-সাহোন আপোন বিহুটি
(সঁচা) আমি অসমীয়া জাতি ॥

সুন্দৰ সঁচা—সদায় সুখৰ
হেৰুৱা ছবিও যাৰ মৃত্যু-মুখৰ
মনৰ চকুৰে দেখোঁ সুন্দৰতা,
হে শকুন্তলা ! তোমাৰ দেহৰ ।

এটি ফুল বনৰীয়া পাতৰ আঁৰত,
জিকমিক ত'ৰা যেন সুদূৰত,
তিৰবিৰ তিৰবিৰ যেন মণিহাৰ
বিৰিণা পাতত তাৰে জ্বলিছে বাখৰ ।

হাঁহিৰঙা ল'বালি কৈশোৰ যৌৱন,
যৌৱন যদি হয় শান্তিৰ মৌ-বন,
কিয় তেনে মোৰ স্মৃতিৰ পতা
আজিও হৈ ৰ'ল বেদনা ধূসৰ !!

[১৩৪]

ফুল ফুল ফুল ফুল আৰু ফুল,
ফুলৰ স'তে প'খিলাটি আজি মছগুল ।

ৰঙা-নীলা প'খিলা ফুলে ফুলে উৰে,
বা-ছাটি নিতে আহি কিনো খেলে তাৰে,
তাকে দেখি মোৰো মন উগুল-থুগুল ।

ফুলৰ মিঠা হাঁহি দেখোঁ পাহি পাহি,
ফুলৰ ইমান ৰং কোনে দিলে আহি,
ৰঙে ৰঙে ভাবি গ'ল মনৰ দুয়ো কুল
ফুল, ফুল ফুল ফুল আৰু ফুল ॥

আঘোণৰ পথাৰলে'    চাই পঠিয়ালে
নূৰ আচন্দ্ৰায় কৰে,
ক'ত আজি আঘোণৰ সোণালী ধাননি
চালে চাটু মাৰি ধৰে।

ওপৰি ওপৰি    বান আৰু বান,
খাই গ'ল মহতিয়াই
কলমো গজিছে কণা শিমলু তাত
নৰা এড়ালিও নাই।

মেটমৰা ভঁৰালৰ    তলি উদং
চহাৰ সংসাৰ কঙালি
কঁকালৰ টঙালি    টানকৈ বান্ধি ল'
লঘোণে থাকিবলে' বুলি ॥

[১৩৬]

জিক্‌মিক্‌ জিক্‌মিক্‌
চাকিৰে জোনালী
কি যে পোহৰৰ মেলা
আজি দীপাৱলী ।

কাতিৰ ৰাতি আউসী ৰাতি
এন্ধাৰ নশাৰ পণ
অযুত চাকি এন্ধাৰ নাশি
পোহৰাই আমাৰ মন ।
পোহৰ পিপাসু প্ৰতি প্ৰাণৰ
পোহৰাই জীৱন আলি ।

চৌদিশ নিনাদি ফুটে ফটকা
ফুলঝাৰি আতচবাজি
যেন আজি খহি পৰিলেহি আহি
আকাশৰ তাৰকাৰাজি ।
যেন পোহৰে পৃথিৱীক ল'লে
দুবাহুৰে আকোৱালী ॥

সন্ধিয়া লুইতৰ ভটিয়নী সোঁতত
উটি যায় মুদৈৰ নাও,
কত চৰ-চাপৰি বিৰিণা-খাগৰি
দুপাৰত এৰি নগৰ-গাঁও।

আহিছে মানুহ গইছে মানুহ
নেথাকিল কোনো চিৰদিন,
এই নদী বয় যুগ নিৰবধি
নাই তাত বছৰৰ চিন।
এই নৈৰ দুপাৰত কতযে কাহিনী
জীৱন নাটৰ ভাও॥

কোনে গাই যায় গীত ভাটিয়ালী
সুদূৰত সন্ধ্যাৰ ছায়া,
সাজলী আকাশত আজলি ত'ৰাই
হাঁহিৰে লগালে মায়া।
হেৰাল ছৱিটি চকুৰ আগতে
দুনাই আৰু যে নেপাওঁ!!

কোন ৰূপহীৰ   লাহি কংকাল
খোজত থৰক-বৰক
এই নদীৰ   নিজান পাৰত
আজি এনেহেন পৰত ।

অ' কুৰুৱা   অ' পছোৱা
আজি এই বাটে আহ
অ' কঁহুৱা   হালি জালি
নতুন গীতকে গা ।
ৰূপে ৰঙে   ছন্দে গীতে
মোকো আকুল কৰক ॥

সোণ হালধীয়া   সাঁৱয়হু ফুলৰ
ৰূপে পথাৰ ভৰক
আজিৰ এনেটি   দিনে মোৰো
জীৱন ৰঙীন কৰক ।
কাৰোবাৰ এষাৰি মিঠা মাতেৰে
নামি আহক সৰগ ॥

আইতা অ', অ' আইতা,
(আমি) ভূতৰ সাধু নুশুনো,
নেলাগে ক'ব চোৰৰ সাধু,
ডাইনীৰ কথাও নুশুনো !

ল'ৰা ৰজা—কোন ৰজা
কিয় ৰজা হ'ল ?
মোমাই কটা লাচিত জনো
কেনেকৈ বীৰ হ'ল ?
এই কথা কেনে কথা কোৱা আইতা শুনো !
আমি ভূতৰ সাধু নুশুনো !!

মূলা গাভৰু, ৰূপহী,
কোন জয়মতী,
দেশব্ৰতা পতিব্ৰতা
কেনেকৈ হ'ল সতী ?
দঢ়াই দঢ়াই কওঁ আইতা বঢ়াই কোৱা শুনো !
আমি ভূতৰ সাধু নুশুনো !!

শিয়ালী এ নাহিবি ৰাতি
আমাৰ সোণে কাণ কাটি
লগাই থব বাতি ।

বৰঘৰৰ পিছুৰ ফালে
সেয়া বাৰী দাঁতি,
তাতে আহি লুকাই থাক
গোটেই দোভাগ ৰাতি ।

যা গুচি যা তই
ভিৰাই লবে মাৰি
আমাৰ সোণৰ হাতত আছে
চিকুণকৈ এছাৰি ।
আমাৰ সোণে চকু মুদি
যায় যে ঘুমটি ।

[১৪১]

বুকুত কঁপনি
দেহত অগনি
মোৰ কি হ'ল আজি কি হ'ল কোৱা ?
চকুৰ টোপনি
হেৰায় আপুনি
নাম তাৰ, নাম তাৰ—ভালপোৱা !

ফুলকলি ফুলে
তাতে আলফুলে
ভোমোৰা দোলে,
মন-সাগৰত
কিনো আবেগত
যৌৱনে জোৱাৰ তোলে।
লাজ লাগে, কিয় তেনেকৈ চোৱা !!

ভাল লাগে আজি
এই দেহা মন
ভাল লাগে ফুলনি।
ভাল লাগে আজি
যেনি চাওঁ তেনি
পৃথিৱী লাৱনী।
এয়াযে সময় মিলনৰ আগচোৱা !!

বজ্র কঠোৰ হাতেৰে
ক্ষীপ্র দৃঢ় মনেৰে,
অচল অটল অংগীকাৰেৰে
আহা আকৌ নকৈ গঢ়োঁ
সোণৰ অসম দেশ
শান্তি সুখৰ দেশ
মোৰ অসম দেশ।
সংবিধানে বিধান দিছে—সম-অধিকাৰ,
আৰু অধিকাৰ প্ৰাপ্য পোৱা-জীয়াই থকাৰ,
ৰাজ্য নীতিৰ নিৰ্দেশ সূত্ৰ জন-কল্যাণ,
ক্ষুদ্র স্বাৰ্থ স্বজন-প্ৰীতিৰ নাই নাই কোনো স্থান।
হে' জনপ্ৰিয় জন-নায়ক জনতাৰ প্ৰহৰী
চাপি আহা কাষ তোমাৰ জনতাৰ নকৰিবা গহৰি,
শুনিছানে বাৰু সময়ৰ সংকেত,
স্বাধীনতাৰ হ'ল বছৰ দুকুৰি
সময়ৰ সংকেতে দিছেহি যে লেখ !!
প্ৰতি মাতৃ-শিশু, প্ৰতি জনতাৰ পুষ্টি-সাধন,
দিবই লাগিব স্বাস্থ্য-শিক্ষা-মজুৰি বনুৱাক বন।
আমি পাবই লাগিব আইনৰ সুবিচাৰ, সংস্কৃতিৰ সংৰক্ষণ
পেলাবই লাগিব হিংসা বিভেদৰ বিহগছ ছিঙি,
এলাহ-নিহালিত শুই থাকিলে মোমাইৰো কাটিমে ডিঙি।
হে' নমনীয়, শান্ত সমাহিত মহান অসমীয়া জাতি,
পাহৰি যোৱা জাত-ধৰ্ম, বৰ্ণ-ভাষাৰ নগণ্য সীমাটি।
হে' জনপ্ৰিয়, জননায়ক জনতাৰ প্ৰহৰী,
কাষ চাপি আহা জনতাৰ ওচৰ আৰু ওচৰ,
চাওঁতে চাওঁতে স্বাধীনতাই আজি
গছকিলে বছৰ দুকুৰি
ৰাইজেই ৰজা আজি শুভ অভিষেক ॥

ফুলৰ পাপৰিৰে সজাই পদূলি
বৰ হেঁপাহেৰে বাট চাই আছিলোঁ
তুমি আহিবা বুলি ।

বৰ্ষামুখৰ শাওণী সন্ধিয়া
ধূসৰ মৰু মোৰ পৃথিৱীত
স্নেহৰ প্লাৱন ঢালিবা বুলি,
বাট চাই আছিলোঁ বাউলী বেশেৰে
ফাগুনৰ বলীয়া পছোৱা হৈ
আহিবা ঢাপলি মেলি ।

ভাগৰিল মোৰ এই দুনয়ন,
ভাগি গ'ল যত আশা ঠুনুকা
পছিমত ডুবো ডুবো বেলি,
প্ৰেমৰ পখিলা উৰিব খুজোঁতে
ভাগি গ'ল তাৰ দুখনি ডেউকা,
আলফুলে কোনেনো ল'ব তুলি ।।

আজি এই আউসীৰ ৰাতি,
জোনাকী পৰুৱাৰ মেলা,
সিহঁতে খেলিছে এন্ধাৰত ওপাঙ
জিক্‌মিক্‌ পোহৰৰ খেলা !

এইখন ফুলনি নিশাৰ ফুলনি
এইবোৰ বনৰীয়া ফুল,
এইখন তৰা বছা নিশাৰ আকাশ
এইবোৰ তলসৰা ফুল ।
মন যায় মোৰ তাৰে গাঁথিবলৈ'
হেজাৰ ফুলৰ মালা !!

এইবোৰ মুকুতা, পোৱাল-মণি,
জ্বলিছে তিৰ্‌বিৰ্‌ কৰি
হয়তো হ'বও পাৰে স্বৰ্ণ-গহনা
এৰি যোৱা কোনোৱা পৰী ।
তথা লাগি ৰ'লো তাকে চাই চাই
নিশা দুপৰৰ বেলা !!

[১৪৫]

আগলে' পিচলে' চাই  চাই
অকলশৰে যাওঁতে
মই পালো দেখা সোণটি
নৈ-পৰীয়া বাটতে ।

পথাৰ ঢাকি ফুলিছে ফুল
সৰিয়হৰ ফুল,
যেন কোনোবা সপোনপুৰী
নদীৰ দুয়ো কুল ।
পুৱাৰ সুৰুযৰ প্ৰথম পোহৰ
তোমাৰ দেহত পৰোঁতে . মই পালো দেখা..... !!

সৰিয়হতলীৰ মাজৰ সৰু
ঋজু ঋজু পথ,
তাৰে মূৰত কদমতলীয়া
কৃষ্ণ গোঁসাইৰ মঠ ।
সেই বাটেদি আঁচল উৰাই
লৰালৰি যাওঁতে, .... মই পালোঁ দেখা...   !!

এই লুইতপৰীয়া সন্ধ্যা,
কাষতে বনৰি নিশিগন্ধা,
ৰিবুৰিবু মলয়া মধুছন্দা,
জোনাকৰ অলকানন্দা !

ৰিহাৰ আঁচল কাৰ ঢৌ খেলি উৰে,
বকুৰ কাঁচলি কাৰ পিচলি পৰে,
আউলী বাউলী একোছা চুলিয়ে
উৰি উৰি দুগালক আমনি কৰে।
আশাভৰা ভাষাভৰা চকুযুৰিত
নামিছে অলস তন্দ্ৰা !!

তাঁহি আছে বাঁহীৰ এটি মিঠা সুৰ,
বতাহে কাঢ়িয়ায় তাক বহুদূৰ,
সন্ধিয়াৰ বনৰি ৰূপহী ৰমণী
নিলিখা কবিতাৰ ভাষা ভৰপুৰ।
অৰূপ ৰূপৰ ৰাগৰে বাসনাই
বসুধা কৰিলে বন্ধ্যা !!

দূৰৰ দিগন্ত কুহুমৰলীয়া হ'ল,
হয়তো এতিয়া সাঁজৰ সময় হ'ল,
দিগভ্ৰান্ত বগলীজাক উৰি উৰি গ'ল
(মোৰ) কোঠাৰ মজিয়া এন্ধাৰ এন্ধাৰ হ'ল ।

সাজি কাঁচি ওলালে আকাশেও হ'বলা
(যেন) নতুন বোৱাৰীজনী নিজকে সজাই তোলা,
বিস্তৰ কপালত ৰঙা সেন্দূৰৰ ফোঁট,
কত আশা, কত ভাষা, কত ৰঙৰ মেলা ।
পলকতে সেই মেলা কেনিবা হেৰাই গ'ল !!

পূৱকোণত অচিন তৰাই চকু টিপিয়ালে,
মোৰ মনত নিশাৰ সপোন কোনে চটিয়ালে,
জোন ওলাল ডিঙা বাই পশ্চিম আকাশত
শুকুলা ডাৱৰৰ পাল তাতে তৰি দিলে ।
কোঠাতে বহি গম পালো এয়া নিশা হ'ল !!

মোৰ আশে-পাশে জন-সমুদ্ৰ
কোলাহল দিনে ৰাতি
নেপালো তাতে এজনো আপোন
বুলিবলৈ চিনাকি।

কোৱাভাতুৰীয়া মানুহ দেখিলো
মুখত কঠুৱা হাঁহি,
চকুচৰহা খিয়লীয়াজনে
সমাজ ভাঙিছে আহি।

অলীক আভূৱা মানুহৰ মন
মানুহ মানুহৰ বৈৰী,
নেপালো বিচাৰি মনৰ মানুহ
মানুহৰ পৃথিৱী॥

[১৪৯]

ময়ো এদিন দেখিছিলোঁ
ওৰ্ণাণ আঁৰেৰে জনমি জনমি চোৰা
আকাশত মেঘে ঢকা জোন,
বনৰ আঁৰতে ফুলি নিজৰ লগতে খেলি
এটি ফুল আপুনি মগন !

ময়ো এদিন দেখিছিলোঁ
তুষাৰ ধৱল শৈল্য শিখৰত
উষাৰ সাঁজোন কাঁচোন
ষোড়শীৰ বুকুত শুই থকা যেন
ৰঙা চাদৰ এখন ।

আৰু মই দেখিছিলোঁ
ক্ষয়িষ্ণু দেহৰ জঁকাৰ মাজত
ফুল কোমল মন,
কুবেৰৰ পেৰাত কঁাচৰ টুকুৰা
ভিকহুৰ জোলোঙাত ধন ॥

[১৫০]

জীৱন কবিতা কৰি সঙ্গাব খুজিলোঁ
কবিতা হ'ল মোৰ ছন্দহাৰা,
সুৰেৰে শুনাব খুজি গালো সুখগীতি
গান হ'ল কিয় মোৰ বেসুৰা।

যৌৱন জোৱাৰে ধুই দিলে যিদিনা
বুকুৰ বগা বালিচৰ,
অমৰাৱতী মোৰ আশাৰ ফুলনি হ'ল
অপৰূপ সৰগৰ।
ভাটা হৈ শুকাল সাগৰ নিৰাশ মনত ভাগৰ
সমুখত দেখিলোঁ আছে চাহাৰা !!

ভবাতো নাছিলোঁ তোমাক পাম বুলি
ইদৰে হঠাতে সিদিনা,
তোমাৰ বৰণমালা ইমান মৰম গধুৰ
ৰঙীন পৃথিৱী যিদিনা।
লেৰেলি শুকাল মালা তুমি হেৰাই গ'লা
উপহাস কৰিছা মই দিশহাৰা !!

[১৫১]

তোমাৰ মায়াৰ সোণালী সঁজাত
বন্দী মই বিহঙ্গ,
মৰম গধূৰ কঠিন শিকলি
বন্ধা মোৰ প্ৰতি অঙ্গ ।

আকাশ কিয়নো আগৰ দৰে
নহয় গভীৰ নীলা,
মোৰ দুচকুত কিয়নো তুমি
অনামী অশ্ৰু দিলা ।
অনাবিল তোমাৰ এই ভালপোৱা
তুলনাবিহীন সঙ্গ ॥

সপোন সপোন নহয় আপোন
মিছা মাটিৰ ধৰা,
এই দিয়া নিয়া এই গান গোৱা
মিছা নিশ্বাস ভৰা ।
সকলো পালেও তুমি নাথাকিলে
মই যে নিসঙ্গ !!

পল অনুপল দণ্ড প্ৰহৰ,
তোৰে নাম হে সময়,
তয়েই অনাদিৰ সৃষ্টি পাতলি,
কাল বিভীষিকা মহাপ্ৰলয়।

তোৰ হাতত বজাও ভিকহু
ভিকহুৰ ৰাজপাট,
জনম-মৰণ হাঁহি-কান্দোন
(তোৰ) ভঙা-গঢ়াৰ অজুহাত।
তোৰ হাততেই মহামানৱৰ
বাৰে বাৰে পৰাজয়।

দুৰ্বাৰ তোৰ ৰথৰ চকৰি
নিৰ্মম যাত্ৰা পথ,
তোৰেই সৃষ্টি মহাবলী সেই
দুৰ্জেয় জয়দ্ৰথ।
তোৰেই কোলাতে অস্ত সূৰ্য্যৰ
তোৰেই কোলাতেই উদয়॥

[১৫৩]

মোৰ খিড়িকী  তোমাৰ খিড়িকী
সদায় থাকে খোলা,
খিড়িকীৰে দেখোঁ  বহল আকাশ
সাগৰৰ দৰেই নীলা ।

খোলা খিড়িকীৰে  দেখোঁ নিতে
ফুলনিত ফুল ফুলা,
ফুলে ফুলে  উৰিফুৰা বৰণীয়া
কত ৰঙীন প'খিলা ।

তোমাৰ খিড়িকীত  হঠাতে এদিন
দেখোঁ জোনাকৰ মেলা,
ৰাতিৰ জোনটি  এদিন তাতেই
আছিলে আবেলি বেলা ।

[১৫৪]

"ভাল পাওঁ" বুলি জানো কাৰোবাক
ভাল পাব পাৰি ?
'পাহৰি যোৱা' বুলি ক'লেই জানো
অতীতক পাহৰিব পাৰি ?
কথা ইযে অবান্তৰ !!

যৌৱনে মন কৰে উচাতন,
পৃথিৱী ৰঙীন লাগে বিতোপন,
সত্য ইযে চিৰন্তন !!

ৰাধা-কৃষ্ণ যমুনাৰ পাৰ
মদনৰ মুৰুলী ইপাৰ-সিপাৰ,
আমি (দেখোঁ) তাৰেই ৰূপান্তৰ !!

[১৫৫]

দলে বলে ব'ল ভাই
পথাৰলে' ব'ল,
পথাৰতে আছে ভাই
জীৱনৰ সম্বল ।

নদীত আহে নতুন বান
ন-পানীৰ ধল
পলস পৰা মাটিডৰা
আজি আশাৰ থল ।
আমন-জিমন মনটি কিয়
বাহুত আছে বল !!

মাটিয়ে আমাৰ জীৱন ভাই,
মাটি আমাৰ আই,
এই মাটি এৰিলে তোৰ
বচাঁৰ উপায় নাই ।
নাঙলৰে সীৰলুতে (আই)
সীতাৰ জনম হ'ল !!

নৱ প্ৰভাতৰ নতুন সূৰ্য্যে
পৰ্ব্বত ভূমুকি মাৰিলে,
জনমভূমিৰ চৰণ চুমি
চৌদিশ পোহৰ কৰিলে !!

নতুন সূৰ্য্যৰ প্ৰথম পোহৰে
নাশিলে এন্ধাৰবোৰ,
সেই পোহৰত উজলি উঠিলে
আই মাতৃ মোৰ ।
শংখ-ঘণ্টা শুনি মঙ্গল উৰুলি
আই মাতৃ হাঁহিলে !!

পথাৰে-সমাৰে বনে-বিৰিখে
গাইছে নতুনৰ গান ।
সেই গানে গানে সেই সুৰে সুৰে
জাগিছে মাতৃ-প্ৰাণ ।
যুগজয়ী হৈ খিয়াতি পাবলৈ
আইয়ে আশীষ যাচিলে ।।

নেদেখোঁ তোমাক নুশুনো যে মাত
মাজত বাধাৰ প্ৰাচীৰ,
আমি দুয়ো হ'লো দুটি চকোৱা
দুঃখৰ দোভাগ ৰাতিৰ ।

সময় নদীৰ আমি দুয়ো দুপাৰে
বুজি পাইছানে সোঁৎ ?
আমাৰ মাজত নাই যে সাঁকো,
তুমি মোৰ দুৰণিৰ জোন ।

তোমাক দেখিয়ে ভাল লাগি গ'ল
নাভাবিলো তুমি কোন ?
তোমাক পাবলৈ হাত মেলি দেখোঁ
তুমি মোৰ দুৰণিৰ জোন ।

কিয়বা লাগিছিল মৰম মৰম,
লাগিছিল কিয়বা আপোন আপোন
নাজানো কিয়বা লাগিছিল মোৰ
ছয়াঁময়া তুমি চিনাকি সপোন ।

মোৰ মনৰ উকা দাপোণৰ
প্ৰথম ছবিটি তুমি,
সপোনৰ নিশা দিলা আহি দেখা
চাই মোলে' জ্ন্মি জ্ন্মি।

কল্পনা ৰঙীন মন ফুলনিত
প্ৰথম ফুলিছে ফুল,
গুণ্ গুণ্ কৰি ভোমোৰা উৰিছে
মৌ-মাখি বিয়াকুল।
বলীয়া পবনে আহি ঘনে ঘনে
মোক যায় চুমি চুমি।

তোমাৰ বাবেই মোৰ মৰতত
সাদৰৰ আয়োজন,
পূৰ্ণতা পাবলৈ মোৰ জীৱনত
তোমাৰেই প্ৰয়োজন।
মোৰ আশা-ভাষা মোৰ দিনৰাতি
হৈ য'ক তুমি তুমি।

অ' কুলি কুউ বুলি
ক'লৈ উৰি গ'লি
বহাগ অহাৰ বাৰ্ত্তাৰ তই
বনে বনে দিলি।

বহাগ আহে তোৰ গানত
আহে দূৰৈৰ বনলৈ,
বহাগ আহে অহা বাটে
নাহে মোৰ মনলৈ।
ফুলৰ মেলাত তই আজি
কিনো গীত গালি !!

অ' কুলি আপোন বুলি
ক'লো এষাৰ কথা,
তই জানো নাজান' মোৰ
বুকুত কত বেথা।
নোৱাৰো তোক দেখুৱাব
ভিতৰখন ফালি ॥

আই তোৰ চোতাল সাৰিব খুজি দেখিলো
  গজি আছে কেঁএাবন,
আই তোৰ মুখলৈ চাইহে বুজিলো
  কিয় তোৰ মৰা মন।

কেঁএাবনে বিয়াগোম বিৰিষ হ'ব বুলি
  এবাৰো নেচালো ভাবি,
সেয়েহে হ'বলা যেনি চাওঁ তেনি
  অজানা অচিনা হাবি।
চিকুণাই দিম তোৰ চোতাল ঘৰে-বাৰী
  আমিযে কৰিছো পণ।

তোৰ মৰমতে তোৰ ৰূপ ৰসতে
  ৰস পাই ৰয়ুৱলা,
শলাগ পাহৰি আলাসত উঠিলে
  পাতিলে ৰঙৰে মেলা।
গা-চুই খালো আই শপত মৰো বুলি
  শতৰু কৰিমে নিধন !!

নীলা আকাশৰে মিলা এটি বং
সাগৰে সাগৰে দেখিলো,
সাগৰে আকাশে মিলি মিলি গৈ
একাকাৰ হোৱা দেখিলো।

পালতৰা নাও আকাশে আকাশে
যোৱা যেন দেখিলো,
কাঁচি জোনটি সাগৰোদ নামি
নাও হোৱা দেখিলো।

এটি বগলী সাগৰৰ ফালে
উৰি উৰি যোৱা দেখিলো,
বগলীটি উৰি ভুল কৰা বুলি
কিয় জানো কিবা ভাবিলো।

[১৬২]

কৰুণ কোমল সুৰে বাজে বেহেলা
পা নি ধা নি পা ধা মা পা বেলা-অবেলা

গুণ্ গুণ্ শব্দে দিন ম্ৰাৰ যায়
সপোন সামৰি নিশা গুচি যায়
আজিৰ এই দিন কাইলৈ-পুৰণি,
কিবে অহা যোৱা এই খেলা ।

ভিন্ ভিন্ ভাৱৰ কত কিযে গান,
তাৰ ছিগি গ'লে হয় থান্-বান্
যদিও পাতো উলহে মালহে
চিৰদিন নেথাকে এই মেলা ।

[১৬৩]

অ, চম্পাকলি ! চম্পাকলি !!
অনুকম্পা দিবি কাক,
অভিশপ্তা হৈ গড়ল-বাগানত
বন্ধ্যা হৈয়ে থাক ।

চৌপাশে তোৰ পখিলা ভ্ৰমৰ,
উৰিছে জাক্‌ জাক্‌
কমনীয় তোৰ স্নিগ্ধ কোমল
সঙ্গ দিবিনো কাক ।
যান্ত্ৰিক মোৰ জীৱনত তই
সপোন হৈয়ে থাক ।

তোৰ পাহিৰ লোলুপ হাঁহিৰ
দিব জানো মই দাম,
ৰূপৰ হাটত সঠিক পৰত
তোক জানো লগ পাম ।
মনৰ কুঁৱৰী বনৰ জীয়াৰী
নিজানতে পৰি থাক ।

[১৬৪]

শিল্পী তোমাৰ আমঠু উমতে
মন মোৰ থাকিব সাৰে,
যামগৈ বিদিনা হেৰাই ধূলিতে
তুমি গুচি যোৱা বাটেৰে।

নোৱাৰিলো থব তোমালৈ' শৰাই,
সজাই পৰাই ফুলেৰে,
দূৰ্বাৰ দলিচা নাই সেই বাটে
আছে হুলপুতা ধূলিৰে।
তুমিওতো জানা ভৰা এই বাট
ছলনা চাতুৰী দুঃখেৰে॥

নোৱাৰিলো ক'ব শিল্পী তোমাক
বুকুৰ কথা গানেৰে,
ঠাৰে ঠিয়াঁৰে সেই কথা ক'লো
মাথো মৌন বেদনাৰে।
তোমাৰেই মনৰ নুফুটা গানৰ
প্ৰকাশ হয় সুৰেৰে॥

জীৱনৰ বাটে বাটে বিচাৰি ফুৰিছো
মনৰ মানুহ কিজানি পাওঁ,
আহিছে মানুহ গইছে মানুহ
মনৰ জনক বিচাৰি নেপাওঁ।

দিনকণা দেখিছো মোহৰ জালত
পৰি কৰে হাহাকাৰ,
নিশাৰ জগতত পিশাচ দেখিছো
পশুৰ দৰে ব্যৱহাৰ।
দুভৰিত উজুটি চিন্তাত বিজুতি
উঠি পৰি আগুৱাওঁ !!

মই বিচৰা অন্তৰ এখনি
আছে নেকি ক'ৰবাত বৈ,
যিখনি অন্তৰ পাপ তাপ কালিমাই
কোনোকালে চুৱা নাই।
শিশুৰ সৰল হাঁহি এটি মিঠামন
তেওঁতেই কিজানি পাওঁ !!

[১৬৬]

কিনো দিওঁ তোমাক
ভালপোৱাৰ প্ৰতিদান,
দেখি দুই শুদা হাত
কৰিবানে অভিমান!

দিব পাৰোঁ গাঁথি
মালতীৰ মালা
কাইলৈ যাব শুকাই,
ক'ব পাৰোঁ মুখেৰে
'ভালপাওঁ' বুলি
কথাৰো সজাত নাই।
দিব পাৰোঁ মাথো তুমি হৈ যোৱা
বাকী থকা এটি মন!!

সোণ-বৰণ খটোৱা
নোৱাৰো দিব মই
সোণৰ সোলেং আনি,
নোৱাৰো দিব মই
আকাশৰ তৰাটি
বনৰে মইনা চৰাই।
তোমালৈ মোৰ প্ৰীতি-ভালপোৱা
হৈ ৰ'ল এটি গান॥

পখীৰ বিননি নিশাৰ বনানি
ৰৈ ৰৈ মুখৰ কৰে,
সেই বিননিৰ কিবা এটি ধ্বনি
পৰাণ কোমল কৰে।

মাধৰী ৰাতিৰ মায়াবী পখীৰ
কিযে হিয়া-ভৰা মাত,
ডালে ডালে পাৰি যেনি তেনি উৰি
মাথোন মাতিছে মাত।
যদিও নুবুজো অৰ সুৰ-ভাষা
মন ৰাই-জাই কৰে॥

যমুনা পাৰত কদম তলত
মধু মাধৰী যামিনী,
মদনৰ বাহী আহি আহি আহি
মুহিছিলে কামিনী।
তেনে এটি সুৰে নিশা দূৰে দূৰে
হৃদয় আকুল কৰে॥

[১৬৮]

সোণালী দিনবোৰ
পাখি মেলি পখী
চকুৰ আগেদি মোৰ
উৰি গুচি যায়।

তাকে চাই চাই
থৰ হৈ ৰ'লো মই
নেমানি বন্ধন বাধা
পখী উৰি যায়।
পখীৰ প্ৰীতি কাকলি
স্মৃতি হৈ যায়!!

পখীৰ পাখি দেখি
আন্দোলিত ক্ষণ লেখি
মোৰ কবি মনে
কিযে দুখ পায়।
চনকা পৰাণ হায়
ভাগি ছিগি যায়!!

বাহিৰে সবল ভিতৰি গৰল
ৰংচঙীয়া কোৰাভাতুৰী,
চিনিছো তোমাক বুজিছো তোমাৰ
ভেশছন ছল-চাতুৰী ।

নীলৰ পানীৰে নীলাহৈ শিয়ালে
খালে বহি ৰাজপাট,
স্বৰূপ প্ৰকাশি গিয়াতিৰ হাতত
হ'ল নিজেই নিপাত ।
মাটিৰ মানুহহৈ কিয়নো পাহৰা
যাবই লাগিব যমপুৰী ।

বুঢ়া বগলীয়ে কিমান ঠগিলে
কেঁকোৰাই এশিকনি দিলে,
বাঘহেন বপুৰাই এশ গৰু খাই
মৰণক সাৱটিলে ।
সিপাৰ তুমিও হ'বই লাগিব
বৈতৰণী সাঁতুৰি ।

[১৭০]

বিজয়ৰ বৰ্ণ-মালা
আই তোক পিন্ধাই দিলোঁ,
দেখি তোৰ সুবিমল ৰূপ,
হেঁপাহ পলুৱাই চালোঁ।

তোৰে ভূষণ কীৰিতি
কোনে কাঢ়ি নিয়ে
তোৰ সুখৰ ঘুমটি
কোনে ভাঙি দিয়ে
মই অকোৱাল তুলি ল'লোঁ !!

মাতৃক কৰে অপমান
কোনে সহিব পাৰে,
তই দিয়া জনমৰ ঋণ
কোনে সুজিব পাৰে।
তোৰ বাবেই পোহৰ পালোঁ !!

কিনো দুখে হায় কিতো হেৰুৱাই
মৰহে বিলৰ কুমুদিনী
নিশা নিশাকৰে যায় দূৰে দূৰে
জগাই কামনাৰে যামিনী ।

গুণ্ গুণ্ ভোমোৰাই
বিষাদৰ গান গাই
কৌনি আহি কৌনি গুচি যায়,
ক্ষণে ক্ষণে উচটাই
কত কিযে বাসনাই
কিয় বাৰে বাৰে কন্দুৱায় ।
কৰুণ গীতৰ এই ৰাগিণী ॥

বহু কিবা আশালৈ
পদুম কলি ফুলি
মনে মনে মৰিহলে,
ৰং সুৰভি ঢালি
মন প্ৰাণ উদণ্ডাই
পদুম কলিয়ে কিনো পালে ।
শেষ হ'ল নিলিখা কাহিনী ॥

[১৭২]

নামৰ সম্বন্ধ বৰ আছে হে বাশৈধ
কামৰ সম্বন্ধ বৰ নাই,
যিহকেই নকৰা কৰা মনপ্ৰীতি
মান-যশ সকলো পায়।

শ্ৰমৰ বিকল্প এই জীৱনত
জানিবা নাই নাই,
ভাগ্য-কপাল অলীক সকলো
কোনে কেইদিন খায়।
তুমি নকৰিব এৰা কামটি
কৰে চোৱা কোনোৱাই !!

সমাজে তোমাক নুখুৱায় নুবুৱায়
ভাল-বেয়া যিয়ে কয়,
সমাজেই তোমাক পিন্ধাব মালা
কামৰ দাম বুজি পাই।
শ্ৰমৰ পূজা কামৰ জয়গান
গোৱাহে গোৱা ভাই !!

[১৭৩]

তুমি যেন এপাহি নীলা পদুম
সৰসিত অঞ্চলে আছাহি ফুলি,
পৰশ কাতৰ সুৰভি শীতল
স্নিগ্ধ কোমল পাপৰি মেলি ।

ফুলনিৰ হেজাৰফুলৰ দৰে
আজি তুমিও উঠিলা ফুলি,
অকাল বসন্ত আনিবা কিদৰে
নাগালে গীত কুলি বুলবুলি ।

অকলশৰীয়া তৰাটিৰ দৰে
আকাশত বিষাদৰ ৰাগিণী তুলি,
তুমি আজি মোক আপোন কৰিলা
হৃদয়ত আবেগৰ জোৱাৰ তুলি !!

[১৭৪]

সংসাৰ সাগৰত নাও বাই বাই
মই যাবই লাগিব আগ্‌বাই।

বোৰতী নদীয়ে প্লাবন আনে
প্ৰবল প্লাবনে পাৰ ভাঙে,
ভগা পাৰে চাপৰি গঢ়ে
নিয়ম মাথো ভঙা-গঢ়াই !!

নেজানো কাহানি বহুৰে এই নাও
অতল সাগৰতলি দেখাকে নেপাওঁ,
অন্ধ আবেগে মাথো আগ্‌বাওঁ
হাঁহি-কান্দোনৰ গীতকে গাই !!

কুলিৰ কণ্ঠ কোনে কাঁৰিলে কোমল
সেউজী সপোন বনে বনে,
এছাটি বতাহে মন চুই গ'ল
আহি খিৰিকীৰে মনে মনে।

দুজনী শালিকী নাচোন নাচি
কিৰিলি পাৰিছে ঘনে ঘনে,
কাক মাতি মাতি নিশাৰ কেতেকী
কিনো কয় গানে গানে !

নিশাৰ তঁৰাই মোক ক'লেহি
তোমাৰ বাৰ্তাৰ গোপনে
মেঘৰ ওৰণি সলাজে গুচাই
হাঁহিছে মাধৱী নিশাৰ জোনে।

ক'ৰবাত কিহবাৰ কিবা মাত
দূৰে দূৰে শুনো তাৰ প্ৰতিধ্বনি,
বনে বনে ঘূৰি আকাশে বতাহে উৰি
সুৰাধাৰ, সিটো চকুৰে নমনি ॥

বহাগৰ আকাশ, আবেগে উতলা কৰা
নহয় সুৰীয়া কুলিজনী,
প্ৰহৰে প্ৰহৰে নিশা ক'পাই তোলা
নহয় কেতেকীৰো বিননি ॥

একেটি সুৰতে শুনো একেটি কণ্ঠ
সপ্ত সুৰৰ গুণগুণনি ।
সুৰৰ মায়াতে আজি হ'ল একাকাৰ,
(ৰাতিৰ) আকাশ আৰু বননি ॥

[১৭৭]

মন মোৰ উৰি যায় দূৰণি দোলালৈ,

য'ত আছে নানা ৰঙী ধুনীয়া ফুলনি,
য'ত আছে মিঠা হাঁহি মুখে মুখে লাৱনী,
য'ত আছে মমতা অন্তৰ দিবলৈ ॥

য'ত আছে ওৰে নিশা জোনাক শাৰদী,
য'ত আছে বসন্তৰ কেতেকী দৰদী,
য'ত আছে বৰষা মন পৰশিবলৈ ।

[১৭৮]

ৰহাগ অহাৰ বাতৰি বিলাই,
তাই এইবাৰো আহিছে
ৰঙতে ৰাঙলি পলাশ মদাৰে
অহাবাটে আদৰিছে !!

বহুদূৰ তাই বাট 'ফুৰি বাই
আহিছে ধূসৰিত হৈ,
সেয়ে কিজানি জানি পখোৱাই
সাৰিছে পদূলি নিকাকৈ ॥

নঙঠা শিমলুঠাৰি, এটি চৰাই
গীত গায় অকলে আকাশলৈ চাই।
ঠিকনাবিহীন অঘৰীযে তাই
তাইৰেই নাম হেনো ফাগুনীবাই !!

[১৭৯]

ৰৰষাৰ ৰিমঝিম বৰষুণে,
শাৰদী নিশাৰ বিমল জোনে,
মোৰ মনলৈ কঢ়িয়াই আনে,
কত আশা গোপনে গোপনে !!

ফাগুনৰ ৰলীয়া পছোৱা পৱনে
মন মোৰ উচটায় ঘনে ঘনে,
পাখি মেলি উৰে মোৰ যে মনে !!

বসন্তৰ এই বনে বনে
বিহগীৰ মিঠা গানে গানে
ধৰালৈ সৰগ নমাই আনে !!

নিৰিবিলি ক্ষণ খেলি-মেলি মন
ঝিলমিল জ্বলিছে তৰা,
নিষ্প্ৰভ পোহৰে নিশাৰ এন্ধাৰে
আবৰি ধৰিছে ধৰা।

চিমিকি চিমিকি চাকিটি জ্বলিছে
কঁপিছে শিখাটি দ্ৰুত,
ৰিণিকি ৰিণিকি বাঁহীটি বাজিছে
চিনাকি চিনাকি সুৰত।
বসুধা বঢ়ুত সুৰৰ অমিয়া
নামিছে সৰগৰ পৰা !!

বীণৰ তাঁৰেৰে দিনৰ ভাগৰ
আঁতৰায় বৰাগী·
মনুৰ মাজেৰে সুৰৰ নিজৰা
বৈ যায় সুৰাগী।
দিন গুচি গ'ল মাথো পৰি ৰ'ল
এটি ফুল তলসৰা !!

মানুহৰ কত কিযে ছলনা
বিচিত্ৰ পৃথিৱী বিচিত্ৰ মানুহ
নাই যাৰ তুলনা ।

মো-মিঠাকৈ মৰমেৰে মাতি-
কাইটে হানিব পাৰে,
কেতিয়াবা দেখো কঠুৱা হিয়াতো
মৰম জগাব পাৰে ।
দৰ্প গৰ্ব দেখি অহমিকা
বুকুত জাগে বেদনা !!

নিজৰ নাম কাম জহনবলৈ
আনৰ কৰে বদনাম,
নিজেই মাপকাঠি ভাল-বেয়াৰ
কি মান-অপমান ।
নিজৰ বাবেই কৰে সমাজত
ইন্দ্ৰজাল ৰচনা !!

মুৰুলি-নিকুঞ্জলো, মালতিলি
বিচাৰি কলীয়াক মোৰ
ৰাতি নুপুৰায়।

তুমি মোৰ কান্দাৰী
বিপিন বিহাৰী,
তুমি বিনে বৃন্দাবনে
নীৰৱে বিনায়।
দেখা দিয়া দেখা দিয়া দেখা দিয়া
আহা যে ওলায়॥

কোনে চাব মোলৈ হাহি
কোনে বাব মোহন বাঁহী
তুমি বিনে ত্ৰিভুৱনে
মিহিৰ পলায়।
দেখা দিয়া দেখা দিয়া দেখা দিয়া
আহাযে ওলায়॥

[১৮৩]

কিনো নাচোনৰ ছন্দ
কিনো আবেগৰ দন্দ
লহৰে লহৰে গগনে পৱনে
বাজে সুৰ মৃদুমন্দ ॥

লিহিৰি লিহিৰি বাউলী বিৰিণা,
কহুৰা বননি হালিছে,
জিলমিল জিলমিল ৰূপালী নদীয়ে
চকু ছাটে মাখি ধৰিছে।
কোনে লৈ আহে চিনাকি সুৰভি
অনামী ফুলৰ গোন্ধ ॥

কঠিন জটিল মনৰ বান্ধোন
শিথিল কৰিলে কোনে
বুকুৰ মাজত শুনো কিনো গান
মন পাতলায় কোনে।
নিজে মেল খালে কিনো বা লাগি
মনৰ দুৱাৰ বন্ধ ॥

[১৮৪]

মোৰ জীৱন জুৰি আছে
তোমাৰ প্ৰেমৰ পাৰাবাৰ,
মোৰ জীৱন মৰুত আজি
শান্তি বৰষে ধাৰাষাৰ ।

এই ধূলিৰ ধৰা মায়া মোহে ভৰা,
দুখৰ নাই পাৰাপাৰ,
খোজেপতি উজুটি ভাৱনাৰ বিজুতি,
তিতা-কেঁহা এই সংসাৰ ।

জীৱনৰ যত ক্লেদ কামনাৰ কত ক্লেশ,
কৰি দিলো পৰিহাৰ,
মোৰ কণ্ঠত দিলা তোমাৰ গুণৰমালা,
সিয়ে হ'ল মণিহাৰ ।

সুন্দৰৰ সাধনাৰে জীৱনৰ খেলা খেলি
হ'লো (মই) ৰূপতীৰ্থৰ যাত্ৰী,
আহা কোন যাবা আহা কোনে গাবা,
সুন্দৰৰ গীত অহোৰাত্ৰি

দিনৰ বীণত বজা সুৰ ভিনভিন
নিশা যায় ক'হ পৰি জীন,
বিগত নিশাৰ যত ৰঙীণ সপোন
দিঠকত শূণ্য তাৰ চিন।
ৰূপতীৰ্থৰ ৰূপ জ্বলে ঝিলমিল,
হ'বানে মোৰ সহযাত্ৰী ॥

নাই তাত ধূমুহা কাল বিভীষিকা,
নাই তাত আউসীৰ নিশা,
নাই তাত জীৱনৰ ছলনা চাতুৰী
আছে সুন্দৰ জ্যোতিশিখা।
শুনা কাণ পাতি বাজে আকাশ ছানি
সুন্দৰৰ মন্ত্ৰ গায়ত্ৰী ॥

তোমাৰ কথা মনত পৰিলে
মনত পৰে গধূলিৰ পদূলিলৈ,
তোমাৰ ছাঁহিটি মনত ভাঁহিলে,
মনত পৰে পদূলিৰ কথনা জুপিলৈ ।

ফুল বুটলা সজোৱা পুতলা,
সেইদিন মধুসূতি হ'ল,
সময় নদীয়ে নতুন গতিৰে
নাজানো কেনি লৈ গ'ল ।
তুমি তোমাৰ বাটে মই আপোন বাটে,
গুচি গ'লো দূৰ দূৰলৈ !!

নিশাৰ সপোনত মনৰ দাপোণত
বহুতো ছবিয়ে ভাহে
অলীক কল্পনা হেৰোৱা স্মৃতিয়ে
কলিজা কিয়বা দহে ।
মোৰ মনৰ মণিকোঠাত বিৰাজি আছা
তুমি চিৰকাললৈ !!

আহা ভাই পথাৰলে । আহা 'ঘাউ পথাৰলে'
কিয় মন আমন-বিভ্ৰম,
নাঙল কোৰ লৈ কাচি কাম কৰো ঘামে মছি,
চপাওঁ ধনে ধানে নদন-বদন ॥

অনাবৃষ্টি যদি হয় খবাং বতৰ
নলীনাদ আছে জলসিঞ্চন,
বিজ্ঞানে দিছে আজি অনেক উপায়
জানিলে তাৰ অৱলম্বন।
নহবা হতাশ ভাই দেখি বিঘিনি
জীৱনবো আছে হৰণ-ভগন ॥

শ্ৰমৰ মৰ্য্যাদা পাবাযে থিতাতে
বিকল্প আন একো নাই,
যতন কৰিলে ভাই মিলিব ৰতন
তাৰ প্ৰমাণো আছে তাতেই।
কৰো কি নকৰো মন অস্থিৰ ঘনে ঘনে
সিয়ে আনে জানা অধঃপতন ॥

পুৰুষোত্তম মহাপুৰুষ জাতিৰ জনক, হে শংকৰদেউ !!
এলাই এথানি চাৰলে' আমাৰ
তুমি পুনৰ জনম লোৱাহি !
আশীষ নালাগে দিবলৈ আমাক,
অভিশাপকেই দিয়াহি !!

ভাষা সংস্কৃতিৰ বুৰো বুৰো নাও,
লুপ্ত জাতি লুয়েই ব'ল,
নামঘৰ ভাওনা বৰগীত সকলো
ক'ৰবাত পৰি ৰ'ল ।
তোমাৰ সোৱৰণীৰ ভেকো-ভাওনা
তুমিয়েই এবাৰ চোৱাহি ॥

শুনিছোঁ অনেক নাম জগত গুৰুৰ,
তুমিতো নাছিলা একোতে সৰু,
তোমাৰ গুণৰ নাইযে তুলনা,
তুমি গুৰুৰো ওপৰে গুৰু ।
শাক্ত-শৈৱ মিলি সনাতন
কৰে টনাটনি চোৱাহি ॥

[১৮৯]

দেখি বুলবুল শিমলুৰে ফুল
উগুল থুগুল মন হ'ল উলাহে আকুল।

শালিকীয়ে শুনাই গ'ল কিনো ৰাগৰে তান,
দূৰে দূৰে কোনে গালে ফাগুন অহাৰ গান।
আশাৰ কলিয়ে পাহি মেলে কৰি আলফুল ॥

নীলা নীলা আকাশতে ৰঙা ফুলৰ মেলা।
উকা পথাৰ নিকা হ'ল শুকান শীতৰ বেলা,
ৰিঙা ৰিঙা মন আজি কিয় বিয়াকুল ॥

নিজম নিশা          বিজন বনত
    শুনি কেতেকীৰ হিয়া ভগা মাত,
পৰিছে মনত          আজি তোমালে'
    তুমি আছা ক'ৰবাত !!

ওমলা ঘৰৰ          ধূলি বালি সনা,
    শৈশৱৰ সেই দিনবোৰ,
ক'তে হেৰুৱালোঁ          ল'ৰালিৰ দিন
    যৌৱনৰ মৌ-মন মোৰ ।
জীৱনৰ জটিল          কোনোবা কেঁকুৰিত
    পাই হেৰুৱালোঁ বাট !!

তোমাৰ বাটেৰে          তুমি গুচি গ'লা.
    পাহৰি পুৰণি বন্ধু,
আমাৰ প্ৰীতি          মৰম-ভালপোৱা
    অতীতৰ হ'ল এলান্ধু ।
কেতেকীৰ মাত শুনি          বুকু বিষায়
    নেজানো কি বেদনাত !!

[১৯১]

ফুলিছে মহঁৰা ফুল মোহনীয়াহৈ
বলিছে মলয়া বা জিৰজিৰকৈ,
উৰো উৰো কৰিছে মন পখীহৈ
দূৰণিৰ দেওঁলগা দিকচৌ বনলৈ ।

তল ভৰি সৰা ফুলে সপোন ৰচিছে
ৰঙে ৰূপে গোন্ধে আজি মন মুহিছে,
সেয়া জানো বনদেৱী অভিসাৰিকাহৈ
নিৰিবিলি নিজানত বাঁহৰ সাজিছে ।
পথৰুৱা পথত শুনো বাঁহী চিকুণকৈ ॥

উদং আকাশ উদং পথাৰ উদঙীয়া নৈ,
যাব খোজে উদং মনে বান্ধোন চিঙি থৈ,
বনৰীয়া বনফুলে বৰণীয়াহৈ
ৰঙাই গ'ল মোক আজি ৰমণীয়কৈ ।
বিজন বনত পখীৰ কূজন শুনো বৈ বৈ ॥

[১৯২]

দলুদোপ্‌ দলুদোপ্‌ হেন্দোলদোপ্‌
খোজৰ ভৰত কঁপে ধৰাতল,
কি জল কি থল আকাশ পাতাল
পাহাৰ কন্দৰ সমতল।

বিশ্ব-ব্ৰহ্মাণ্ডৰ ইফাল সিফাল
মানুহৰ কৌতুহল,
গৌৰী-শিখৰ অতল সাগৰ
মানুহৰ চলাচল।

পুৰুষ-প্ৰকৃতিৰ তয়াময়া ৰণ
চোৱা কি ফলাফল,
মানুহে মাৰি প্ৰকৃতি আজি
পিব খোজে হলাহল।

[১৯৩]

সমাধিত মোৰ নুৰুবা মালতী ফুল
নালাগে বকুলৰ ছাঁ,
মইতো নাজানিম ৰ'দনে বৰষুণ
মলয়া ফাগুনৰ বা ।

নেজানিম দিন-ৰাতি মৌন কোলাহল
প্ৰভাতী পখীৰ কুজন,
পাম জানো বুজি আজিৰ দৰে
পৰ কোন আপোনজন ।
বহাগী বিহুৰ বিহু ঢোল শুনি
নাচিব জানো মোৰ গা !

এনেকে এদিন মনত পেলাই
পাহৰি পেলাবা মোক,
মই নিবিচাৰো মোৰ বাবেই
চিৰকাল পাবা কিয় শোক ।
সেয়েহে ক'লো মালতী বকুল
নালাগে নুৰুবা !!

[১৯৪]

তোমাক ভাবিছিলোঁ    চিন্ময়ী বুলি
চঞ্চলা চপলা,
আজি দেখিলোঁ    মৃন্ময়ী তুমি
মাটিৰ পুতলা !!

ফাগুনৰ দৰে    আহিবা উভৈৰ,
আবেগত উতলা,
বহাগৰ দৰে    সুগন্ধি সুবাসে
পাতিবা ফুলৰ মেলা ।
পাষাণী তুমি    প্ৰাণ নাইকিয়া
তুমি যে অচলা !!

উটি গ'ল মোৰ    আশাৰ বালিচৰ
বালিচন্দা বুটলা,
কাঢ়ি লৈ গ'লা    দুহাত উজাৰি
চিন একো নথ'লা ।
নাভাবিবা তুমি    মই হ'লো বুলি
আৰু দুঃখী নিচলা !!

[১৯৫]

আজি বিহুতলী উদুলি-মুদুলি
নাচোঁ নাচোঁ লাগিছে গা,
ঢোলৰ ছেৱে ছেৱে নাচনী নাচিছে
নাচোনত নিচিনি পা !!
অ' মোৰে চেনাই ঐ নাচোঁ নাচোঁ লাগিছে গা !!

কুউ কুউ কুলিয়ে মাতিলে
ৰৈনো ৰৈ কেতেকী বিনালে,
বলিছে বতৰৰে বা,
কোমল কুঁহিপাতে
মৰম চেনেহতে
বহাগক আদৰিলে চা !!
অ' মোৰে চেনাই ঐ নাচোঁ নাচোঁ লাগিছে গা !!

ব'ই ব'ই বিহুৰে বিহুৱান
যাচিছোঁ ৰাইজ ঐ মহীয়ান
বিহুৱে দিছেহি সাহ,
ধুই নিকা কৰিমে
ধূলি মলি মনৰে
নোৱাৰিন হালধি মাহ ।
অ' মোৰে চেনাই ঐ নাচোঁ নাচোঁ লাগিছে গা !!

[১৯৬]

খট্ খট্ খট্ খট্ খট্ খট্ খট্ খট্
দেৱালৰ সিপাৰে
সীমাৰ সিপাৰে
ৰণুৱা ঘোঁৰা কৰে অহা যোৱা
কদমত চেকুঁৰি !
আমাৰ আছেনে নাই তাত প্ৰহৰী !!

দেশৰ আকাশ জানো হ'ল মুকলি
শত্ৰু নিপাত কৰি দিলা জানো সমূলি
ঘৰ-বিভীষণ দেখোঁ তোমাৰ ছাঁয়াৰ দৰে,
তোমাৰ লগতে আছে হৈ লগৰী !!

নহয় সময় এয়া টোপনি যোৱাৰ,
নহয় সময় এয়া হেতালি খেলাৰ
আমি য'ত আছো সেয়া ৰণথলী
চলন্ত আমাৰ ৰথৰ চকৰি !!

[১৯৭]

পৰৰ কাৰণে দিয়া স্বাৰ্থ বলিদান
এই জীৱন-মন সকলো দিয়া,
তেনে সুখ আছে জানো আৰু ক'ৰবাত
নিজৰ কথা পাহৰি যোৱা।

বধিৰজনৰ চোৱা অধীৰ আকুল মন
কি কয় শুনাচো এবাৰ,
অন্ধজনে চোৱা বন্ধ ঘৰত ঘূৰি
বিচাৰি ফুৰিছে দুৱাৰ।
মূকৰ মুখত মাত অন্ধক লাখুটি
সহায়ৰ দুহাত মেলি দিয়া !!

সত্যৰ বাবে যুজোঁ সত্যৰ হ'কে মৰো,
মৰণেও আনে মান,
এবাৰেই জনম আৰু মৰণো এবাৰ
ভীৰুহৈ মৰিবা কিমান।
জীৱনৰ আছে আৰু গভীৰ অৰ্থ
এটিবাৰ ভাবি চোৱা !!

[১৯৮]

পাহৰো বুলি জানো পাহৰিব পাৰি
এৰি অহা জীৱনৰ ঘাট-প্ৰতিঘাট
নুশুনো বুলি জানো থাকিব পাৰি
ময়নাজনী মতা মৰমৰ মাত।

'তোমাৰ মুখলৈ নাচাও বুলি কৰোঁ
কত মান-অভিমান,
তোমাৰ কাষলে' নাযাও বুলিও জানো
পাওঁ কিবা পৰিণাম!
তুমি আহি পিচে কাষত থিয় হ'লে
হিয়া পৰি যায় শাত!!

দোষে গুণে জানা আমাৰ ই জীৱন,
ভুলে ভালে পিটিকা-সনা
গৰলৰ মাজতো এটোপাল মৌ
তুমিওতো এই কথা জানা।
এই বাটে আহোতে এই কথা ভাবোতে
কতবাৰ হেৰুৱালো বাট!!

[১৯৯]

জনমৰ লগনত
পৃথিৱীত পৰিয়ে
যেতিয়া দিছিলা কান্দি,
জানানে তেতিয়া তোমাৰ বাহিৰে
সকলোটি আছিলে' হাঁহি ।

জীৱন কৰা তেনে মহীয়ান
তেনে গুণে হোৱা গুণী,
বিপদৰ স'তে কৰা আলিঙ্গন
মৰণে য'ক হাৰমানি ।

মৰণৰ সতে হ'বা মুখামুখি
চকুত নাই চকুপানী,
তোমাৰ অবিহনে সিদিনা সকলো
কান্দে যেন হিয়া ধুনি ।

[২০০]

দুখৰ দিনত সুখৰ সপোনে
হৃদুৱায় কন্দুৱায়।
উৰুঙা মনৰ সুৰুঙাৰে কোনে
আজি মোক ৰিঙিয়ায়।

বাউলি ফাগুনে জ্বলালে গোপনে
বেথাৰ পলাশ-বন,
মোৰ চোতালৰ দুৱাৰি ডৰাতে
হেৰুৱালে সৰগী ধন।
ফাগুনৰ গান শুনো গুণগুণ
অতীতক সোঁৱৰায় !!

ক'তে হেৰুৱালো জীৱনৰ ৰং
ক'তে হেৰুৱালো মন,
পায়ো হেৰুৱালো প্ৰাণৰ লগৰী
জীৱন কৰি উচন।
ভঙা কলিজাৰ বিষন্ন বেদনা,
কোনে দিব পাহৰায় !!

ৰণুৱা ঘোঁৰাই জনা হ'লে
মৰণৰ আগমন,
পৰুৱাৰ পাখীয়ে বুজা হ'লে
অগনিৰ প্ৰজ্বলন ।
কিয়নো কৰিব জনা ভুলবোৰ
নজনা ভাৱতে !!

গীত গালোঁ কিয় মধুৰ মুখৰ
মিঠা সংগীত ৰচনা,
অবুজন যৌৱন পৰুৱাৰ পাখি
পতনৰ তাতে সূচনা ।
কোনে খেলে খেল দেখিও নেদেখোঁ
চকুমেলি চাওঁতে !!

ক'ইটৰ আঁচোৰত দুহাত ৰাঙলি
ফুল চিঙিব খুজোতে,
বুকুৰ পাজৰ মুচৰি ভাঙিলোঁ
সুখৰ সপোন দেখোঁতে ।
উজুটিত ভাগিছে ভৰিৰ আঙুলি
পায়ো হেৰুৱাৰ দুঃখতে !!

হেৰুৱা অতীতৰ ডুখৰীয়া কাহিনী
মোৰ বাবে সেয়ে হীৰা-মুকুতামণি,
নিনিবি আজুৰি পেৰা পুৰণি
হে নিষ্ঠুৰ পাহৰণি।

এই বাটে বাটে বহু ভুল বুটলি
দুঃখৰ বোজা ল'লো বুকুত আঁকোৱালি
এসাগৰ হলাহল অমৃত এধানি
অতীতৰ সোঁৱৰণী !!

সাঁচতীয়া মোৰ অতীত সোণোৱালী
কল্পনা মোৰ ৰূপালী জোনালী
ভঙা কলিজাৰ জোৰা টাপলি
জীৱনৰ সামৰণি !!

উৰুঙা ফাগুনৰ মন উৰা বতৰত
অকলে ক্ষণ লেখি লেখি
মই যেন এজনী কপৌ চৰাই,
ভগা মোৰ ডেউকা পাখি ।

বনজুই জ্বলিছে কুঁকুহা উৰিছে
বলিছে পছোৱা বা,
পলাশ ফুলিছে মদাৰো ফুলিছে
লঠঙা শিমলুৰ গা ।
শিমলু ডালত যুৰীয়া শালিকী
বহিছে কটালি পাখি ॥

চৰাইৰ দৰেই মানুহৰো ভাগে
উৰো উৰো কৰা মন,
আশাৰ পথাৰো ইদৰে এদিন
উকা হৈ পৰে চন !
কিনো হ'ব ভাবি হুমুনিয়াহ কাঢ়ি
সময় চকুৰে নেদেখি ॥

তোমালৈ বাট চাই চাই মই
বেজাৰত ভাগৰি পৰো,
তেনেতে এদিন হঠাতে আহিলে
দুঃখবোৰ পাহৰো ।
আকউ আশাতে আঙুলিত ক্ষণ গণো,
তোমালৈ বাট চাই চাই !!

অহা বাটে আহে বৰ্ষা-বসন্ত,
আহি গুচি যায় শীত হেমন্ত
ঋতু আহে ঋতু যায় ॥ তোমালৈ' বাট চাই চাই !!

এন্ধাৰৰ আঁৰে আঁৰে আহিছিলা তুমি
এন্ধাৰতে মিলি গ'লা নেদেখিলো জুমি,
বহুদিন তুমি অহা নাই । তোমালৈ' বাট চাই চাই !!

[২০৫]

ফাগুন তুমি নাহিবা,
জোৰা টাপলিদি বান্ধিছোঁ বুকু
আৰু ভাঙি নাযাবা।

পছোৱাই আহি হিয়া নচুৱায়
অতীতক দিয়ে সোঁৱৰাই,
পলাশ মদাৰে ৰঙে নৰঙায়
হৃদয়ত জ্বলায় জুই।
ইদনে বহুবাৰ কন্দুৱাই গ'লাহি
আৰু তুমি নাহিবা।

বাকী আছে মোৰ ভগা কলিজা
মন বুলিবলৈ নাই,
সেই পুৰি যোৱা দুঃখ যাতনা
মাথো আছে থুপখাই।
এনেটি দিনতে জীৱনৰ লগৰী
হেৰুৱালোঁ ক'তেবা !!

ঢালি বাকি দিলোঁ    সঁচা ভালপোৱা
অন্তৰ উজাৰি,
কলিজা আঁচুৰি    বহু তেজ বোৱালোঁ
নিগৰি নিগৰি ।

কত কবিতাৰ    ছন্দ সজালোঁ
দুলৰি লেছাৰি,
নিজৰ মাজতে    নিজকে হেৰুৱালোঁ
নেপালোঁ বিচাৰি ।
অথলে গ'ল মোৰ    কত অভিসাৰ
নেপালা বাতৰি ॥

উচুপি উচুপি    চকুলো টুকিলোঁ
লুকুৱাই লুকুৱাই,
দুঃখৰ কোলাতে    নিজকে সপিলোঁ
নিজকে নিচুকাই ।
বিচাৰি বিচাৰি    খালো হাবাথুৰি
তুমি ৰ'লা আঁতৰি ॥

[২০৭]

মানুহৰ মন অতল গভীৰ
তাৰ তুলনা নাই,
দীঘে বাণি বোৱা চিন্তাধাৰা
উৰাদিহ কোনে পায়।

সচাঁ-মিছা ভাল-বেয়া
এই আছে এই নাই,
সুখৰ দুঃখৰ মনেই কাৰণ
মনৰো ঠিকনা নাই।

মানুহ বান্দৰ মানুহ সুন্দৰ
মানুহেই দেৱগণ,
মানুহে যম মানুহেই সঙ্গ
পৃথিৱী চিৰন্তন।

পৃথিৱী তোমাৰ শান্তি কাঢ়িব খোজে কোনে
যুগমীয়া ইতিহাস কৃষ্টি সংহতি
নিঃশেষ হ'ব দিবানে ?

দেশে দেশে ৰণ-হুঙ্কাৰ তোলে
শংকা-ভয়ে মনৰ আকাশ চুলে,
মহাসমৰৰ মৰণ বিভীষিকা
নীৰৱে চাই ৰ'বানে ?

তোমাৰ দেহৰ তেজপানী শুহি
কৰে চোৰা কেনে অতপালি
হিংসা বিভেদ ধুই নিকা কৰি
মৰম সিঁচি দিবানে ?

[২০৯]

মোৰ অনুৰোধ হে পাহৰণি
পাহৰাই দে মোক অতীতৰ সোঁৱৰণী ।

পাহৰিব খোজোঁ মই ল'ৰালি দিনৰ কথা,
পাহৰিব খোজোঁ সেই ৰং সেই হাঁহি
মুকলি মুৰীয়া মনৰ কথা !
হেৰুৱা দিনবোৰ মচি যোৱা ছবিবোৰ
পাহৰিব খোজোঁ পুৰণি ॥

পাহৰিব খোজোঁ মই মৰমৰ প্ৰহসন
ভালপাওঁ বুলিকৈ মোহাৰি মুছাৰি
ভাগে কলিজা চনকা মন ।
সেয়েহে পাহৰণি তৰি দে আৱৰণি
ঢাকি জীৱনৰ দুৰ-দুৰণি ।

[২১০]

বহুদিন বহুবাৰ খুজিছিলা আহি
ৰঙাফুল এপাহি,
তোমাহি আজি তাকেই দিছোঁ
ৰঙা গোলাপ ইপাহি !

কি হ'ব ফুলেৰে মৰম যাচি
কি হ'ব কথাৰে কাব্য ৰচি
যদিহে নাথাকে সচাঁ ভালপোৱা !
দুহাত মেলিও ৰ'লা কিয় থমকি !!

মিছা প্ৰহসন মিছা চকুপানী,
ক্ষণিকৰ এই জীৱন ধৰণী,
কাইলৈ এটিৰো নাথাকিব চিন
নিঠুৰ সময়ে যাবযে গছকি !!

[২১১]

মোৰ মনৰ কলুষ কালিমা
ধুই দিয়া তোমাৰ ক্ষমাৰ এচলু পানীৰে ॥

অন্ধকাৰ আপচু মোৰ পৃথিৱী
কৰি দিয়া জ্যোতির্ময়
তোমাৰ বিমল জ্যোতিৰে ॥

দিশহাৰা পথিক আজি যে মই
দিবানে এধানি সংহাৰি
এগছি চাকিৰ ধূপেৰে ॥

[২১২]

তোমাক দেখিয়ে ভাল লাগি গ'ল
নুসুধিলো তুমি কোন,
তোমালৈ বুলি হাত মেলি দেখো
তুমি দুৰণিৰ জোন।

কিয়বা লাগিছিলে মৰম মৰম
লাগিছিল কিয়বা আপোন আপোন,
নাজানো কিয়বা লাগিছিল মোৰ
ছয়া-ময়া তুমি চিনাকি সপোন।
তোমাৰ বাবে মোৰ জগতৰ
নাথাকিল একোৰে গোপন ॥

নেদেখো তোমাক আজি নুশুনো মাত,
মাজত বাধাৰ প্ৰাচীৰ,
আমি দুয়ো হ'লো দুটি চকোৱা
দুঃখৰ দোভাগ ৰাতিৰ।
তোমাৰ সোঁৱৰণী ডুখৰীয়া ছবি
মন মোৰ ভগা দাপোণ ॥

[২১৩]

মোৰ এই সংগীত ৰচনা,
হৃদয়ৰ সঞ্চিত বেদনা।

যাৰ বাবে ভূগো জীয়াতু যাতনা,
আপোনহে কৰে চাতুৰী ছলনা।
এই পৃথিৱীৰ এই মানুহৰ
কিনো দিওঁ তুলনা !!

ক'তে হেৰুৱালোঁ বুকুৰ বাসনা,
সময়ে কাঢ়িলে মনৰ কামনা।
ধূলিৰ ধৰাত মাটিৰ মানুহৰ
দেখোঁ ৰূপ কতনা !!

[২১৪]

বনেঢকা ফুল যোঁনবা
মেঘেঢকা জোন,
গাঁৱলীয়া ছোৱালী তই
জ্বয়েপোৰা সোণ।

উদাৰ মনত সাহস আছে
চকুত আছে আশা।
ওঁঠ দুখনি বোলাই আছে
সৰলতাৰ ভাষা।
খোপনি পোতা খোজ গধুৰ
বাটৰো আপোন॥

ঘামেসেমেকা গালে মুখে
তেজে ফুটোঁ ফুটোঁ,
নোদোকা নিটোল চঞ্চলা তই
চপলা দেহাটো।
চকুৰ আঁৰত তাইযে ৰূপৰ
সাজোন কাচোন॥

[২১৫]

তোৰে মোৰে বুজা-বুজি,
জনে জনে মিলাপ্ৰীতি,
ঐক্য আমাৰ অনিবাৰ্য্য,
যদি লাগে হ'ব জাতি
অসমীয়া মহাজাতি,
হিংসা বিভেদ পৰিহাৰ্য্য ।

এৰি দে ভেদাভেদ
দেৱ দেৱী কিবা সেৱ
শাক্ত-শৈৱ-সনাতন
সমাজৰ লাইখুটা,
কূট্ কেৰোণে কুটা
এৰ ৰীতি পুৰাতন ॥

তুমি মই তেওঁ আমি
এইদৰে সভাপাতি
গীত গালেই নহ'ব,
ওচৰে পাজৰে থাকি
কৰোঁ যদি হনাহনি
ধ্বংস আমাৰ অনিবাৰ্য্য ॥

দুৱাৰ খোলা—
খোলা অ' খোলা দুৱাৰ খোলা,
ভিতৰত কিযে গভীৰ এন্ধাৰ
পোহৰাই তোলা !!

সাঁথৰ ভঙা,
ভঙা অ' ভঙা সাঁথৰ ভঙা,
বধিৰজনৰ অধীৰ মনৰ
কণ্ঠ মুখৰ কৰা !!

কাণপাতি শুনা,
শুনা অ' শুনা কাণপাতি শুনা,
মুমূৰ্ষজনৰ কাতৰ্ খিনিনি
শুনা কাণপাতি শুনা !!

[২১৭]

গগনাই গগন ৰজনজনালে
ব'হাগৰ বতৰাত পথাৰে পথাৰে
গাঁৱলৈ মোৰ মনত পৰে ॥

সোণ সোণালী হ'লে ধাননি
আঘোণৰ পথাৰত
নিয়ৰমণি তিৰ্‌বিৰালে
সৰিয়হ ফুলা সময়ত।
গাঁৱলৈ মোৰ মনত পৰে ॥

মাঘৰ বিহুৰ উৰুকা ৰাতি
মেজি সাজি ইপাৰত
কিযে মজা ৰং ধেমালি
সেই নিশা দুপৰত।
গাঁৱলৈ মোৰ মনত পৰে ॥

মোৰ ল'ৰালিৰ ধূলি মাটি
পদূলি চোতালত
আইতাৰ কথা মনত পৰে
মাৰল আৰু জুঁহালত।
গাঁৱলৈ মোৰ মনত পৰে ॥

[২১৮]

ফুলহৈ ফুলি থাকা মোৰ বুকুৰ মাজতে
সুৰহৈ বাজি থাকা মোৰ মনৰ মাজতে,
মিঠা মিঠা মৰমহৈ মিলি থাকা
মোৰ কলিজাৰ কোঁহতে ॥

যদি হোৱা হিয়াজুৰি কিবা বেদনা,
কিযে ভাল সিয়ো জানা আমেজসনা।
হাঁহিহৈ থকা বিৰিঙি
মোৰ অবাক ওঁঠতে ॥

আশাহৈ যদি মোক কৰা ছলনা
মোৰ জীৱনৰ মই নাপাও তুলনা।
স্বপ্নহৈ থাকা খেলি
মোৰ সপোনপুৰীতে ॥

নৈৰ সন্বন্ধ বৰ নাই ঐ বান্ধৈ
জন্ইৰ সন্বন্ধ বৰ নাই,
জীৱৰ সন্বন্ধ বৰ নাই ঐ বান্ধৈ
কোনে কাৰ মন্খলৈ চায় ॥

জন্নিৰ পানীয়ে সাগৰ সজালে
নিয়ৰত মন্কুতা জন্বলে,
সামান্য একোটি জন্ই ফিৰিঙতি
সোণৰ লংকা দহিলে ।
সিংহকো লাগে সহায় নিগনিৰ
বিচিত্ৰ ধৰণী ভাই ॥

কেলেই কৰিছ মইমতালি
দন্দিনীয়া মিছা দেহা,
সময় থাকোতে লৱযে বেহাই
প্ৰেম পীৰিতিৰে বেহা ।
সৰগী প্ৰেমৰ অমৃতসন্ধা
ইয়াতে যদি পাই ॥

# [২২০]

এটি মাথো কথা 'ভাল পাওঁ' বুলি
নহ'ল যে খুলি কোৱা,
ফুলি সৰি গ'ল ৰঙা ফুলপাহি
নহ'ল বুটলি আৰু যে লোৱা ॥

হাঁহি হাঁহি আহি কিবা ক'ব খুজি
আকৌ উভতি যোৱা,
মনৰ কথাবোৰ বুকু ভৰি ৰ'ল
নহ'ল সদৰি আৰু যে কোৱা ।

বেজাৰে সেমেকা তোমাৰ দুচকু
লাজতে সামৰি থোৱা ।
বেথাৰে গধূৰ মোৰো ই বুকু
লেৰেলি শুকাই যোৱা ॥

[২২১]

সৰলৰ বনে বনে
সৰাপাত গছকি
আমিযে গাইছিলো গীত
ৰ'বনে মনত সেই সোঁৱৰণী
জীৱনৰ শেষ দিনলৈ।

চকিত হৰিণীৰ দৰে
চমকি উঠিছিলা
মোৰ ওঁঠৰ পৰশত,
দুগালে দুধাৰী চকুলো
বৈ আহিছিল কিবা হতাশাত।
ৰ'বনে মনত সেই স্মৃতি
জীৱনৰ শেষ দিনলৈ॥

সাগৰ তীৰত বহি
থৰ লাগি চাইছিলো
বেলি মাৰ যোৱা,
আৰু দেখিছিলো মাথো দুচকুৰে
বহু কিবা কথা কোৱা।
ৰ'বনে মনত সেই সোঁৱৰণী
জীৱনৰ শেষ দিনলৈ?

[২২২]

কিমান কোমল কিজানি ভাগে
প্ৰেমৰ লাহি পাখি,
হয়তো সেয়ে তুমিও নক'লা
গোপনে থ'লা ৰাখি।
নালাগে ক'ব ভালপাওঁ বুলি
চিৰকাল যদি কাষতে ৰোৱা।

মনৰ খবৰ তুমিয়ে দিলা,
দেহত তাৰে ক'পনি,
ভাল লাগে দেখোঁ তোমাৰ বাবেই
ধুনীয়া দেখোঁ ধৰণী।
তথাপি দেখোঁ ফুলা ফুলপাহি
পাতেৰে কিয় ঢাকি থোৱা।

[২২৩]

দেশ বুলিলে নালাগে আদেশ
এই হাতেৰে
এই মনেৰে
এই নতুন অঙ্গীকাৰেৰে
আকৌ আমি গঢ়িব খোজো
সোণৰ অসম দেশ।
আনিব খোজো শান্তি সুখৰ
হেৰুৱা পৰিবেশ ॥
সোণৰ অসম দেশ......... ॥

নীলা নীলা পাহাৰ চূড়া
বঙা নদীৰ দেশ,
চিৰ শ্যামলা আই অসমী
ৰূপৰ সমাবেশ।
ৰূপে-গুণে বৈৰী আজি তোৰ
দুঃখৰ যে নাই শেষ ॥

লাচিতৰ কথা নকওঁ আৰু
নালাগে শৰাইঘাট
ন্যায় যুক্তিৰ চোকা তৰোৱাল
তাৰেহে কৰোঁ আঘাত।
আমাৰ বাটৰ হেজাৰ হেঙাৰ
বিঘিনি নহয় বিশেষ ॥
সোণৰ অসম দেশ...... ॥

ভাগি ছিগি পৰা
কূট কেৰোণে ধৰা
আজি এই সমাজত
আমাক এজন নেতা লাগে
শংকৰদেৱ, শংকৰদেৱ ॥

সভ্য-বৰ্বৰ য'ত হ'ব এক
ধৰ্ম কৰ্মৰ নাই ভেদাভেদ
জাতি উপজাতি গোষ্ঠী গণ্ডী
একহৈ অসমীয়া আকৌ এবাৰ জাগে।
আমাক এজন নেতা লাগে,—
শংকৰদেৱ, শংকৰদেৱ ॥

অপ্ৰমাদী যি সকলো দিশত,
বদন-বিভীষণ পলায় ত্ৰাসত
সৰ্ব-মঙ্গল পথ প্ৰদৰ্শক
জাতিৰ জনক এক গুৰু লাগে।
আমাক এজন নেতা লাগে,—
শংকৰদেৱ, শংকৰদেৱ ॥

[২২৫]

গছৰ গুটি সৰি গজে গজালি
আটাইবোৰ নাবাচে কালত,
প্ৰকৃতিৰ নিয়ম জানা যোগ্যজনেহে
জীয়াই থাকে জগতত ।

জীৱনৰ যুঁজ-বাগৰ খোৱা-কামোৰা,
অহৰহ ঘটিছে দেখিবা সততে,
যাৰ নাই বুদ্ধি কিম্বা বাহুবল
মৰহে জীৱন তাৰ ঢোপা কলিতে ।
কাৰোবাৰ জীৱন সেন্দুৰীয়া আলি
কোনোবা পৰিছে খালত !!

ভাগ্য বুলি জানা নাই কোনো বস্তু
ইয়াতেই আছে সৰগ-নৰক
ইয়াতেই দেখিবা দেৱতা-অসুৰ
দুৰ্বহ জীবন থৰক-বৰক ।
কাৰোবাৰ মুখচত ফেঁচাই চিঞৰে
কোনোবাক মাতে কুলিয়ে ডালত !!

ভালপাওঁ মই মোৰ
সৰু ঘৰখনি
ভালপাওঁ চুবুৰীটো আৰু গাওঁখনি,
ভালপাওঁ মই মোৰ
জনমভূমিক
ভালপাওঁ মানুহৰ পৃথিৱীখনি !!

ভাললাগে দেখি মোৰ
নৈ-নিজৰাবোৰ
ভাললাগে নীলা পৰ্বতমালা,
আৰু ভাললাগে মোৰ
চৰাই-চিৰিকটি
বন-বিৰিখত দেখি বতাহৰ খেলা ।
সপোন সপোন লাগে যে সকলো
নেপাওঁ মই একো ভাবি-গুণি !!

ভাললাগে দেখি মোৰ
বাৰিষাৰ আকাশত
কজলা-মেঘৰ অৱগুণ্ঠন,
ভাললাগে দেখি মোৰ
নিৰ্মেঘ আকাশত
নীলিমাৰ নীলা ৰূপ বিতোপণ ।
এটি কঁাচি জোন আৰু পূপি তৰাবোৰ
কিযে লাগে দেখি শুৱনি !!

[২২৭]

আজিও কদম ফুলে আগ বাৰিষাৰ ৰাতি
আজিও কেতেকী বিনায় লগৰ লগৰী মাতি ।

আজিও যমুনা আছে নিজানে নিৰলে বৈ
আজিও ৰাধিকা আছে কাষত কলসী লৈ,
মুৰুলীৰ ধ্বনি ৰিণিকি ৰিণিকি শুনি —শুনো কাণপাতি ।।

আজিও পিৰিতি আছে বুকুৰ মাজতে শুই
আজিও কামনা আছে নিয়ম নমনাকৈ,
কদমৰ ফুলে ভাৰত ভমক তোলে আগ বাৰিষাৰ ৰাতি ।।

ওঁঠত লগাই তামোলৰ পিক্
গাত লগাই সেলেঙি
সাধু ক'লে আইতাই
চকুত লাগে ভেলেঙী ॥

মাছে কাছে উভৈনদী
আছিল হেনো দিন,
ধান-চাউল পিঠা-পনা
ফলো ভিন্ ভিন্ ।
গাওঁখনি যেন এটি পখিয়াল
কিযে ৰং ধেমালি ॥

নহয় ভূত কিম্বা যখিনী,
নহয় দানৱ সুৰাসুৰ ।
নিজৰ কথাৰে আইতাৰ সাধু,
যেন ৰসে ভৰপূৰ ।
ভোগালীৰ দিন ভটিয়াই গ'ল,
ইযে কাল কঙালী ॥

খটে খটং তাঁতেশাল
ধেংকুৰত ঢেঁকীশাল
ৰটৌ টৌ শালিকী মাতে,
মুকলি নৈ ঘাট,
শুৱনি গাওঁৰ বাট
জিৰাওঁগে বকুলৰ ছাঁতে ॥

ডুবং ডুবং ডবাতে
ৰিং ৰিং কাঁহতে
সন্ধিয়াৰ আৰতি শুনি,
গো-ধূলি উৰিছে,
দূৰৈতনো বাজিছে
ৰিণিকি মুৰুলি ধ্বনি।
ল'ৰাই খেলিছে উমলি-জামলি
কিনো ৰং গছে পাতে ॥

মোৰ যেন মাততে
ওঁঠৰেনো হাঁহিতে
সৰগ নামেযে তাতে,
উদুলি মুদুলি
পুৱা কি গধূলি
উছৰে সবাহে নিতে ॥

[২৩০]

সপোন ফুলিছে আজি সততে
সুযোগ আহিছে আজি হাততে,
নালাগে আৰু থাব হাবাথুৰি
জীৱিকা বিচাৰি বাটে ঘাটে।

লাগে যদি কোৰ-কাঁচি আৰু হাতুৰি,
লাগে যদি সাৰ শক্তি আৰু সংজুলি,
মাটিহীনে পাব মাটি যদিহে খায় নিজে খাটি,
সুদখোৰৰ ঋণ কিয় ল'বা হাত পাতি।
সেয়া আছে দলিত দুখীয়াৰ কল্যাণ আঁচনিতে ॥

সোৱোপা নিপুণ যত মুনিহ-তিৰোতা,
ভাগ্য গঢ়া আজি এৰি ভীৰুতা,
সংবিধানৰ বিধান. সম-অধিকাৰ
প্ৰাপ্যৰ দাবী আৰু জীয়াই থকাৰ,
গাওঁ আহা আজি 'বন্দে শ্ৰমেৰ জয়তে' ॥

[২৩১]

আজিও তলভৰি বকুল সৰে
বকুলৰ বনে মন আকুল কৰে,
বকুল বুটলিবলে' খেলাঘৰ সাজিবলে'
আজি তুমি নাই কাষতে ।

বহাগে বহাগে বছৰ বাগৰে,
জীৱন জটিল হ'ল দুখে-ভাগৰে,
হেৰোৱা অতীতে মন সেমেকায় ।
আজি তুমি নাই কাষতে ॥

অকলে অকলে গাওঁ কিবা গীত,
মোৰ গীতে তোমাৰ চুবে জানো চিত।
ফুলা ফুল পাহি লেৰেলি শুকায়,
আজি তুমি নাই কাষতে ॥

দেও দি দি নাচ অ' পখিলী
ফুলিছে মোৰ ফুলনি,
দেখি ফুল, ৰঙৰ মেলা বতাহেও হবলা
দি গ'ল তাতে দোলনি ॥

লাহি মিহি পাখি দুটি
আলসুৱা তোৰ দেহাটি
মন যায় মৰমতে দিম মোহাৰি,
চিল্‌মিল্‌ টোপনিতে
জিল্‌মিল্‌ দিঠকতে
আজি তোক পালোঁ বিচাৰি ॥

লেৰেলি শুকায় ফুল
মোৰো যে ভাগে ভুল
তোৰো ৰূপ চকুৰ জুৰণি ।
তিৰ্‌বিৰ্‌ পোহৰতে
এই দিন দুপৰতে
ৰঙাই যা দূৰ-দূৰণি ॥

[২৩৩]

সংহতিৰ নামত ধৰ্ম-ভাষাৰ কথা
থাকিলে দোহাৰি
অচেতন জনো হয় সচেতন
যি কথা আছিলে পাহৰি !!

অশ্বত্থমা হতঃ কিন্তু এটি গজ,
ইযে এক ভয়াবহ নীতি
পৰিহাৰ কৰা হেৰা পৰকাললৈ
কলিজাত আছে যদি ভয়-ভীতি ।
স্বাৰ্থ-জড়িত তোমাৰ আঁচনি
পেলাব সময়ে মোহাৰি !!

জন-মানসত দিয়া আশাৰ আশ্বাস
সুখ লাভৰ সুযোগ ।
নিৰাময় কৰা যদিহে পাৰা
পৃথিৱীৰ যত দুৰ্যোগ ।
এবাৰ ভাবি চোৱা এবাৰ মাথো
সবিনয় মোৰ গোহাৰি !!

[২৩৪]

কলং কপিলী লুইতৰ বুকুৰেদি
বৈ যায় তেজৰে ধাৰ,
কিমানৰ সংসাৰ হৈ গ'ল সংহাৰ
কাৰোযে আনন্দ অপাৰ।

ধৰ্ম-ভাষা আৰু জাতি-বৰ্গৰ
(আজি) উমি উমি জুই জ্বলে
হিংসাৰ দাবানলে গ'ল মহাটিয়াই
পুৰি ছাই কৰি থ'লে।
লুইতৰ দুয়োপাৰে কোনে লগাই গ'ল
আজি এই হাহাকাৰ !!

কোনে ৰুই গ'ল সাৰুৱা মাটিত
বিহ মেটেকা আনি,
বাঢ়ি আয়াসতে চকুৰ প্ৰসাৰতে
ইদৰে পেলালে ছানি।
জীৱন-মৰণৰ দোমোজাত আমি
সংগ্ৰামেই সঙ্গী আমাৰ !!

[২৩৫]

বতাহতে হালে জালে
কাকিনী তামোলৰে পাত,
ভাঁহি আহে দূৰৈৰ পৰা
ৰিণিকি বাঁহীৰ মাত ।

সৰি পৰে এটি দুটি
শুকান পকাপাত,
মৌ-পিয়া প'খীটিয়ে
মাতে কিবা মাত ।
ৰিঙা ৰিঙা পথাৰৰে
আওহতীয়া বাট !!

এটি মিঠা শিহৰণ
জাগে কলিজাত,
ইচাটি-বিচাটি দেহ-মন
কিবা ভাবনাত ।
উদং উকা নৈ খনি
নিৰিবিলি ঘাট !!

[২৩৬]

মোৰ আইক মই ভাল পাওঁ
কি জগৰ লগালো কৈ।
তহঁতৰ ভয়তে নীৰৱে থাকিম জানো
মূক বধিৰ হৈ ॥

উৰ্ভতগোৰে নাচে ৰজা ৰাজেসভা
অঁকৰা মৈতে উঠি,
ডা-ডাঙৰীয়াই কৰে ধপচালি
নিজৰে আবেগত উটি।
শতৰুক নিচিনি আপোন কৰি ল'লে
মজিয়াত দিলে যে ঠাই ॥

মোৰ চোতালতে অঘৰী হ'লো মই
মূধছত শগুণ পৰে,
শিয়াল-ফেউৰাৰ বিকট চিঞৰে
নিশাৰ টোপনি হৰে।
তোৰ সন্তানৰ তেজৰ চেকুৰা
তয়ো চিনি পোৱা নাই ॥

[২৩৭]

দুটি সন্তান — এটি সৰু পৰিয়াল,
সদা শান্তি সদা সুখ চিৰ ৰঙিয়াল,
পুত্ৰ-কন্যা এবাহেৰে হ'লে পৰিয়াল,
কাউৰীবাঁহ যেন নিতে খৰিয়াল।

অনিদ্ৰা অনাহাৰ আৰু হাহাকাৰ
নৰিয়াত লেটি-পেটি পুষ্টিহীনতাৰ
জনম পালেই বুলি মানুহৰূপ ধৰি,
কেনেকৈনো হ'ব সিটো সুঠাম পাহোৱাল।

অযতন অৱহেলা অভাৱ অনাটন,
ঘৰ হয় বাঁহতল ৰীতি পুৰাতন,
শতিকাৰ সংকেত শুনা সৰু পৰিয়াল
মুখে মুখে মিঠা হাঁহি (কি) মৰমীয়াল।

[২৩৮]

ভাটিৰ দেশৰ কুৰুৱা তই
কেলেই ডাক দিলি,
এৰিথৈ আহিলো ক'তে ঘৰবাৰী
বণিজ বেহাম বুলি।

অ' .......
চপাই দে তোৰ নাও নাৱৰীয়া
চপাই দে তোৰ নাও,
চিনাকি এই ঘাট
চিনাকি এই বাট
মেঘে মেলিছে চুলি।

অ' .......
পছিমৰ আকাশ হ'ল ৰঙচুৱা
ডুবো ডুবো বেলি,
সিপাৰত কোনেনো
আহিছে ঘাটলৈ
চেনাইকে লগ পাম বুলি।

[২৩৯]

মই লিখি আছোঁ দিনৰ দিনলিপি
তুমি গভীৰ টোপনিত
নিশাও নিবিড় গভীৰ হ'ল
দূৰৰ বিজন বননিত ।

দিনবোৰ আছেগৈ নদীৰ দৰে বৈ
গতি তাৰ অতি গোপন ।
তোমাৰ দেহত পথৰ ক্লান্তি,
দুচকুত আশাৰ সপোন ।

আমাৰ যৌৱন ফুলিছে মাথোন
ক্ষণিকৰ এই ফুলনিত ।
তৰঙ্গ ৰাশিৰে ভৰা সংসাৰ সাগৰত
গৈ আছে জীৱনৰ নাও ।

তোমাৰ হাততে দিলোঁ গুৰি বঠা,
মই (মাথো) পালতৰি দিওঁ ।
ধুমুহা চাকনৈয়া পাৰহৈ যাবগৈ
শত বাধা বিঘিনি ।

[২৪০]

নিবেদিলোঁ আই মই ভক্তিৰ অৰ্ঘ
দুই চৰণ তোমাৰ,
নিবেদন ই মোৰ বিমল প্ৰেমৰ মাথোঁ,
নাই ষোড়শ উপচাৰ ।

গোৱা মই শুনিছোঁ তোমাৰ জয়গান
ওৰে নিশা ওৰে দিন,
সেই সুৰে সুৰে বাজিল গোপনে
মোৰ হৃদয় বীণ ।
নাই চন্দন অগৰু ধূপৰ ধোঁৱা,
কুসুমৰ মালাধাৰ ।

লাগে যদি দিওঁ তেজৰ তিলক
তোমাৰ কপাল শুৱাই
লাগে যদি দিওঁ ভক্তি অঞ্জলি
তোমাৰ চৰণ ধুৱাই ।
আঁপলোঁ জীৱন তোমাৰ বেদীত
ঠাই তুমি ভৰষাৰ ।

[২৪৯]

তোমালৈ মোৰ পৰিছে মনত
আজি ৰহাগৰ প্ৰথম পুৰা,
কৃষ্ণচূড়া সোণাৰু ফুলৰ দৰে
নহয় যদিও মন ৰঙচুৰা।

মাধৰী নিশাই মনত জগায়
বিৰহ বিধুৰ বেদনা,
ফুলতী বনত মালতী জয়াল
কিযে অপূৰণ কামনা।
নিশা সাৰ পাই শুনিছানে বাৰু
কেতেকীয়ে কিবা কোৰা !!

বুঢ়া আঁহতৰো সেউজী সপোন
কুঁহি-কোমল বিৰিণা,
নাহৰ পাহত এহালি ৰাঙলী
পৰি ৰ'ল পাখিলা।
এই বা-ছাটি যদিও চিনাকি
লাগে কিয় আঁচহুৰা !!

ওৰেটি জীৱনে নিৰাশাকে পালোঁ
তথাপি হেঁপাহ জীয়াই থকাৰ,
মৰুৰ মাজৰ তৰুৰ দৰে
সেউজী শীতল সপোন ৰচাৰ ।

জীৱনলৈ' আহে সুখ মাথোঁ হৈ
উৰন্ত মেঘৰ ছাঁ,
যৌৱন আহে ক্ষণিকৰ বাবে
ফাগুনৰ পছোৱা বা !
ছন্দ বিচাৰি খালোঁ হাবাথুৰি
জীৱন-জীয়া কবিতাৰ ॥

নিতৌ নতুন চতুৰ লালসাই
কৰে কত ছলনা ।
নোপোৱাৰ দুখ পায়ো হেৰুৱা
আৰু কত বেদনা ।
আউসী শেষত কাচি জোনৰ
আশা মাথোঁ পূৰ্ণিমাৰ ॥

[২৪৩]

আহাৰৰ আজি এই প্ৰথম পুৰাতে
থোপা থোপে সোণাৰু লৈ দুহাতে,
সুৰ-পাগলী কোন তুমি কন্যা,
ৰূপৰ বাসনাৰে তুমি যে অনন্যা।

কোন বাটে আহিলা কাৰেনো সতে,
উৰি উৰি আহিলা বতাহতে,
লুকাই আছিলা জানো এই আকাশতে।
কাৰ বাবে তুমি আজি হ'লা উন্মনা,
বসুধা বুকুত মাথো পৰি ৰ'ল,
হেজাৰ বলীয়া বাসনা।

কৃষ্ণচূড়াই কিনো বেদনাৰে আজি
উচুপি উচুপি ৰ'ল
সোণাৰুৰ সোণালী ছাঁয়াতে।
তোমাৰ নেপুৰ ধৰ্বনি শুনি
তৃষ্ণাতুৰ চাতকৰ বিননি,
আকাশকো কৰিলে আমনি।
বহুদিন সঞ্চিত কামনাৰে
যাচিলা হেজাৰ মৰম
পৃথিৱীক সাৰটি দুহাতে।

ঘটনা বহুল          উজাগৰী ৰাতি
কাহিলি পোহৰ হ'ল,
টিপ্‌ চাকিটিৰ          তেল-শলিতা
পুৰি পুৰি শেষ হ'ল।

নতুন প'খীয়ে          নতুন সুৰাৰ
নতুন গীত জুৰিব,
নতুন আশাৰে          নতুন পণেৰে
পৃথিৱী পুনু ঘূৰিব।
মোৰ বেদনা          নিশাৰ শেষত
নীৰৱে উচুপি ৰ'ল॥

ভাবিছিলোঁ তোমাক          আৰু লগ পাম
বিদায়ৰ লগনত,
সঙ্গী হ'ল মোৰ          মাথো নিৰাশা
অকলশৰীয়া জীৱনত।
জীৱন বীণাৰ          শেষ সুৰটি,
লাহে লাহে মাৰ গ'ল॥

[২৪৫]

নিচেই চিনাকি এই নদীখনি
অঁকাই-পকাই বয়
ঢৌ তুলি তুলি বয় নিৰবধি
পিচলৈ উভতি নাচায় !!

কত গিৰি-গুহা বন-উপবন
পাৰহৈ সমতল,
বৈ গৈ নদী কুলুকুলু কৰি
মোহনাত মিলি গ'ল ।
সাগৰ কোলাত ভাগৰ বাটৰ
কিদৰে পলুৱায় !!

সোঁত ভটীয়নি নাও ভটীয়নি
গীত ভাটীয়ালি গাওঁ,
দুখৰ দিননিশা ডকা-চাকেনৈয়া
পাৰহৈ আগুৱাওঁ ।
ধুমুহা শেষত যিদৰে সকলো
শান্ত নীৰৱ হয় !!

মোৰ গালে-মুখে কালৰ আঁচোৰ
দুচকুত তন্দ্ৰা-ভাগৰ !!

নাজানো কিমান উতলা বতাহে
জীৱন গ'ল গৰকি,
নাজানো কেতিয়া দিন মাহ বছৰ
কোনি গ'ল সৰকি।
জোৱাৰৰ অন্তত যেন শুই পৰা
স্থবিৰ এখনি সাগৰ !!

হাঁহিৰ হিল্লোল সুৰৰ কল্লোল
বেদনাৰ হলাহল,
সুখৰ দুখৰ লেখ নাইকিয়া
মায়াময়ী ধৰাতল।
ভাগি গ'ল ধুমুহাই আশাৰ ঠাল-ঠেঙুলি,
মন মোৰ অলৰ-অচৰ !!

[২৪৭]

কালে আঁচোৰা দেহা-মন
চকু কোটৰত বহা,
কিয় তেনেকৈ হ'হা আইতা
(মোৰ) মনৰ হেৰায় দিহা।

জীৱন-দেহা মিছা বেহা
মাথোন তিতা-কেঁহা,
আপোনে আপোনাৰ বৈৰী হেনো
ছলেৰে তেজ সোহা।
তাকে কৈয়ে কান্দিছা নেকি
নে তেনেকৈয়ে হঁহা ॥

সুখ দুঃখ মনৰ কথা
মনেই বুজা টান,
সুখ দুঃখৰ মাপ কাঠি
নিজেই নহয় আন,
তথাপি কিয় পোৱাৰ আশা
মনত থাকে পোহা ॥

[২৪৮]

বাটৰ কাষত বহি এবেলি ভাবিছোঁ
যাত্ৰাৰ শেষ কেনি পাম ?
হেৰুৱা দিনৰ হাঁহি-কান্দোনৰ
—স্মৃতি মচি গুচি ষাম !

আওবাটে আহিলোঁ
বাট কুৰি বাই —
কোনোবাই সকিয়াই দিলে,
আৰু ক'লে কোনোবাই
সকলো বাটৰ শেষ
ক'ৰবাত এটিহে মিলে ।
বগুৰা বাই কেতিয়ানো মই
বাটৰ সঙ্গম পাম ?

দূৰণিত দেখিছোঁ
কাল বিভীষিকা
ধুমুহা আহিছে ঘোৰ,
মনৰ চকু মেলি
চালেও নমনি
অচিন বাটৰ ওৰ ।
বেজাৰে গৰকা ক্লান্ত দেহেৰে
কেনেকৈ আগুৱাম !!

[২৪৯]

রাতি নিবিড় নিবিড় লাগিছে
নিজানত নিঝলে জোনাক নামিছে
শান্ত—সুবিমল।

ফুলিছে রজনীগন্ধা স্নিগ্ধ কোমল
মলয়া বতাহে কাঢ়িয়ায়— পৰিমল !!

নাচিছে নাচনী নদী কৰি জলমল
ৰূপালী লহৰী তুলি তাতে টলমল !!

ক'লৈনো ওলালি অ' কুঁজীবাই মন্থৰা
কাকে কিনো ক'বলৈ দিবলৈ মন্ত্ৰণা,
কতজনৰ মনত তই চিন্তাৰে মৰণা.
তোৰ বাবেই সমাজত কত দুঃখ যন্ত্ৰণা।

কুঁজীবাই অ'—
কোন কৈকেয়ীক দিবিগৈ কি অভিসন্ধি,
ছল-চাতুৰীৰ তোৰ জালত ফাক কৰিবি বন্দী,
কিনো পাৰ তাৰে তই কি তোৰ ধাৰণা
লোকৰ সংসাৰ উছন কৰা কি তোৰ তাড়না।

কুঁজীবাই অ'—
বুঢ়া বগলীৰ সাধুকথা নিশিকিলি চাগে'
ঠগোতাকো কোনোবাই কেনেকৈযে ঠগে,
কাবৌ কৰি কৈছোঁ বাই এৰ ঠগ-বঞ্চনা,
লোকৰ বাবেই বিলাই দে জীৱন কৰি অৰ্চনা।

[২৫১]

বাহিৰত বৰষুণ পৰিছে
শাওণী সন্ধিয়া নামিছে
বন্ধ কোঠালি আছোঁহি অকলে
তোমালৈ মনত পৰিছে।

সেমেকা বতাহজাকে সেমেকালে মন
তুমি অহাৰো উকলিলে ক্ষণ,
অদূৰৰ পাহাৰ চূড়া
মেঘে ঢাকি ধৰিছে।

ডাৱৰে বৰষি গায় বৰষাৰ গান
পৃথিৱী ৰসাল হয় উৰ্বৰা প্ৰাণ,
নিৰাশাৰ এন্ধাৰ নামি
মন ক'লা কৰিছে।

# [২৫২]

মৰম-চেনেহো বস্তু-বাহানি
আমি কৰোঁ কিনা-বেচা,
দেখিও নেদেখোঁ আমি দিনকণা
কিনো সঁচা কিনো মিছা।

তুমিও কিয়নো দুঃখৰ বিপৰীতে
সুখৰ সপোন ৰচা,
দূৰতে বিদূৰ কৰি কাৰোবাক
আদৰ সাদৰো যচা।

পাৰা নেকি ক'ব লোকৰ কাৰণে
সকলো বিলাই দিছা,
চাহি-মুহি দেখোঁ আনৰ সকলো
নিজৰ কৰিছে নিছা।

[২৫৩]

বাৰিষা মেঘৰ দৰে আমাৰ জীৱনলৈ
সুখ-দুঃখ আহে আৰু যায় !

আহুকলীয়া বাৰিষাৰ পিছতে
শুৱনী শৰৎ আহে,
যি চকুত দেখিছা আজি চকুলো
কাইলৈ বিৰিঙাই হাঁহে ।
ফুলা ফুলপাহি দেখিবা কিদৰে
আবেলি মৰহি যায় !!

আউসীৰ দৰে দুঃখৰ নিশাটি
পূৰ্ণিমাত শেষ হয়,
জনমৰ সুখ যিদৰে এদিন
মৰণত মাৰ যায় ।
জোন-বেলিৰ দৰে সঁচা সুখ-দুঃখ
উঠি উঠি মাৰ যায় !!

জয়তু জননী মুক্তিদাতা
জয়তু মোহন মহাত্মা
হে নৰৰূপী ভগৱান,
তোমাৰ বাবেই
ভাৰতবৰ্ষ
আজি হ'ল মহীয়ান ।

অহিংসা নামৰ পিন্ধিলা বৰ্ম,
আহিলা জগত জিনি,
নঙঠা ফকিৰ নহয় যে তুমি
তোমাক পালোঁহি চিনি ।
তোমাৰ ভাৱেৰে আজি উদ্বুদ্ধ
ভাৰতৰ সংবিধান ॥

কলুষ-কালিমা ধুই পখালি
সমাজ কৰিলা নিকা,
মুক্ত ভাৰতত মুক্ত আকাশত
উৰুৱাই পতাকা ।
দেশৰ বাবেই দিলাযে মহান
জীৱনো বলীদান ॥

[২৫৫]

এই আকাশেই
উষাক মাতিলে
পৃথিৱীক পোহৰ যাচি,
এইখন আকাশেই
কিমান সন্ধিয়াৰ
দিলেহি এন্ধাৰ সিঁচি ।

এই আকাশৰ তলতে কিমানে
মৰমৰ পাতিলে হাট,
ইয়াতেই কিমানে জীৱন যাত্ৰাত
পায়ো হেৰুৱালে বাট ।
কিমানে বুকুৰ জ্বলা তুঁহ-জুই
বুকুতে ৰাখিলে সাঁচি ॥

কতজনে দেখোঁ নীৰৱে আহি
নীৰৱেই গুচি গ'ল,
তাৰ মাজতেই কতজনে দেখোঁ
মৃত্যুঞ্জয়ী হ'ল ।
এই ধৰাতেই কত ইতিহাস
ৰচা হ'ল মচি মচি ॥

[২৫৬]

মই ভাওৰীয়া জীৱন নাটৰ
কত কিযে ভাও দিলোঁ,
ওলগ সন্মান কিম্বা অপমান
আৰু কত কিযে নেপালোঁ।

চকুৰ চকুপানী চকুতে সামৰি
সকলোকে হঁহুৱালোঁ,
ভোক-পিয়াহো সমূলি পাহৰি
নাচি নাচ নচুৱালোঁ।

এটি দুটি কৰি দৃশ্যপট এৰি
যৱনিকা পেলালোঁ।
ভাওনা শেষত জনতা ভিৰত
নিজকেই হেৰুৱালোঁ।

এই বাটৰেই মই বাটৰুৰা
এই বাটে আজি মোৰ লগৰীয়া
এই বাট মোৰ পুৰণি চিনাকি
বাট কুৰি বাই হ'লো ভাগৰুৰা ।

এদিন আছিলে এই গতিপথ
সুখৰ সেন্দুৰী আলি,
তৰহে তৰহে সেই বাটে বাটে
নানা ফুল আছিলে ফুলি ।
বনৰ পখীও বৈ মাতিছিলে
মাতি সুৰ আকলুৰা ॥

অচিনাকি আজি এই বাটপথ
পথিক মই অচিনাকি,
অচিনাকি হ'ল বাটৰ লগৰী
নাই কোনো চিনাকি ।
এৰি আহিলো দিন সোণোৱালী
স্মৃতি যত আলসুৰা !!

[২৫৮]

তিমিৰ মগ্ন নীৰৱ নিশা
নিবিড় বকুল বন,
সৰা বকুলৰ সুবাসে কৰে
অধীৰ আকুল মন ।

মৌন নিশাৰ অতনু প্ৰহৰে
মন কৰে উচাটন,
তোমাক বিচাৰি পাওঁ অপূৰণ
মাথো উকা সোঁৱৰণ ।

পাৰ কৰি দিলো বাসন্তী নিশাৰ
জীৱনৰ মধুক্ষণ,
সাক্ষী ৰ'ল মাথো বহু হুমুনিয়াহ
জয়াল বকুল বন ।

[২৫৯]

যন্ত্ৰ মানুহ আমি যন্ত্ৰ মানুহ
যান্ত্ৰিক এই যুগৰ
মন্ত্ৰ আমাৰ মাথো প্ৰযুক্তি কৰ্ম
ইতিহাস মচি আগৰ ।

সামাজিক ৰীতি-নীতি আজি নৈতিকতা
আমাৰ বাবে নগণ্য
লাগে উৎপাদন লাগে উদ্ভাৱন
পৃথিৱী কৰিব ধন্য ।
বিজ্ঞানে নাশিব অজ্ঞান এন্ধাৰ
সিঁচিব নতুন পোহৰ ॥

নিজকে বচাব খুজি আনক মাৰিবা কিয়
এই জীৱন মৰণৰ যুদ্ধ,
ভোক পিয়াহে চোৱা পৃথিৱী আতুৰ
ধৰাতল আজি ক্ষুব্ধ ।
প্ৰাণৰ পৰিপূৰক আছে জানো কিবা
ভোক আৰু পিয়াহৰ ॥

[২৬০]

বহু সাধনাৰে অঁকা তুমি মোৰ
জীৱন্ত এখনি ছবি,
বহু ৰং-ভাৱনাৰে ৰঞ্জিত যেন
তুমি মোৰ মনৰ কবি ।

কলুষ-কালিমাৰে অন্ধকাৰময়
কদাকাৰ মোৰ পৃথিৱী
প্ৰথম পুৱাতে পোহৰাই তুলিলা
তুমি মোৰ প্ৰভাতী ৰবি ।

দুঃখময় মোৰ জীৱন মৰুত
তুমি হ'লা বাৰিধি,
তোমাৰ ৰূপৰ মই নাপাওঁ তুলনা
গুণৰ কোনো পৰিধি ।

[২৬১]

মোৰ পদূলিৰ শেৱালিজোপা
সাক্ষী বহু বহাগৰ,
ডাল ভৰি ভৰি কতযে ফুলিলে
শুৱাই সন্ধিয়া শৰতৰ ।

কোনে বুটলি নিলে তলসৰা ফুল
কৰণী ভৰাই হেঁপাহৰ,
উৰুঙা পদূলি শেৱালিৰ তল
উৰুঙা জীৱনৰ ।

এই শেৱালিজোপা আৰু সাক্ষী মোৰ
বহু দুঃখ-বেজাৰৰ,
মৰমীয়ে ফুল কিয়বা যাচিছিল
চিনৰূপে মৰমৰ ।

অ' কণমাই—
ঢোলৰ মাত শুনা নাই,
অ' কণমাই—
গগনাথে বজা নাই,
নুশুনো বিহুৰা সুৰ,
অ' কণমাই—
বিহু বিহু লগা নাই—
অ' কণমাই—
হিয়া মোৰ নচা নাই—
অসম দেশ বহু দূৰ।
অ' কণমাই—
ফুলামকৈ গামোছা
অ' কণমাই—
তুমিনো পঠিওৱা
কালিৰ ডাকতহে পালোঁ,
অ' কণমাই—
গামোছাৰে জাপত '
অ' কণমাই—
মাহ হালধিৰে
গোন্ধ পোৱা যেন পালোঁ।
হিয়া মোৰ পাৰিলে জুৰ !!
অ' কণমাই—
লাডাখৰে সীমান্তত—
অ' কণমাই—
হৈ আছোঁ প্ৰহৰী
বন্দুক-বাৰুদৰ শুনো শৱদ
অ' কণমাই—
চিপাহীৰে চাকৰি—
অ' কণমাই—
মোৰো নাই আহৰি।
তথাপিও বিহু মৰমৰ !!

[২৬৩]

ধাৰাসাৰে নমা চকুলো দুধাৰি
নোৱাৰিলো ৰোধিব,
ভগা কলিজা ভাগি ছিগি গ'ল
নোৱাৰিলো বাধিব।

বিদায় বেলাৰ কৰুণ কাতৰ
ছবিখনি থাকিব,
গুচি যোৱা দিন নাহে যে দুনাই
সোঁৱৰণী যাচিব।

বাটৰ কেঁকুৰিতে নেদেখা হ'লা
খুজি উভতি চাব,
তুমি গুচি গ'লা তোমাৰ বাটেৰে
উভতি নাহিব!

[২৬৪]

মই অহা বাটেৰে
তুমি নাহিবা নাহিবা
জানো মই জানো তুমি আহিবা
মই অহা বাটৰ আঁত বিচাৰি
জানো তুমি ভুল কৰিবা ।

এই বাট তোমাৰ নহয় আপোন
ইযে নহয় সোণ সুখৰ সপোন
কমনীয় শৰতৰ মাদকতা তুমি
ইয়াত সোণ বিচাৰি নেপাবা ।

দুঃখ-বেদনাৰে হেতালি খেলি
সংসাৰ সাগৰত নাও দিলোঁ মেলি
তেজে তুমৰলি মোৰ হাত-ভৰি
এই বাটে তুমি নাহিবা ।

সেউতী অ' —
এতিয়া মই তোমাৰ কথাই ভাবিছোঁ
উকা মন আকাশত
আশাৰে তৰাফুল বাচিছোঁ।

জানা সোণ, আজি মোৰ
একোই লগা নাই ভাল,
বতাহত উৰা মেঘৰ দৰে
মনৰ মেলি দিছোঁ পাল।
তুমিও ভাবিছা নেকি মোৰেই কথা
মই যিদৰে ভাবিছোঁ !!

চকুলো পৰি বিয়পি যোৱা
তোমাৰ চিঠিখনি পঢ়িলোঁ
সেমেকা মোৰো দুচকু মোহাৰি
নিজকে সামৰিলোঁ।
নিঠুৰ জীৱনৰ আদেশ মানি
মই যে আঁতৰি আহিছোঁ !!

[২৬৬]

তোমাৰ বাবেই মই
এই গীত ৰচিলোঁ
তোমাৰ বাবেই এই
কণ্ঠ শোণিত বোৱালোঁ ।
তুমি নুবুজিলা গীতৰ ভাষা
নুবুজিলা মোৰ সুৰ !!

বিনিময়ত মাথো বিশাল শূণ্যতা
ব্যৰ্থতাহে পালোঁ,
তোমাৰ বাবেই কত দিন মই
কান্দি কান্দি হাঁহিলো ।

হেজাৰ বেজাৰৰ গধূৰ বোজাটি
গুপুতে বুকুতে সাচিলোঁ ।
নাটঘৰৰ দুৱাৰ দলিতে
কি ভুল মই কৰিলোঁ ।
কিদৰেনো হ'লা মূক-পাষাণ
মই যে নুবুজিলোঁ ।

[২৬৭]

এতিয়া নিশা দুপৰ হ'ল,
তোমালৈ লিখা
মোৰ শেষ চিঠিখন
লিখি সামৰা হ'ল ।

ভালপোৱা যদি অভিনয় হয়
তাৰ বাবেই জীৱন জুৰুলা হয়
মায়া-চেনেহৰ মকৰা জাল
গুচাই নিদিলোঁ কিয় ?
বাৰে বৰণীয়া প্ৰেম প'খিলা
কোন উৰি গুচি গ'ল ॥

কথাকে কবিতা বুলি কৰা ভুল,
তোমাৰ হাঁহিতে ফুলা যি ফুল,
তেজৰঙা কোৱাভাতুৰী
মাথো গৰলেই তাৰ মূল ।
সেই গৰলকে পান কৰোঁতেই
কণ্ঠ মোৰো নীলা হ'ল ॥

[২৬৮]

এতিয়া বেলি মাৰ গ'ল,
সাজৰ সময় হ'ল,
বাহীৰ সুৰেৰে কপিলী খুঁটি
এতিয়া মুখৰিত হ'ল ।

এতিয়া সময় হ'ল
নীড়মুখী বলাকাই নীলাৰ বুকুত
ডেউকা কোবাই যোৱাৰ,
এতিয়া সময় হ'ল
ক্লান্ত দেহেৰে খিড়িকী কাষত
অতীতক সোঁৱৰাব ।
হেঙুল-হাইতাল ৰঙৰে জানো
জীৱন ৰঙোৱা হ'ল ?

এন্ধাৰ নামিবৰ হ'ল,
সময়ৰ চকৰি কোন ঘূৰি গ'ল
বিদায় বাৰতা বিলাই !
দিনৰ বীণত বজা শেষ সুৰটি
লাহে লাহে শেষ হ'ল ।

[২৬৯]

যি বাটে গৈছিলি, গৈছিলি ৰঙিলী
সেই বাটে দেখোঁ নাহিলি দ্ নাই
ক'তে এৰি আহিলি ৰাংঢালী মনটো
ম্খত তোৰ হাঁহিটি নাই ।

এই বোৱাৰী-প্ৰাতে কোনে তোৰ হিয়াতে
হিয়া মিলাবলে' চায়,
দি থৈ আহিলি তোৰ হিয়াৰ সকলো
চেনাইক পানী-ঘাটত পাই ।

জোলোকে জোলোকে পানী কলসী কাণেৰে
পাৰ তোৰ কাঁচলি তিতায়,
কাৰ হাতৰ পৰশে কাৰ মনৰ মৰমে
আজি তোৰ হিয়া কঁপায় ।

[২৭০]

মই যেন কোনো এক অতনু আত্মা
আউসী-নিশা বহি বাটৰ কাষত
নিদ্ৰিত ধৰণীৰ হাঁহি-কান্দোনৰ কথা
শুনিছোঁ মনে মনে নিশাৰ শেষত

শুনিছোঁ মই অনেক হিয়াৰ
অতৃপ্ত কত তপ্ত হুমুনিয়াহ
শুনো মই আৰু কত অট্টহাঁহি
উৎফুল্লিত হেজাৰ হিয়া।
মৰম পাহৰি কতজনে দেখোঁ
পাতিছে মায়াজাল মনৰ দেশত॥

দুৰণিৰ বননিত কোনোবা নিশাচৰ
বিহঙ্গৰ শুনোঁ ক্ৰন্দন,
নোপোৱাৰ বেদনাত জ্বলি জ্বলি জ্বলিছে
গণি গণি মিলন-ক্ষণ
মায়াময় মৰতত ছাঁয়া-ময়া খেল,
দেখিছোঁ বিপুল বিচিত্ৰ বেশত।

[২৭১]

ৰঙা চিলনী গঙা চিলনী
এই বিলনী বন
এই পাৰঘাট এই আলিবাট
মোৰ পৃথিৱী খন ।

সৰু ঘৰবাৰী সৰু সৰু ছবি
সৰল আশা মন
সদায় সঁচা সৰু পৃথিৱী
পুৰণি তাঙৰণ ।

ল'ৰালি যৌৱন চিনাকি জীৱন
প্ৰকৃতি অনুপম
এই আকাশ এই বতাহ
আপোন আমৰণ ।

[২৭২]

হে বন্ধু ! নিদিবানে তুমি
তোমাৰ এধানি অনুকম্পা,
তোমাৰ পৰশতে যদিহে ফুলে
মৰহা সিপাহি ফুল চম্পা ।

অকণি দয়াৰে যদি দিয়া মেলি
তোমাৰ দয়ালু হাত,
নিদানৰ বেলিকা যদিহে দিয়া
অমাতৰ অমিয়া মাত ।
অলপ দয়া অলপ সঁহাৰি
হ'বওতো পাৰে বহু কিবা !!

নিজৰ দুভৰিত থিয় হ'ব খুজি
বাগৰি পৰা শিশুটি,
বাট খেপিওৱা আলৰ বুঢ়াৰ
হেৰাই যোৱা লাখুটি !
জীৱনৰ আধাৰ হ'বওতো পাৰে
তোমাৰ এধানি অনুকম্পা !!

[২৭৩]

মন্দিৰ মছজিদ গীর্জা নামঘৰ
তুমি দেখোন ক'তো নাই
তোমাক বিচাৰি মাটিৰ মানুহে
কিয়যে হাবাথুৰি খায়।

সাতাম পুৰুষীয়া ধ্যান-ধাৰণা
আজিও আঁতৰা নাই
তোমাক বিচৰা মাথো বাতুলতা
মানুহে বুজা নাই।

তুমি আছা দেখোঁ মনৰ মাজতে
চেতনা আত্মা হৈ,
তুমি আছা দেখোঁ আকাশে-বতাহে
প্ৰকৃতিৰ প্ৰতিৰূপ লৈ।

কিনো জাত-পাত ধৰ্ম-ভাষা
ভোক আৰু পিয়াহৰ,
আছে নেকি কিবা বৰ্ণ-বিভেদ
তেজ আৰু মঙহৰ ।

আমাৰ প্ৰীতি মায়া-মমতা
হাঁহি আৰু কান্দোনৰ,
আছে নেকি কিবা অমিল প্ৰভেদ
জনম আৰু মৰণৰ ।

তোমাৰ আবেগ আৰু উদ্বেগ
শান্তি সুখ বেদনাৰ,
মোৰ দৰেই দেখোঁ একে অনুভূতি
কামনাৰ বাসনাৰ ।

এইখনি নৈ
ইদৰে এনেকৈ
নিৰৱধি থাকে বৈ ।
কিনোদিন কিনোৰাতি
চিৰকাল বোঁৱতী
বৈ মাথো বৈ যায় ।
ইপাৰে সিপাৰে
লিখা নিলিখা
মানুহৰ ইতিহাস,
জহি খহি যায়
চিনকে নৰয়
সময়ৰ পৰিহাস ।
চামে চামে মানুহ
আহিছে গইছে
আহিব থাকিব গৈ ।
ঘৰ-সমাজৰ
ৰাজ্য ৰাজ-নীতি
মানুহৰ টনাটনি,
নৈৰ ঢৌৰ দৰে
উঠি মাৰ যায়
একো যে নেথাকে ৰৈ ।
সময়ৰ সোঁতে
উটুৱাই নিয়ে—
নদীয়ে তাকে যায় কৈ ॥

[২৭৬]

মৰমে যিদৰে জানে হৃদয়ৰ টান
ধুনীয়া পখিলাই জানে ফুলৰ অভিমান,
ফুলে ফুলে ফুলে মনে মনে জাগে
সুৰদী সপোন সোণালী।

বাসন্তী নিশা ফুলে বকুলৰ ফুল
কেতেকী বিনায় কৰি পৰাণ আকুল,
বনে বনে উৰে সুৰে সুৰে কৰে
দৰদী জীৱন জোনালী।

উষা আহিব বুলি আকাশৰ আয়োজন
এন্ধাৰ নাশিবলৈ পোহৰৰ প্ৰয়োজন,
জিলমিল কৰি তিৰবিৰ জ্বলি
শুৱনী গগন তৰালি।

[২৭৭]

সীমা-ভেঁটা দিব পাৰি
তোৰে মোৰে মাজত,
সীমা-ৰেখা দিব পাৰি
দুই দেশৰ মাজত ।
সীমা জানো দিব পাৰি
মানুহৰ মনৰ দেশত !!

মোৰ দেশৰ নৈ-খনি দেখোঁ
তোমাৰ দেশেৰেও বয়,
একেই পানী একেই লহৰি
একোটি ভিন্ন নহয় ।
পাৰি জানো সীমা দিব
প্ৰকৃতিৰ নিয়মত !!

থৰক্-বৰক্ দেহা তোৰ
পিন্ধি বীৰবসন
অন্যায় সভাত সদায় থাকে
তোৰেই সিংহাসন,
আনৰ বাহুৰ বলেৰে ভাব,
জিনিম বুলি জগত !!

[২৭৮]

জোৰাৰহে যেন মই উটি যাম
তোমাৰ নিচেই কাষলৈ,
ধুমুহাৰ দৰে যেন মই বৈ যাম
বাধাৰ প্ৰাচীৰ ভাঙিথৈ ॥

বজ্ৰৰ দৰে যেন গুৰ্জাৰি-গুৰ্মাৰি ক'ম
পৃথিৱীক ভুলৰ কথা,
বাৰিষাৰ মেঘহে চকুলো ঢালিম
পাতলাই বুকুৰ ব্যথা।
ভাগৰি ভাগৰি যাম আগুৱাই
নদীৰ দৰেই বৈ বৈ ॥

আগৰ দৰেই সংধ্যা আজিও নামে
ৰঙাই লুইতৰ পানী
নিয়ৰৰ ফুল বচা একেই পোহৰ
আজিও আছে পুৱাৰ বোল।
মৰণক মই জিনিম মৰণেৰে
নতুন চানেকি এটি হে ॥

[২৭৯]

সংফুল ফুলিছে চিঙোতাযে নাই
বনৰহাতী মৰিছে কান্দোতাযে নাই।

পিতনিৰ মাগুৰ তই পিতনিতে থাক,
নৈৰ কথা নাভাবিবি পিতামহৰ ডাক।
নদীৰ গতি অতি কোৱাল
আৰু নানান লেঠা
শিশু-ঘৰিয়াল কত কিযে আছে ঠাহখাই।

গড়খাৰৈৰ চেং তই সাত খালৰ চেং
নলগা গছত মিছাকৈয়ে নলগাবি জেং
খাৰৈৰ পৰা জঁপিয়াই তোৰ
মৰিল আজো ককা,
তোৰ দেখোঁ তথাপি চকুত চৰম নাই।

[২৮০]

অ’ ৰাঙলী পাখিলী
ৰঙেৰে মন মুহিলি
ফুলনিত উৰি উৰি
ৰঙৰ পোহাৰ মেলিলি ।

অ’ মালতী অ’ তগৰ
কোনেনো লগালে জগৰ,
আজি ফুলৰ মেলা
ফুলে ফুলে সাগৰ ।
সেই সাগৰত ৰং-ৰূপৰ
লহৰ তুলিলি ॥

অ’ ফুল অ’ ফুল
ইমান ফুল কিয়,
ৰঙে ৰঙে মোৰ পৃথিৱী
কিমাননো ৰঙাব ।
পখিলা পাখি তোৰ ৰঙেৰে
মোৰ মন ৰঙালি ॥

দেখিবা যদিহে মোলৈ চোৱা
মৰুৰ দৰে নীৰস হোৱা
কাঁচৰ দৰে ভাগি যোৱা ।

বৰ ঠুনুকা জটিল জীৱন
চনকা চেনেহ ভালপোৱা,
পুৱাতে ফুলা যেন এটি ফুল
আবেলি মৰহি যোৱা ।
ভাওনা শেষত কোনেনো শুনিব
বিষাদৰ গান গোৱা ।।

মই গৈ আছোঁ ওখোৰা-মোখোৰা
আঁউসী নিশাৰ বাটেৰে
যদিওবা শুনো কোনোবাই মোক
মাতিছে মায়াবী মাতেৰে ।
এই এন্ধাৰত কোনেনো দেখিব
তুমি আজি মোৰ হোৱা ।।

[২৮২]

নহয় সিটো কুলি চৰাই
কিবা ৰূপ বসন্তৰ
নানান সুৰে গীত গায়
পখীহে আনন্দৰ ।

কুঁহিপাতত তাৰেই হাঁহি
কৰে টলমল,
ফুলৰ মেলাত তাৰেই খেলা
ৰ'দে জলমল ।
দেহে মনে ন-শিহৰণ
জাগে উলাহৰ !!

বৰদৈচিলা তাৰেই সখী
তাৰ লগতে আহি,
নিজে নাচি নাচ নচুৱায়
মাৰি বিজুলী হাঁহি ।
কিনো ৰূপ কিনো চং
বনৰ বিহঙ্গৰ !!

[২৮৩]

এদিন দুদিনকৈ সোণালী দিনবোৰ
গুচি যায় দূৰে দূৰে।
ক্লান্ত চৰণে মৰণৰ বাটেৰে
আগবাঢ়ে আগবাঢ়ে।

তোমাৰ স'তে দেখাযে নহ'ল
হ'লেও হৃদয়ৰ বিনিময়,
নহয় মিলন সন্ধ্যা উষাৰ
কাল মঞ্চ অভিনয়।
আজি অন্তৰ আকুল অধীৰ
বিদায়ৰ সুৰে সুৰে।।

আমি দুয়ো হ'লোঁ নিশাৰ চকোৱা
দুয়ো নদীৰ দুপাৰে,
আমাৰ চকুলো কেৰে নেদেখিলে
বৰষিলেও ধাৰাসাৰে।
আমাৰ মিলন দিনৰ সপোন
দিঠকত আঁতৰি পৰে।।

[২৮৪]

বনে বনে ৰঞ্জন-জনাই
কাণে কাণে পুলক জগাই
যা পখী তই গীতকে গাই
তোৰ মিঠা সুৰেৰে ভুবন ভুলাই।

তই গীত গালে ডালে ডালে
মন মোৰ উঠে সাৰ পাই,
তই উৰি গ'লে তোৰ স'তে
মন মোৰো উৰি যায়।

জড়জগতে জঠৰ কৰিছে,
মন কাঢ়িছে জটিলতাই,
মোৰ মনত দ্বিধা-দ্বন্দ্ব
শান্তি হৰিছে ব্যাকুলতাই।

[২৮৫]

আই তোৰ দুগালৰ চকুলো মচি
মিঠা হাঁহি যদি দিব পাৰোঁ,
তেনে এক মৰণ মৰো বিচাৰোঁ
তোৰ বাবে যদি মৰিব পাৰোঁ ॥

সুখৰ নিশাৰ কেঁচা ঘুমটি
যিয়ে কাঢ়ি নিছে তোৰ,
যাৰ বাবে আজি অত লাঞ্চনা
শত জনমৰ বৈৰী মোৰ।
বুকুত বন্ধা আছে সাহসৰ বৰ্ম
যুঁজৰ যাদু আছে মোৰো ॥

ৰক্ত ৰঞ্জিত যেন ৰক্ত-কমল
কলিজা মোৰ লাগে যদি,
ছিঙি দিম আই তোক সযতনে
ওপচাই তোৰ পূজাৰ বেদী।
চৰণ ধূলি তোৰ তুলি শিৰত
জীৱন আহুতি দিব পাৰোঁ।

চ'তৰ কাঁহিলি-পুৱাতে শুনিলোঁ
প্ৰথম কুলিৰ মাত,
আৰু দেখিলোঁ ডালে ডালে
কোমল কুঁহিপাত ।

ক'তো নুশুনোঁ ঢোলৰ চাপৰ
চিফুং-বাঁহীৰ মাত,
উদং পথাৰ অঁহতৰ তল
বিহু নালাগে গাত ।

সমাজ সলনি বতৰ সলনি
সলনি নগৰ বাট,
বনে বনে বহাগ আহে
বননিৰ বোকোচাত ।

[২৮৭]

দূৰ সাগৰত সন্ধ্যা যেতিয়া
মাৰ যায় ৰঙা বেলি,
নেজানো কিয়বা তাকে দেখি
মন হয় খেলি-মেলি।

ঠনু ধৰি ফুলা পুৰাৰ ফুলপাহি
সৰি গ'ল আবেলি,
ফুলৰ দৰেই জীৱনৰ ৰং
ইদৰেই যায় মৰহি।

ইদৰে গুচি যায় আৰু এটি দিন
দিন-ৰাতি দুপাখি মেলি,
ইয়াতেই এৰি বহু সোঁৱৰণী
সুখৰ দুঃখৰ ঢৌ তুলি।

ওলাই আহ অ' ভদীয়া ভাদৈ
লৰি লৰি ওলাই আহ ৰংমন-ৰহদৈ
আজি বিহুতলী ৰিঙিয়াই মাতে
অ' বিহুতলী ৰিঙিয়াই মাতে ॥

আমি অসমীয়া অ' সমনীয়া
আমাৰে বিহুটি অ' সমনীয়া
অতি আদৰৰে ধন সমনীয়া
বিহু অসমৰে প্ৰাণ সমনীয়া
মান অসমৰে তাতে ।
বিহুতলী ৰিঙিয়াই মাতে ॥

গায় বিহুগীতি কুলি-কেতেকী
ফুলিল চম্পা-তগৰ, কপৌ-মালতী
গুণ্-গুণ্ কৰি ভোমোৰা মৌ-গুটি
ফুলৰ বুকুতে পৰি পাতিছে চুপতি
বিহুৰে কথাকে পাতে ।
বিহুতলী ৰিঙিয়াই মাতে ॥

নকৰা বেলি আৰু ভদীয়া ভাদৈ
ৰাখাহি বিহুৰে মান ৰংমন-ৰহদৈ
পখিলা উৰাদি নাচোঁ বল বিহুতলীলৈ
টকা-পেঁপা-গগনা ৰ'লযে পৰি ঐ
নাযায় আমাৰ মান তাতে ।
বিহুতলী ৰিঙিয়াই মাতে ।

ধিনিকি ধিনিকি ধিনা ধিনা ধা
ধিনিকি ধিনিকি না তিনা তা,
এক দুই তিনি চাৰি
মিলি যাওঁ শাৰী শাৰী
চাৰি পাঁচ ছয় সাত
হাততে মিলাই হাত।

কিৰাট কছাৰি মিৰি মিছিমি,
হিন্দু মুছলমান,
আমি অসমীয়া থাকো মিলিজুলি
কোনে কৰে অপমান।

জয়ৰ কীৰ্ত্তি দেখি
সুখৰ সপোন লেখি
উলাহতে নাচি উঠে অসমী আই।
এয়াযে অসমী আই এয়াযে মৰমী আই,
শান্তি সুখৰ ঠাই, জনমে জনমে আই॥

মেজিৰ কুকুহা ওপৰলৈ উৰিলে
ঘূৰি ঘূৰি পাৰিলে বনত,
মাহ চাউল তিলেৰে আহূতি দিলেহে
দেৱতাৰ হৰিষ মনত।
মেজিৰ কুকুহা উৰে ॥

পাহাৰৰ দুয়ো ঢাল ধূৱলী-কুঁৱলী
এই ধোঁৱা কেনিবা উৰে,
এই ধোঁৱা যেনি উৰে খেতিত ৰহণ চৰে
কোনোবাই ক'লে দূৰে দূৰে ॥

বাঁহ-নৰা-বিৰিণা মেজি সঁজা সঁজুলি
সঙালে চূড়াৰ দৰে,
ৰঙতে কিৰিলি পাৰি অগনি পূজা কৰি
উলাহতে নৃত্য-গীত কৰে ॥

[২৯১]

মই দেখোন নিজকেই নাপালোঁ চিনি
মইনো কোন, কি পৰিচয়
মোৰ মূল্য কিমানখিনি।
মই নিজকেই নাপালোঁ চিনি ॥

জীৱনৰ মাপ-কাঠি যদি ধনবিত্ত
গুণ-গৰিমা আৰু কিবা মনচিত
নাপালোঁ ক'তোযে তেনে ৰং-ৰূপ
বিচাৰি যেনি তেনি ॥

মানুহৰ সমাজত নহ'লোঁ পৰিচিত
অনেক আখৰা দিলোঁ মই অযাচিত
মোৰ সমাধিত ফুল এপাহি
তাকো নেপাম কিজানি ॥

[২৯২]

জীৱনৰ অৰ্থ বিচাৰি বিচাৰি
নেপালো সমিধান
নুবুজিলো কি জয়-পৰাজয়—
কিনো অহং-অভিমান ।

কিয়নো যাচে বৰণৰ মালা
কিনো কীৰিতি কি সন্মান,
কিনো লাজ-মান নিন্দা-শপনি
গৰিমা অপমান ।

সমাজ মানুহ আচাৰ-বিচাৰ
গুণাগুণ পৰিমাণ,
বিচাৰে মানুহে তাতেই মাথোন
নিজৰেই সমাধান ।

যেনি তেনি চাওঁ কেনিও নেদেখোঁ অনুশাসন,
কি নৈতিকতা কিনো চৰিত্ৰ সমূলি স্খলন হনন;

আজি নিষ্ঠা কৰ্ত্তব্য আৰু বাধ্য বাধকতা,
ৰ'ল ধোঁৱা চাওতে হ'ল মাথো বাতুলতা,
কোনে ক'ব কোনে কৰিলে ইমান হুৰণ-ভগন।

চোৰ দগাবাজ ব্যভিচাৰীৰ আজি হয় জয়,
সত্যবাদী সাধুজনৰ য'তে ত'তে পৰাজয়,
এই সোঁতৰ ওভতা গতি হ'বনে অনুধাৱন।

কাইলৈ কি হ'ব    নেজানো যে আমি
নেজানো নিজৰে বিধিলিপি,
কিমান আশাৰে    সজীৱ পৃথিৱী
চিৰকাল তথাপি ।

টলমল টলমল    কুঁহিপাত খিলা
বহাগৰ গছৰ ডালত,
মৰহি শুকাই সৰে    সিওবে এদিন
কোনোবা ঠেৰেঙা শীতত ।
কি কুঁহিপাত    কি সৰাপাত
গছেতো নেভাৱে কদাপি !!

নদীৰ সোঁতৰ দৰে    বয় নিৰৱধি
মানুহৰ নিছিগা সোঁত,
একেই মানুহ    আহে চামে চামে
সলাই ভিন ভিন মোট ।
আহিছে মানুহ    গইছে মানুহ
মানুহৰ নাই থিতাপি !!

[২৯৫]

দিবা জানো অলপ মৰম,
দিবা নেকি ভালপোৱা ?
আলসুৱা-আকলুৱা
মোৰ মনলে' চোৱা !

মোৰ জীৱন মৰুভূ
হেজাৰ বেজাৰে ভৰা
তোমাৰ মৰম সিঁচি
সাগৰ সাঁথৰ কৰা ।
তোমাৰ পৰশ যাদুৰে
আশা হ'ব ৰঙচুৱা !!

আবেগে নমা অশ্রু
তুমি মচি দিবাহি,
মোৰ শুকান ওঁঠতো
হাঁহি উঠিব ভাঁহি ।
মৰমৰ বন্যা নামি
মন হ'ব পলসুৱা !!

[২৯৬]

ৰিণিকি ৰিণিকি বাজে অ'—
ক'তে দূৰৈৰ বাঁহীটি,
চিনাকি চিনাকি সুৰে অ'—
কিনো গাৱ প'খীটি।
ঘনে ঘনে সৰি পৰে হাতৰ মাকোটি !!

বতাহতে হালেজালে কোমল কুঁহিপাত,
উৰণীয়া মন উৰে তাৰে বোকাচাত,
আঁচুফুল বাচোতে
কেণা লাগে সততে
ডালত পৰি কিয় মাতে বৈ কুলিটি !

ঢোলতে ঐ বাজিব ধিনিকি ধিন্দাও দাও,
তালে তালে আহিব ঐ নাচোনৰে ছেও,
বিহুনাচ নাচোতে
হুচৰি গাওতে
আকৌ এবাৰ আহি পালে চ'তৰ বিহুটি।

[২৯৭]

নিশাৰ সপোনত মনৰ দাপোণত
দেখোঁ ছবি ডুখৰীয়া
অধীৰ আকুলমন কিবা আবেগত
জীৱনৰে দুপৰীয়া ।

ফুলৰ পাপৰি অচিন সুৰভি
ভাল লাগে চাই চাই,
পখীৰ কাকলি কিবা ৰাগিণী
সিও বুকু চুই যায় ।
কাৰ বাঁহীৰ সুৰে মন আকুল কৰে
নিজান নদীৰ নাৱৰীয়া !!

মনৰ মাজতে বহু হুমুনিয়াহ
বহু আশাৰে ভৰা,
আপোন পৃথিৱী হ'ল পৰকীয়া
মনে নাপালে বিচৰা ।
তোমাৰ ছবিটি দেখিলে কিয়বা
মন হয় ডাৱৰীয়া !!

গুচি যায় দিনবোৰ চকুৰ আগেদি
এৰিথৈ মোলৈ বোজা বেদনাৰ,
সমাগত এইদিন নিতো আহে
কঢ়িয়াই মিছা আশা-ছলনাৰ।

কিমান নিচুকাম ইদৰে নিজকে
তুলাচনী চাই চাই আশা-নিৰাশাৰ!

দুঃখৰ শেতেলীত শুই শুই দেখিলোঁ
সুখৰ সৰগী-ছবি এই বসুধাৰ!

[২৯৯]

বসন্তৰ বাতৰি
বিলাই বিলাই
বকুলৰ বনে বনে,
বিৰহী বিহঙ্গ
বেদনা বিধুৰ
বাৰে বাৰে বিনালে ।

বৰাগী বিহগী
বিতোপন বীথিকাত
বিষাদৰ বীণ বজালে
বিষণ্ণ বেলা বনে বনে ।

বিৰাম বিহীন
বসুধা বন্ধুত
বন্ধুৰ বেজাৰ বোঁৱালে
বিলাস বিনে বনে বনে ।

এই জীৱন এই সংসাৰ
সুখৰ দুখৰ সমাহাৰ,
টনা-আঁজোৰা আশা-নিৰাশাৰ
মায়া-মোহৰ মণিহাৰ ।

হাই-উৰুমি হাঁহি কান্দোন কোলাহল,
অমৃত বিচাৰি পাই মাথো হলাহল,
মৰম ঠুনুকা
চেনেহ চনকা
সততাৰ হাহাকাৰ ।

হাঁহিৰ দৰে সঁচা এই জনম সমূহৰ
চকুলোৰ দৰে আৰু সঁচা মৰণ মানুহৰ
জীৱন বিচিত্ৰ
কতযে চৰিত্ৰ
মানুহৰ পাৰাবাৰ ।

---